

অসম প্ৰৱাহৰ তৰফৰ পৰা সমূহ অসমবাসী, পঢ়ুৱৈ, বিজ্ঞাপন দাতা সকলোলৈকে দুৰ্গা পূজাৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ। — সম্পাদক

গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰৱাহ

শুকুৰবাৰ ● ১৬ অক্টোবৰ ২০২৬/২৮ আহিন ১৯৪৩ শক ● দাম ৩.০০ টকা ● পঞ্চদশ বছৰ ● সংখ্যা - ২৭ ● Vol - 15, Issue - 27

## মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ শাৰদীয় দুৰ্গা পূজাৰ আন্তৰিক শুভেচ্ছা



শৰতৰ নিৰ্মল আকাশ, শেৱালিৰ সুগন্ধ আৰু ঢাকৰ মাতৰ সৈতে আকৌ আহিছে শক্তিৰূপিনী মা দুৰ্গাৰ আগমণৰ ক্ষণ। অশুভ শক্তিৰ বিনাশ আৰু শুভ শক্তিৰ প্ৰতিষ্ঠাৰ এই পৱিত্ৰ উৎসৱে আমাৰ সকলোৰে জীৱনলৈ কঢ়িয়াই আনক সুখ, শান্তি আৰু সমৃদ্ধি। দুৰ্গা পূজা কেৱল এক ধৰ্মীয় উৎসৱেই নহয়, ই হৈছে আমাৰ ঐক্য, ভাতৃত্ববোধ আৰু সাংস্কৃতিক সমন্বয়ৰ প্ৰতীক। এই পূজাই আমাক সকলো ভেদাভেদ পাহৰি একেলগে আগবাঢ়ি যোৱাৰ প্ৰেৰণা দিয়ে। এই শুভ ক্ষণত মা দুৰ্গাৰ ওচৰত মোৰ প্ৰাৰ্থনা তেখেতে অসমৰ প্ৰতিঘৰ মানুহক সু-স্বাস্থ্য, দীৰ্ঘায়ু প্ৰদান কৰক। আমাৰ কৃষক, শ্ৰমিক, ছাত্ৰ-ছাত্ৰী, আই-ভনী সকলোৰে জীৱন সুখেৰে ভৰি পৰক। আমাৰ অসমখন আৰু অধিক শক্তিশালী, বিকশিত আৰু শান্তিৰে ভৰা হওক। আহক, আমি সকলোৱে মিলি এইবাৰৰ দুৰ্গা পূজা উলহ-মালহেৰে, শান্তি-শৃংখলাৰে আৰু পৰম্পৰাৰে উদ্‌যাপন কৰোঁ। মা দুৰ্গাই আপোনালোক সকলোকে আশীৰ্বাদ কৰক। জয় মা দুৰ্গা।

## মহালয়া আৰু দেৱীৰ নৱৰাত্ৰি

■ **মৃণালিনী দেৱী**, সভাপতি
অখিল ভাৰতীয় সাহিত্য পৰিষদ



প্ৰতি বছৰে শৰত কাল আৰম্ভ হোৱাৰ লগে লগেই মহালয়াৰ আগমণ ঘটে আৰু প্ৰতি গৰাকী সনাতন অনুগামীৰ হৃদয়ত আপোনা-আপুনি অৰ্থাৎ স্বতঃস্ফূৰ্ত ভাৱেই এক আত্মিক আলোড়নৰ সৃষ্টি হয়। কিয়নো এই মহালয়াৰ পিচতেই শাৰদীয় দেৱী পূজাৰ, নৱৰাত্ৰি তথা চিৰ পূজ্য আদ্যশক্তি নৱদুৰ্গাৰ ৰূপত মা দুৰ্গতি নাশিনী দুৰ্গা-দশভূজা দেৱী মহামায়াৰ ধৰাৰ বুকুত সঞ্চাৰ ঘটে। গতিকে মহালয়াৰ আগমণ ঘটিলেই সকলোৰে মন প্ৰাণ স্বয়ংক্ৰিয় ভাৱেই হৃদয় উৎফুল্লিত হৈ পৰে। কিয়নো ইয়াৰ পিচতেই মাতৃ পক্ষ আৰম্ভ হয় আৰু পবিত্ৰ নৱৰাত্ৰি তথা মাতা আদ্যশক্তি মহামায়া দেৱী দশভূজা-দুৰ্গতি ১১ পৃষ্ঠাত
















# পছৰীয়া বাপুজী প্ৰাথমিক বিদ্যালয়ৰ শতবৰ্ষ অনুষ্ঠানৰ মুকলি সভাত স্মৃতিগ্ৰন্থ উন্মোচন হেমন্ত চৌধুৰীৰ



**ৰমেন ভৰালী, বংশৰ ঃ** বিদ্যালয় এখনে সমাজ জীৱনত বহু বৰঙণি আগবঢ়ায় আৰু সমাজ গঢ়াৰ দিশতো মুখ্য ভূমিকা পালন কৰে। জ্ঞানৰ জ্যোতিৰে অঞ্চলসমূহত অন্যতম প্ৰভাৱ বিস্তাৰ কৰে-এই ভাষ্য অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীৰ। যোৱা ১১ অক্টোবৰত কামৰূপ জিলাৰ পছৰীয়া বাপুজী প্ৰাথমিক বিদ্যালয়ৰ শতবৰ্ষ অনুষ্ঠানৰ মুকলি সভাত স্মৃতিগ্ৰন্থ উন্মোচন কৰি হেমন্ত চৌধুৰীয়ে পুনৰ কয়- 'বিদ্যালয় এখনৰ জন্মৰ আঁৰত বহু মানুহৰ ত্যাগ আৰু কষ্ট জড়িত হৈ থাকে। অঞ্চলটোৰ ল'ৰা-ছোৱালীক শিক্ষিত কৰি সমাজ গঢ়াত উপযুক্ত কৰি তোলাৰ লগতে উচ্চ শিক্ষিত হৈ সুনাগৰিক হোৱাৰ পথ মুকলি কৰাৰ বাবে বিদ্যালয় প্ৰতিষ্ঠা কৰাৰ চিন্তা-চৰ্চা ব্যক্তিসকল শ্ৰদ্ধাৰ পাত্ৰ। ১০০ বছৰ পূৰ্বে যদি সেইসকল পুৰোধা ব্যক্তিৰ বিদ্যালয় প্ৰতিষ্ঠা কৰাৰ চিন্তা নকৰিলে হয় আজি হয়তো এই অঞ্চলৰ পৰা শিক্ষিত তথা উপযুক্ত নাগৰিক নোলালহেঁতেন। গতিকে, বিদ্যালয় প্ৰতিষ্ঠা কৰা প্ৰতিগৰাকী ব্যক্তি আমাৰ বাবে আদৰ্শ। তেওঁ বিদ্যালয়ত নিয়োজিত শিক্ষক-শিক্ষয়িত্ৰীসকলক, ছাত্ৰ-ছাত্ৰীসকলক ভালদৰে পঢুৱাই উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি বিদ্যালয়খন কামৰূপ জিলাৰ ভিতৰত এখন সৰ্বশ্ৰেষ্ঠ বিদ্যালয় হিচাপে গঢ়ি তুলিবলৈ আহ্বান জনায়। শতবৰ্ষ উপলক্ষে প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থ উন্মোচন কৰি স্মৃতিগ্ৰন্থই ১০০ বছৰ গৰাকা বিদ্যালখনৰ সকলো স্মৃতি দাঙি ধৰিব বুলি তেওঁ উল্লেখ কৰে। স্থানীয় মহিলাসকলে আৰম্ভণি সংগীত পৰিৱেশন কৰা মুকলি সভাখনত সভাপতিত্ব কৰে চন্দ্ৰধৰ কলিতাই। মুকলি সভা উদ্বোধন কৰে সাংস্কৃতিক কৰ্মী তথা এস্ক বাই জেড কথাছবিৰ প্ৰযোজক হেমন্ত কলিতাই। উদ্বোধনী ভাষণত তেওঁ কয় যে বিদ্যালয়খনে বহু ল'ৰা-ছোৱালীক উচ্চ শিক্ষিত কৰিছে। সেইসকল ছাত্ৰ-ছাত্ৰী সুপ্ৰতিষ্ঠিত হৈছে। তেওঁ পুনৰ কয় যে অসমীয়া ভাষা ৰক্ষাৰ বাবে সেই সময়ত এচাম মানুহে এনে বিদ্যালয়ৰ জন্ম দিছিল। কিন্তু এতিয়া সময় সলনি হ'ল আৰু অসমীয়া মাধ্যমত ছাত্ৰ- ছাত্ৰীৰ সংখ্যা কমি অহাত বিদ্যালয়সমূহ বন্ধ হ'ল। চৰকাৰে অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈ জাননী দিয়াৰ পিছতো এতিয়ালৈকে চৰকাৰী কাৰ্যালয় আদিত সেয়া কাৰ্যকৰী হৈ নুঠিল। চৰকাৰে ক'ৰবাত বিফল হৈছে নেকি সেয়া পৰ্যবেক্ষণ কৰাৰ সময় হ'ল। তেওঁ কয় যে বিদ্যালয়ত শিক্ষক-শিক্ষয়িত্ৰী পলমকৈ উপস্থিত হ'ব নালাগে; কিয়নো, তেওঁলোকে মানৱ সম্পদ গঢ়াৰ দায়িত্ব লৈ থৈছে। ছাত্ৰ-ছাত্ৰীক অকল শিক্ষাৰে শিক্ষিত কৰিলে নহ'ব, সকলো দিশতে উপযুক্ত কৰিব লাগিব। সম্পাদক তথা বিদ্যালয়খনৰ প্ৰধান শিক্ষক অৰূপজ্যোতি ভৰালীয়ে আদৰণী ভাষণ দি বিদ্যালয়খনৰ শতবৰ্ষ অনুষ্ঠানটোৰ লগত জড়িত সকলোকে ধন্যবাদ জনায়। সভাত স্থানীয় বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে কয় শিক্ষা হ'ল জাতিৰ শিপা। ইয়াত কেতিয়াও ঘুণে ধৰিবলৈ দিব নোৱাৰি। ইয়াত ঘুণে ধৰিলে সমাজতো ঘুণে ধৰিব। গতিকে, এই শিপা আমি ভালদৰে অতি যত্নেৰে সবল কৰি ৰাখিব লাগিব। শিক্ষা হ'ল জাতিৰ মেৰুদণ্ড। শিক্ষাৰ উন্নত অবিহনে জাতি কেতিয়াও উন্নত হ'ব নোৱাৰে। সামাজিক মূল্যবোধ থকা শিক্ষাইহে প্ৰকৃত শিক্ষা বুলি কয়। সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি শৰাইঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণি শৰ্মাই ১০০ বছৰ সম্পূৰ্ণ কৰা বিদ্যালয়খনে বহুত গৰিমা অৰ্জন কৰিছে বুলি উল্লেখ কৰি ১০০ বছৰীয়া ইতিহাস আজি সজীৱ হৈছে আৰু স্মৃতিয়ে মানুহক জীয়াই ৰখাৰ প্ৰেৰণা যোগায় বুলি মন্তব্য কৰে। তেওঁ পুনৰ কয়- আজিৰ অসমীয়াই পাশ্চাত্য সংস্কৃতিক আদৰণি জনাইছে। কিন্তু কৰ্মসংস্কৃতিক আদৰণি জনাব পৰা নাই। পৃথিৱীখন বহুত আগবাঢ়ি গৈছে। আমি কিন্তু আগবাঢ়িব পৰা নাই। আৰাম বিচাৰিলে জীৱনত মানুহৰ একো নহ'ব। ব্যস্ত মানুহে জীৱনৰ সকলো কৰিব পাৰে। এগৰাকী মাতৃয়ে সন্তানৰ বাবে সৰ্বস্ব ত্যাগ কৰিব পাৰে। মাক-দেউতাকৰ কথা শুনা ল'ৰা-ছোৱালীয়ে জীৱনৰ লক্ষ্যত উপনীত হ'ব পাৰে। মাক-দেউতাক সম্মান জনাব নজনা ল'ৰা-ছোৱালীৰ শিক্ষাৰ মূল্য নাই। মাতৃ শব্দৰ অৰ্থ ভাবিব নোৱাৰা। ল'ৰা-ছোৱালীক নিজৰ ইচ্ছা অনুযায়ী শিক্ষাত মনোনিৱেশ কৰিবলৈ দিব লাগে। নহ'লে বিপথে পৰিচালিত হোৱাৰ সম্ভাৱনা থাকে। বিদ্যালযত শিক্ষক-শিক্ষয়িত্ৰীসকলে ছাত্ৰ-ছাত্ৰীক ভুলকৈ শিকাব নালাগে। কাৰণ, শিক্ষকৰ এটা ভুলে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ অন্ধকাৰ কৰিব পাৰে। ঘৰুৱা সমস্যা থাকিলে সেইদিনা স্কুললৈ আহিব নালাগে বুলিও তেওঁ শিক্ষক-শিক্ষয়িত্ৰীসকলক আহ্বান জনায়। সভাত অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক উপেন্দ্ৰজিৎ শৰ্মাই কয়- 'প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাই প্ৰকৃত শিক্ষা। ইয়াত জীৱনৰ আদিপাঠ শিকোৱা হয়। মাধ্যমক জাতীয়তাবাদী চিন্তাৰে জীয়াই ৰাখিব নোৱাৰিব। সৰুৰ পৰা মাতৃভাষাৰ প্ৰতি আগ্ৰহী কৰিব লাগিব।

# অনলাইন শ্বপিঙৰ প্ৰভাৱ ঃ নগাঁৱত পূজাৰ বতৰত গ্ৰাহকৰ অভাৱত বিপাঙত ক্ষুদ্ৰ বস্ত্ৰ ব্যৱসায়ী

**জয়ন্ত মুদৈ, নগাঁও ঃ** এতিয়া পূজাৰ বতৰ। শাৰদীয় দুৰ্গোৎসৱ নিচেই সমাগত। কেউফালে এক উৎসৱমুখৰ পৰিৱেশ। মা দুৰ্গাক আদৰিবলৈ এতিয়া সকলো সাজু হৈছে। দুৰ্গা পূজা অনুষ্ঠিত কৰা আয়োজক সমিতিবোৰৰ মাজত সীমাহীন ব্যস্ততা। সজাই-পৰাই সাজু কৰি তোলা হৈছে দুৰ্গা পূজাৰ মণ্ডপ সমূহ। আনকি মণ্ডপ নিৰ্মাণৰ নামত এখনৰ পাছত আন এখন দুৰ্গা পূজাৰ মণ্ডপৰ মাজত যেন এতিয়া চলিছে অঘোষিত প্ৰতিযোগিতা। সেইদৰে পূজা আগমণৰ হেতু ব্যৱসায়ীসকলেও দোকান-পোহাৰ বিভিন্ন সামগ্ৰীৰে উপচাই পেলাইছে। গ্ৰাহকক আকৰ্ষণ কৰাৰ নিমিত্তে আটকধুনীয়াকৈ সজাই-পৰাই তোলা হৈছে সৰু-বৰ সকলো ব্যৱসায় প্ৰতিষ্ঠান। ইয়াৰ ব্যতিক্ৰম নহয় নগাঁও জিলাও। জিলাখনৰ সৰ্বত্ৰে এতিয়া পূজাকেন্দ্ৰিক আনন্দময় পৰিৱেশ। অৱশ্যে অত্যাৱশ্যকীয় সামগ্ৰীৰ গগণচুম্বী দামবৃদ্ধিয়ে মানুহৰ মনবোৰ সেমেকাই তুলিলেও সকলোয়ে দুৰ্গোৎসৱৰ আনন্দ উপভোগ কৰাৰ বাবে নিজকে সাজু কৰিছে। পিছে এনে পূজাৰ বতৰত নগাঁওৰ ক্ষুদ্ৰ বস্ত্ৰ ব্যৱসায়ীসকল বৃহৎ লোকচানৰ সন্মুখিন হোৱাৰ আশংকাত চিন্তিত হৈহে পৰিছে। কিয়নো, সাধাৰণতে বিহু, ঈদ আদিৰ দৰে দুৰ্গোৎসৱৰ বতৰত সকলোয়েই এসাজ নতুন কাপোৰ ক্ৰয়ৰ বাবে হাবিয়াস কৰে আৰু সেয়ে এই সময়ছোৱাত বস্ত্ৰৰ বিপণীবোৰত গ্ৰাহকৰ যথেষ্ট ভিৰ হয়। কিন্তু এইবাৰ দুৰ্গোৎসৱলৈ মাজতে কেইটামান মুহূৰ্তহে থকা অৱস্থাত তেনে পৰিৱেশ সৃষ্টি হোৱা নাই ক্ষুদ্ৰ ক্ষুদ্ৰ বস্ত্ৰৰ বিপণীবোৰত। যাৰ ফলত এই ব্যৱসায়ীসকল বৃহৎ লোকচানৰ সন্মুখীন হোৱাৰ শংকাত ভুগিছে। আচলতে ক্ৰমাৎ অভাৱনীয়ভাৱে গাঁৱে-ভূঞে বৃদ্ধি পোৱা অনলাইন শ্বপিং ব্যৱস্থাই এনে হোৱাৰ অন্যতম কাৰণ বুলি জানিবলৈ দিছে নগাঁওৰ ক্ষুদ্ৰ কাপোৰ ব্যৱসায়ী তথা দোকানৰ মালিকসকলে। তেওঁলোকৰ মতে, অনলাইন শ্বপিং মাৰ্কেটে বজাৰ দখল কৰাত তীব্ৰ ভাবুকি আনিছে। কাৰণ প্ৰায় সংখ্যক গ্ৰাহকে আজিকালি অনলাইন যোগে বজাৰ কৰাতহে অধিক গুৰুত্ব আৰোপ কৰিবলৈ ধৰিছে। সেয়ে বৰ্তমান সময়ত অনলাইন শ্বপিঙে সকলোতে শিপাই পেলোৱাত দুৰ্গোৎসৱৰ প্ৰাক্ক্ষণত এনেদৰে ক্ষুদ্ৰ ব্যৱসায় প্ৰতিষ্ঠানসমূহত গ্ৰাহকৰ ভিৰ যথেষ্ট সেৰেঙা হোৱাত বিপদত পৰিছে এইসকল ক্ষুদ্ৰ ব্যৱসায়ী। আনকি পূজাৰ প্ৰাক মুহূৰ্তত ক্ষুদ্ৰ বস্ত্ৰ ব্যৱসায় প্ৰতিষ্ঠানসমূহত গ্ৰাহকৰ অভাৱত বিক্ৰী হ্ৰাস পোৱাত এইসকল ব্যৱসায়ীয়ে কিংকৰ্তব্যবিমূঢ়ত পৰিবলগীয়া হৈছে।




# ৰিংকু বৰুৱাৰ 'মই মাথোঁ এপাহ তলসৰা শেৱালি' শীৰ্ষক কাব্যগ্ৰন্থখন উন্মোচন



**বিতোপন গগৈ, শিমলুগুৰি ঃ** উন্মোচনী অনুষ্ঠানত অসম সাহিত্য সভাৰ মাননীয় সভাপতি ড° বসন্ত কুমাৰ গোস্বামী আৰু মাননীয় উপ-সভাপতি শ্ৰী পদুম ৰাজখোৱাই কবি ৰিংকু বৰুৱাৰ প্ৰথম কবিতাপুথি 'মই মাথোঁ এপাহ তলসৰা শেৱালি' উন্মোচন কৰে। কাব্যগ্ৰন্থখনৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে দিছপুৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ড° সঞ্জীৱ কুমাৰ শৰ্মাই। ৰিংকু বৰুৱা অসম সাহিত্য সভাৰ নিষ্ঠাৱান কৰ্মী, লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক আৰু এগৰাকী সমাজসেৱক। লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সভাপতি শ্ৰী সঞ্জীৱ উপাধ্যায়ৰ পৌৰোহিত্যত অনুষ্ঠিত উন্মোচনী অনুষ্ঠানত বিশেষভাৱে উপস্থিত থাকে লক্ষীমপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক শ্ৰীযুতা স্বপ্না চেতিয়া গগৈ, শংকৰদেৱ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সোণাৰাম কলিতা, লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সম্পাদক শ্ৰীসঞ্জীৱ বৰা, নগাঁও জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক শ্ৰী নিত্যানন্দ বৰা, মাতৃভাষা প্ৰয়োগ উপ-সমিতিৰ উপ-সভাপতি শ্ৰীঅনংগ নাথ আৰু বিশ্বনাথ জিলা সাহিত্য সভাৰ সভাপতি শ্ৰী মহেন্দ্ৰ গগৈ। গুণ ভূঞা, আব্দুল বাছিৰ আদি লক্ষীমপুৰ জিলা সাহিত্য সভাৰ বিষয়ববীয়া, গোলাপ হাজৰিকা, বিতোপন গগৈ, নিতুল বৰা আদি বিভিন্ন শাখাৰ বিষয়ববীয়া তথা সাহিত্যানুৰাগী ৰাইজ উপস্থিত থকা সভাত মাননীয় সভাপতি আৰু মাননীয় উপ-সভাপতিয়ে বক্তৃতা প্ৰদান কৰে। বন্তি প্ৰজ্বলন কৰে ৰিংকু বৰুৱাৰ মাতৃ শ্ৰীযুতা ফুলেশ্বৰী বৰুৱাই। গীত পৰিৱেশন কৰে শ্ৰী নিতুল বৰাই আৰু কবিতা পাঠ কৰে পাঞ্চু বৰুৱা, মনশ্ৰী বৰুৱা, ৰিংকি মণি বৰুৱাকে ধৰি কেবাগৰাকী শিশুৱে। অনুষ্ঠানটি আঁত ধৰে লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সম্পাদক শ্ৰী প্ৰবীণ হাজৰিকাই।



# দেশৰ হকে আৰু অপশক্তিৰ বিৰুদ্ধে ভাৰতীয় জনতা পাৰ্টিৰ উদ্যোগত বিশাল জনজাগৰণ সমদলত হেজাৰ হেজাৰ ৰাইজে স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ




**ৰমেন ভৰালী, বংশৰ ঃ** গুৱাহাটীৰ খানাপাৰাত ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ উদ্যোগত দেশৰ হকে আৰু অপশক্তিৰ বিৰুদ্ধে বিশাল জনজাগৰণ সমদলত হেজাৰ হেজাৰ ৰাইজে স্বতঃস্ফূৰ্তভাৱে যোৱা ১৪ অক্টোবৰত অংশগ্ৰহণ কৰে। ভাৰতীয় জনতা পাৰ্টি, কামৰূপ জিলাৰ উদ্যোগত আয়োজিত জন জাগৰণ সমদলত কেইবা সহস্ৰাধিক পৰম শ্ৰদ্ধাৰ ৰাইজে অংশগ্ৰহণ কৰি বুজাই দিলে যে কোনো ৰাষ্ট্ৰবিৰোধী অপশক্তিয়ে আমাৰ দেশত অৰাজকতা সৃষ্টি কৰিব নোৱাৰে। আজিৰ জনাকীৰ্ণ ছবিয়ে প্ৰমাণ কৰিছে দেশৰ শান্তি আৰু বিকাশৰ স্বাৰ্থত দেশৰ জনগণ সদায়েই ঐক্যবদ্ধ। এই সমদলত ভাৰতীয় জনতা পাৰ্টিৰ অসম ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, মন্ত্ৰী অজন্তা নেওগ, কামৰূপ জিলাৰ সকলো বিধায়ক, ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাৰ অসম ৰাজ্যিক সাধাৰণ সম্পাদক ৰঞ্জিত কুমাৰ ভট্টাচাৰ্য আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীৰ নেতৃত্বত যোৱা বিশাল সমদলত মন্ত্ৰী, বিধায়কসকলে অংশগ্ৰহণ কৰাৰ লগতে দেশৰ ঐক্য, শান্তি আৰু সুৰক্ষাৰ স্বাৰ্থত জনজাগৰণৰ এই যাত্ৰাত ৰাইজৰ সৈতে একেলগে দলৰ জ্যেষ্ঠ নেতৃবৃন্দ আৰু কাৰ্যকৰ্তাসকল উপস্থিত থাকে।

# কাতিৰ বিহুৰ পৰম্পৰাৰে তুলসী জোপা

■ **যমুনা দুলু বৈশ্য,** শুৱালকুছি

তুলসীৰ তলে তলে
মৃগ পহু চৰে তাকে দেখি
ৰাম চন্দ্ৰই ধেনু শৰ ধৰে।

কাতি বিহু অসমৰ জাতীয় উৎসৱ বিহুৰ পৰম্পৰাগতে পালন কৰা হয়। চোতালত কলগছ পুতি তলত তুলসীৰ থাপনাত চাকি জ্বলোৱা হয়। আহিনৰ সংক্ৰান্তিৰ দিনা এই বিহু পালন কৰা হয়। কাতি মাহত ভঁৰাল উদং হয় বাবে এই মাহত অভাৱ অনাটন থাকে সেয়েহে কাতি বিহুক কঙালী বুলি কোৱা হয়।

অসমীয়াৰ প্ৰতিঘৰ মানুহে এই বিহুত কৃষকসকলে খেতি পথাৰত আকাশ বন্তি জ্বলোৱাৰ লগতে ধাননি পথাৰত সোণগুটি সুৰক্ষিত কৰে। খেতি পথাৰত চিনা-অচিনা পোকে আহি যাতে খেতিডৰা নষ্ট কৰিব নোৱাৰে তাৰ কাৰণে ঈশ্বৰৰ ওচৰত আৰাধনা কৰি এই কাতি বিহুৰ দিনাৰ পৰা সমগ্ৰ মাহটোতে চাকি জ্বলোৱাৰ লগতে আকাশ বন্তি ও জ্বলাই। লোক বিশ্বাস অনুসৰী এই সময়ত ভগৱান বিষ্ণু দীৰ্ঘ নিদ্ৰাৰ পৰা সাৰ পায় সেয়েহে এই মাহত ভগৱান বিষ্ণু আৰু লক্ষ্মী দেৱীক পূজা কৰিলে বিশেষ ফল লাভ কৰিব পাৰি। হিন্দু ধৰ্মত এই মাহক পৱিত্ৰ আৰু ধৰ্মৰ মাহ বুলি ধৰা হয়।

অসমৰ প্ৰায় ৭০ শতাংশ কৃষিৰ লগত জড়িত। এই কৃষিজীৱিসকলে শালিধান খেতি কৰে। লগতে সৰিয়হ, বেঙেনা, শাক-পাচলিৰে পথাৰত ৰোপণ কৰে। কিন্তু খৰাং আৰু বানপানীৰ বাবে কষ্ট কৰা খেতিবোৰত পোক পতংগ পৰি কৃষকসকলে প্ৰচুৰ শস্য পোৱাত ব্যাঘাত জন্মে। কাতিবিহুৰ সময়ত অভাৱ অনাটনেও দেখা দিয়াৰ ফলত সেইবাবে নাটনি হয় সংসাৰ চলাবলৈ। সেই সময়ত ভৰাঁলো উদং হৈ পৰে, অৰ্থাৎ কঙাল সদৃশ পৰিস্থিতিয়ে কিছু কষ্ট খাব লগা হয়। আকৌ জনজীৱনত শাওণ মাহৰ শইচ লাহে লাহে শালিধানে ধানৰ গেৰ ধৰে। আঘোণ মাহত লখিমীক আদৰি আনে ভৰাঁল ঘৰলৈ। এনেকৈ অসমীয়া সংস্কৃতিৰ পৰম্পৰা বছৰে বছৰে পালন কৰা হয়।

**কৃষিৰ প্ৰতিপালন বা পোষণ উৎসৱ ঃ আমাৰ কঙালী বা কাতি বিহুটো**

তুলসীৰ তলে মৃগ পহু চৰে
তাকে দেখি ৰামচন্দ্ৰই শৰ ধনু ধৰে।

এয়া তাহানিৰ মানে আমি প্ৰাইমেৰী আৰু হাইস্কুলত পঢ়ি থকা মানে ৫-৬ বছৰৰ পৰা ১৩-১৪ বছৰেকলৈকে সেই সময়ত কাতি বিহুৰ দিনা সন্ধ্যা তুলসীৰ তলত চাকি-বন্তি জ্বলাই সকলোৱে হাত চাপৰি বজাই বজাই ওপৰৰ গীত ফাঁকি গাই মাহ -প্ৰসাদ খোৱাৰ কথালৈ মনত পৰি স্মৃতিকাতৰ হৈ পৰোঁ। সেয়া আমাৰ দিনৰ বুলিয়েই নহয় অসমত আগৰে পৰা ই এক পালনীয় পৰম্পৰা লোক-সংস্কৃতি, লোক-উৎসৱ। এই একে সময়তে লক্ষ্মী-পূজা, পোহৰৰ উৎসৱ দেৱালী বা দীপান্বিতা আদি উৎসৱবোৰ পালন কৰা হয়। সেই উৎসৱবোৰত আমাৰ যে কি আনন্দ, কি স্ফূৰ্তি আৰু তাকে লৈ আমাৰ কি যে ব্যস্ততা।

কাতি বিহু আৰু লক্ষ্মী পূজাৰ লগত চাকি-বন্তিৰ লগতে তুলসীৰ এক এৰাব নোৱাৰা ওতঃপ্ৰোত সম্পৰ্ক। চোতালৰ আগত এচুকত তুলসী ৰুই ভেটি বান্ধি ভালদৰে মুচি-কাচি পৰিষ্কাৰ কৰি সন্ধ্যা হোৱাৰ লগে লগে তুলসীৰ তল, বাৰী - ঘৰ, ভঁৰাল, ধাননি পথাৰ আদিত চাকি-বন্তি জ্বলাই চাৰিওফালে আলোকিত কৰি তোলে। তুলসীৰ তলত মাহ-প্ৰসাদ দি গাঁৱৰ চুবুৰীয়ে চুবুৰীয়ে চেমনীয়াহঁতে সীমাহীন আনন্দত উটি-ভাঁহি মচগুল হয়। কাতি বিহু, তুলসী আৰু মৃগ পহু দেখি ৰামচন্দ্ৰই শৰ-ধনু লোৱা কাৰ্যৰ লগত এক পৌৰাণিক কাহিনী জড়িত। এই কাতি মাহতে এই তুলসীৰ তলতে বোলে মাৰীচে মৃগৰূপ লৈ সীতাক ছলনা কৰিছিল।

কাতিমাহ, শৰতৰ পাছতে হেমন্তৰ আগমণ। চৌদিশ নিয়ৰ-কুঁৱলীৰে আচ্ছাদিত স্নিগ্ধ সমাহিত পৰিৱেশ। মুক্ত ফৰকাল আকাশ। বগলী পাখি যেন মেঘৰ লুকা - ভাকু, অহা-যোৱা। চাৰিওফালে বিস্তীৰ্ণ সেউজীয়া ধাননি পথাৰ। কোনোবা ডৰা গেঁৰ ধৰিছে নহয় ফুলৰি হৈছে। সেই সময়ত কোমল ধাননি পথাৰ পোক-পৰুৱাৰ আক্ৰমণৰ ভয়। এই পোক-পৰুৱা নিবাৰণৰ কাৰণে খেতিয়কে ধাননি পথাৰত জুই আদি জ্বলোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। কালক্ৰমত সিয়েই বোধহয় চাকি-বন্তিৰ প্ৰচলনেৰে এক ধৰ্মীয় ভাবৰ পোহৰৰ উৎসৱলৈ পৰিণত হয়। ইয়েই কাতিবিহু - কৃষি ভিত্তিক এক উৎসৱ , কৃষিৰ প্ৰতিপালন বা কৃষিৰ পোষণ উৎসৱ। কথা এটা আছে - 'আহিনে-কাতিয়ে ৰাখিবা পানী যেনে ৰাখে ৰজাই ৰাণী।' সেয়ে কাতি বিহুত সকলোৱে ধাননি পথাৰলৈ গৈ ধাননি ডৰা কেনে হৈছে এপাক মাৰি চাই অহাতো নিয়ম কৰি লয়। ইয়াৰ বাবেই এই কাতি মাহত এতিয়াও অসমৰ বহু ঠাইত গোটেই কাতিমাহ জুৰি আকাশ বন্তি জ্বলোৱাৰ ব্যৱস্থা চলি আহিছে। অৱশ্যে অসমীয়াৰ আন বিহুৰ কেইটাৰ দৰে এই কাতি বিহুত পিঠা-পনা, খোৱা-বোৱাৰ বিশেষ আয়োজন নহয়। ইফালে এই কাতি মাহটোত বিভিন্ন কাৰণত মানুহ অভাৱ- অনাটনৰ সন্মুখীন হয়। সেয়ে এই বিহুক কঙালী বিহু বুলিও কোৱা হয়।

কাতি বিহুৰ লগত আকৌ তুলসীৰ সম্পৰ্ক। তুলসী এক ঔষধি গুণ সম্পন্ন গুল্ম জাতীয় উদ্ভিদ। এই তুলসীৰ লগত ভগৱান বিষ্ণু আৰু ৰামচন্দ্ৰৰ কাহিনী জড়িত। তুলসী এক পৱিত্ৰ উদ্ভিদ। তুলসী পাতৰ ৰস কাহ-জ্বৰ-ছালৰ বেমাৰ, কটা ঘা, পেটৰ অসুখত মহৌষধি। আকৌ তুলসীৰ বজ্ৰপাত প্ৰতিৰোধী ক্ষমতা আছে বুলি এক জনবিশ্বাস আছে। এই তুলসী পৱিত্ৰ -ঔষধি উদ্ভিদ পূজা-পাতলত নহ'লেই নহয়। তুলসীৰ দৰে বেলো এবিধ বিভিন্ন ঔষধি গুণসম্পন্ন উদ্ভিদ। তুলসী সুগন্ধি, ই দুৰ্গন্ধ দূৰ কৰে। বেলপাত শুঙিলে মূৰ ঘূৰণি বা মূৰ কামোৰণি নহয়। সেয়ে পূজাৰী বা ভকতসকলে টিকনি বা কাণত তুলসী আৰু বেলপাত ধাৰণ কৰে। জনালোকে দূৰলৈ গ'লে বেলপাত দুটামান লগত লৈ যায়।

গতিকে সেই ফালৰ পৰা কাতি বিহুটোক ঔষধি গছপুলি ৰোপণ আৰু কৃষি প্ৰতিপালন বা পোষণৰ এক কৃষিভিত্তিক জাতীয় উৎসৱ বুলিব পাৰি। ইয়ো কাতিবিহুৰ আন এক তাৎপৰ্য।




# অসম বৈদিক সমাজৰ উদ্যোগত দুদিনীয়াকৈ 'দুৰ্গাপূজা পুৰোহিতৰ কৰ্মশালা আৰু সম্বৰ্ধনা' অনুষ্ঠান



**ৰমেন ভৰালী, বংশৰ ঃ** ভাৰতীয় সভ্যতাৰ মাধ্যম বেদ। বেদ অবিহনে ভাৰতীয় সংস্কৃতি শূন্য। বেদৰ জৰিয়তেহে ধৰ্ম প্ৰতিষ্ঠা হয়। 'অসম বৈদিক সমাজৰ' উদ্যোগত আৰু অসম বেদ বিদ্যালয়ৰ সহযোগত যোৱা ৭ অক্টোবৰৰ পৰা অনুষ্ঠিত হোৱা দুদিনীয়াকৈ 'দুৰ্গাপূজা পুৰোহিতৰ কৰ্মশালা আৰু সম্বৰ্ধনা' সভাৰ মুখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰি এই মন্তব্য প্ৰকাশ কৰে অসমৰ এগৰাকী বিশিষ্ট সংস্কৃত পণ্ডিত, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ৰাজেন্দ্ৰ নাথ শৰ্মাই। এনেকুৱা সময়োপযোগী আৰু বিশেষ প্ৰয়োজনীয় কৰ্মশালা আয়োজনৰ বাবে অসম বৈদিক সমাজক ধন্যবাদ দি তেওঁ পুৰোহিত সমাজক বিষয় সম্পৰ্কত থকা সন্দেহ দূৰ কৰি জ্ঞানপুষ্ট কৰি তুলিবলৈ আহ্বান জনায়। অসম বেদ বিদ্যালয়ৰ বেদ ভৱনত অসম বৈদিক সমাজৰ সভাপতি ধীৰেন্দ্ৰ চন্দ্ৰ শৰ্মাৰ সভাপতিত্বত যোৱা ৭ অক্টোবৰৰ পুৱা ১০-৩০ বজাত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰি উদ্বোধনী ভাষণ দিয়ে অসম চৰকাৰী সংস্কৃত মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডক্টৰ নৃপেন্দ্ৰনাথ শৰ্মা আৰু বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰী অধ্যাপক ড° নলিনী দেৱী মিশ্ৰই। উল্লেখ্য যে উদ্বোধনী সভাতে কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়লৈ শিক্ষকতা জীৱনত অধ্যাপক স্বামীৰ সৈতে সাচি ৰখা এক কোটি ধন সংস্কৃত শিক্ষাৰ নিমিত্তেই দান দিয়া কটন কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা অসম বৈদিক সমাজৰ কাৰ্যনিৰ্বাহক সদস্য, প্ৰখ্যাত সংস্কৃত পণ্ডিত ড° নন্দিতা ভট্টাচাৰ্য্য গোস্বামীক অংগবস্ত্ৰ, গ্ৰন্থ আৰু মানপত্ৰ একোখনেৰে সম্বৰ্দ্ধনা জনোৱা হয়। উদ্বোধনী সভাৰ পাছতে বৈদিক দুৰ্গাপূজা বিধি, বিধিপাঠ, চণ্ডীপাঠৰ বিষয়ত প্ৰথমদিনা ৩ টা আৰু দ্বিতীয় দিনা ২ টা মুঠ ৫ টা আলোচনা সত্ৰত বিস্তাৰিত আলোচনাৰে প্ৰশিক্ষাৰ্থী সকলক প্ৰশিক্ষণ দিয়া হয়। দুদিনীয়া কৰ্মশালাৰ আলোচনাত সমল ব্যক্তিৰূপে নিৰ্দিষ্ট বিষয়ত প্ৰশিক্ষণ দিয়ে কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ বেদাধ্যয়ন বিভাগৰ সহকাৰী অধ্যাপক মহেশ চিদম্বৰ ভাট, নলবাৰী সংস্কৃত মহাবিদ্যালয়ৰ আচাৰ্য ডক্টৰ জয়ন্ত শৰ্মা আৰু শৰাইঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ডক্টৰ মণি শৰ্মা শাস্ত্ৰীয়ে।



# শৰতৰ মনোমোহা পৰিৱেশত মা দুৰ্গাৰ আগমণ

■ **অনামিকা (সংগীতা) কলিতা,** শুৱালকুছি

**ছ**টি ঋতুৰ অন্যতম শৰৎ। প্ৰকৃতিৰ অনবদ্য ৰূপত ধৰালৈ সিঁচি দিয়ে দুহাত ভৰাই। শুকুলা মেঘৰ মনোৰম জোনাক নিশা মন মতলীয়া কৰে। দুবৰিয়ে মুকুতা পিন্ধে। টোপ টোপ নিয়ঁৰ সৰে শেৱালি সুবাসত।

দুবৰিৰ পদূলি গছকি শৰৎ সোমায়। শৰতক আদৰণি জনাবই লাগিব। শৰৎ আহিলে আকাশৰ বুকুত জোনাকৰ ধেমালি হয়। শৰতৰ শেৱালি সুবাসত দুৰ্গা দেৱীৰ ধৰা লৈ আগমণ হয়।

যা দেৱী সৰ্বভূতেষু শক্তি ৰূপেন সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নম:
নৱৰাত্ৰি অৰ্থাৎ দেৱী দুৰ্গাৰ নটা ৰূপ হ'ল-

শৈলপুত্ৰী, ব্ৰহ্মচাৰিণী, চন্দ্ৰঘন্টা, কুষ্মাণ্ডা, স্কন্দমাতা, কাত্যায়নী, কালৰাত্ৰি, মহাগৌৰী, সিদ্ধিদাত্ৰী।

প্ৰভু শ্ৰীৰাম চন্দ্ৰই ৰাৱণক বধ কৰাৰ নিমিত্তে দেৱী দুৰ্গাক শাৰদীয় শৰত ঋতুত পূজা ভাগ আয়োজন কৰিছিল বুলি ধৰ্ম গ্ৰন্থত লিখা আছে। সেই নিয়মমতে শৰত কালতে অনুষ্ঠিত হয়। শাৰদীয় শৰতৰ আৰু শেৱালি ফুল এক নিবিড় সম্পৰ্ক আছে। সেই কাৰণে শেৱালি ফুল দুৰ্গা পূজাত ব্যৱহাৰ হয়। মোৰ কবিতা এটি দেৱী মা চৰণত আগবঢ়ালোঁ।

মাঁ দুৰ্গা ধৰালৈ
তোমাৰ আগমণ।
আভূষণ বস্ত্ৰৰে সু-সজ্জিত হৈ
পূজাৰ বেদিত পৰিপূৰ্ণ হোৱা।
চাকি-বন্তি ধূপ -ধূণাৰ
উৰুলি শঙ্খ ধ্বনি মাজত
ভক্তসকলে তোমাৰ আশীৰ্বাদ বিচাৰি আহে
মনৰ অভিলাষ পূৰণৰ আশাত।
দুৰ্গতিনাশিনী তুমি দশ ভূজা
অপায়-অমঙ্গল নাশ কৰা মা।

শৰৎ অহাৰ উলাহতে প্ৰাণ পাই উঠে মৃৎ শিল্পী, হাতত তুলি লয় তুলিকা প্ৰাণ পাই উঠে মৃন্ময়া প্ৰতিমা। কোমল শেৱালি জোনাক নিশা শিল্পীৰ হাতৰ পৰশত দুৰ্গা, লক্ষ্মী, মা কালী অনেক দেৱ-দেৱীৰ প্ৰতিমাৰ সৃষ্টি। শিল্পীৰ হাতত অহৰহ চলি থাকে তুলিকা। ভাগৰৰ কথা নাই দুখ নাই।

পূজা মানেই উৎসৱৰ মেলা- ফুলজাৰী, আতচবাজী, পোছাকৰ পয়োভৰ। পুতলা, পিষ্টল ইত্যাদি।

হাঁহি-ধেমালি শিশুসকলৰ, জিলাপী আৰু বুন্দীয়াৰ লাড়ু চৌপাশে কেৱল মিঠা মিঠা হাঁহি আনন্দৰ মেলা।

শৰৎ যিদৰে আহে এদিন গুচিও যায়।

শৰতৰ সময়ত চেওঁ তুলি নাচি থকা কঁহুৱাবোৰ চাবলৈ আমি নদীৰ ঘাটলৈ ফুৰিব যোৱা মনত পৰে। দুৰ্গা পূজাৰ বতৰা আমি কি পিন্ধিম কেনেকৈ পূজা চাবলৈ যাম, সেইবোৰ আলোচনা কৰি আমাৰ চোতালত উমলিছিলো। শৈশৱৰ আহঃ কি যে সুন্দৰ দিন আছিল, সেইবোৰ এক নষ্টালজিয়া। পদধ্বনি জগাই প্ৰকৃতিক 'শৰৎ' ঋতুৱে এক আনন্দৰ বতৰা পূজাৰ মনোৰম প্ৰাকৃতিক পৰিৱেশ আমাৰ এক হৃদয়ৰ আৱেগ জড়িত হৈ থাকে।

**ম'বাইল ঃ** ৭০০২৯-৪২৫৯১

# দুৰ্গা পূজা উপলক্ষে ডুগডুগীৰ বিশেষ ৰেহাই

**লক্ষ্যজ্যোতি বৰা ঃ** প্ৰত্যেক বছৰৰ দৰে শাৰদীয় দুৰ্গা পূজাত এইবেলিও অসমৰ সবাতোকৈ জনপ্ৰিয় অসমীয়া গহণাৰ প্ৰতিষ্ঠান ডুগডুগীয়ে গ্ৰাহকলৈ আগবঢ়াইছে মেগা অফাৰ। ডুগডুগীৰ স্বত্বাধিকাৰ তথা ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় কেইবাটাও বঁটাপ্ৰাপক জনপ্ৰিয় জুৱেলাৰী ডিজাইনাৰ উৎপল বণিয়াই জানিবলৈ দিয়া মতে- ডুগডুগীৰ গুৱাহাটী, নগাঁও, তেজপুৰ, লখিমপুৰ, শিৱসাগৰ , ডিব্ৰুগড় আৰু যোৰহাট শাখাত অসমীয়া গহনাৰ প্ৰতিটো ছেটতে গ্ৰাহকক ২০ শতাংশ ৰেহাই দিয়া হ'ব। তদুপৰি ভাৰতবৰ্ষৰ যিকোনো ঠাইতো ২০ শতাংশৰ লগতে অতিৰিক্ত ২ শতাংশ ৰেহাই মূল্যত গহণা লোৱাৰ সুবিধা গ্ৰহণ কৰিব পাৰিব। তদুপৰি লাকী ড্ৰ'ৰ জৰিয়তে ১০ গৰাকী গ্ৰাহকলৈ বিশেষ পুৰষ্কাৰ দিয়া হ'ব। অধিক জানিবৰ বাবে তথা অনলাইনৰ জৰিয়তে সুবিধা ল'বলৈ ৯৯৫৭৯-৯২৬১৫ নম্বৰত যোগাযোগ কৰিব পাৰিব।

# গৌৰীসাগৰ খণ্ড গ্ৰামীণ জীৱিকা অভিযানৰ 'এন পি এ ৰিক'ভাৰি তথা খণ্ড পৰ্যায়ৰ ঋণ মেলা' সম্পন্ন



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** গ্ৰাম্য অৰ্থনীতি অধিক ত্বৰান্বিত কৰাৰ প্ৰকৃত লক্ষ্য আগত ৰাখি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, গৌৰীসাগৰ খণ্ড অভিযান পৰিচালনা শাখাৰ উদ্যোগত ১২ অক্টোবৰত অঞ্জন দত্ত ফাউণ্ডেশ্যনৰ সভাগৃহত এটি 'NPA Recovery তথা খণ্ড পৰ্যায়ৰ ঋণ মেলা' (NPA Recovery- cum- Block level Credit Camp) সফলতাৰে অনুষ্ঠিত হৈ যায়। উল্লেখ্য যে, এই শিবিৰৰ সাফল্যসমূহ হ'ল ক্ৰমে--
১। আত্মসহায়ক গোটৰ (SHG) ঋণ প্ৰদান ঃ মুঠ ৮.৫৫ কোটি টকাৰ ১৫৭ টা গোটৰ ঋণ মঞ্জুৰ। ২। ব্যক্তিগত ঋণ ঃ মুঠ ৮২.৭০ লাখ টকাৰ ৫৮ টা ব্যক্তিগত ঋণ বিতৰণ। ৩। NPA Recovery ঃ মুঠ ২.২৯ লাখ টকা। এই ঋণ মেলাৰ মূল উদ্দেশ্য হৈছে, আত্মসহায়ক গোটসমূহক বেংক সেৱাৰ সৈতে সংযুক্ত কৰা, গ্ৰাম্য মহিলাসকলৰ আৰ্থিক সৱলীকৰণ নিশ্চিত কৰা আৰু গ্ৰাম্য অঞ্চলত জীৱিকাৰ সুযোগ বৃদ্ধি কৰি অৰ্থনৈতিক বিকাশৰ পথ সুগম কৰা। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান (ASRLM), গৌৰীসাগৰ উন্নয়ন খণ্ডৰ এনে পদক্ষেপে গ্ৰাম্য পৰিয়ালসমূহক আৰ্থিকভাৱে স্বাৱলম্বী কৰি তোলাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। উক্ত শিবিৰত মুখ্য অতিথি হিচাপে উপস্থিত থাকে শিৱসাগৰ জিলাৰ জিলা প্ৰকল্প প্ৰৱন্ধক ড° সূৰজ জ্যোতি গগৈ। লগতে উপস্থিত থাকে বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ জিলা কাৰ্য্যবাহী বিশেষজ্ঞা সুস্মিতা কালিন্দী, RSETI, শিৱসাগৰৰ সঞ্চালক জয়ন্ত ফুকন, অসম গ্ৰামীণ বেংকৰ চাৰিং আৰু কোঁৱৰপুৰ শাখাৰ শাখা প্ৰবন্ধকদ্বয় ক্ৰমে ৰত্না বৰবৰা আৰু ময়ূৰী বৰুৱা, ষ্টেট বেংকৰ গৌৰীসাগৰ শাখাৰ শাখা প্ৰৱন্ধক পুনম তাঁতী, পঞ্জাৱ নেচনেল বেংক, গৌৰীসাগৰ আৰু আমগুৰি শাখাৰ শাখা প্ৰবন্ধকদ্বয় ক্ৰমে অবিনাশ গগৈ, টি. অ'ভুং আৰু ঋণ প্ৰৱন্ধক (কৃষি) ৰাজীৱ মিলিৰ লগতে গৌৰীসাগৰ BMMU ৰ সকলো বিষয়াবৃন্দ। আনহাতে, যোৱা ৯ অক্টোবৰত আমগুৰি উন্নয়ন খণ্ডৰ উদ্যোগত এই ঋণ মেলা অনুষ্ঠিত হৈ যায়। উক্ত শিবিৰত ১। আত্মসহায়ক গোটৰ বেংক ঋণ ঃ মুঠ ৬৪টা আত্মসহায়ক গোটৰ বাবে ৩ কোটি ১০ লাখ টকাৰ ঋণ অনুমোদন কৰা হয়। ২। ব্যক্তিগত ঋণ ঃ মুঠ ২৭ টা ব্যক্তিগত ঋণৰ বাবে ৩৫ লাখ টকাৰ ঋণ অনুমোদন কৰা হয়। ৩। গোটৰ সামূহিক বিনিয়োগ পুঁজি (CIF) ঃ মুঠ ২টা গ্ৰাম্য সংগঠনক ৩ লাখ টকা প্ৰদান কৰা হয়। এই অনুষ্ঠানত জিলাৰ শীৰ্ষ বিষয়াসকলৰ লগতে আমগুৰি আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী আশা বন্তি ভদ্ৰা তিৰ্কি, আমগুৰি উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া ৰাতুল গগৈ, শিৱসাগৰ জিলাৰ অগ্ৰণী বেংক প্ৰৱন্ধক জয়দ্বীপ চৌধুৰী, জিলা কাৰিকৰী বিশেষজ্ঞ (নন-ফাৰ্ম) পোষণ পৱন বৰা উপস্থিত থাকে।




# আৰক্ষী প্ৰশাসনৰ উদ্যোগত ঘগ্ৰাপাৰৰ দুই বিদ্যালয়ত ড্ৰাগছ আৰু ছাইবাৰৰ ওপৰত সজাগতা সভা সম্পন্ন



**মমতাজ আহমেদ, ঘগ্ৰাপাৰ ঃ** নলবাৰী জিলাৰ আৰক্ষী প্ৰশাসনৰ উদ্যোগত আৰু ঘগ্ৰাপাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰাণা ভূঞাৰ নেতৃত্বত ঘগ্ৰাপাৰৰ বনভাগ জ্যেষ্ঠ মাধ্যমিক বিদ্যালয় আৰু পি এম শ্ৰী ঘগ্ৰাপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোৱা পৰহি ড্ৰাগছ আৰু ছাইবাৰৰ ওপৰত এক সজাগতা সভা অনুষ্ঠিত কৰা হয়। দিনৰ ১১-৩০ বজাত বনভাগ জ্যেষ্ঠ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত তথা। শিক্ষক ৰোহিণী শৰ্মাই আঁত ধৰা সভা খনত ঘগ্ৰাপাৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰাণা ভূঞাই ড্ৰাগছ আৰু ছাইবাৰৰ ওপৰত বিস্তৃত ব্যাখ্যা আলোকপাত কৰাৰ লগতে ছাত্ৰ-ছাত্ৰী সকল এই মাৰাত্মক ব্যাধিৰ পৰা আঁতৰত থাকিবলৈ আহ্বান জনায়। তদুপৰি ড্ৰাগছ আসক্ত লোকৰ সন্ধান পালে অথবা নিচা যুক্ত দ্ৰব্য সেৱন কৰা লোকৰ বিষয়ে জানিলে আৰক্ষীক অৱগত কৰিবলৈ আহ্বান জনায়। আনহাতে আৰক্ষীক সন্ধান দিওঁতাৰ পৰিচয় গোপনে ৰাখিব বুলিও মত ব্যক্ত কৰে। উক্ত সজাগতা সভাত নলবাৰী জিলা উন্নতি সভাৰ সম্পাদক ৰাতুল চন্দ্ৰ ডেকাই অংশগ্ৰহণ কৰি ড্ৰাগছ আৰু ছাইবাৰৰ ওপৰত প্ৰাসংগিক ভাষণ আগবঢ়ায়। আনহাতে জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়খনৰ শিক্ষক প্ৰাণজিৎ বুজৰবৰুৱাই ভাষণ প্ৰসংগত ড্ৰাগছৰ পৰা হোৱা ক্ষতি আৰু ছাইবাৰৰ পাতি থোৱা জালৰ বিষয়ে বৰ্ণনা কৰে। তদুপৰি বিদ্যালয়খনৰ উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰ ৰাজকুল হকে ড্ৰাগছে পৰিয়াল কেনেকৈ ধ্বংস কৰে তাৰ ওপৰত বিশ্লেষাত্মক ব্যাখ্যা দাঙি ধৰাৰ লগতে সামাজিক মাধ্যমৰ জৰিয়তে ছাইবাৰৰ ঘটনা সমূহ সংঘটিত কৰাৰ বিষয়ে আলোকপাত কৰে। আনহাতে বনভাগ জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত সভাৰ সামৰণি কৰি পি এম শ্ৰী ঘগ্ৰাপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত ড্ৰাগছ আৰু ছাইবাৰৰ সভাগতা সভাখনত শিক্ষক কন্দৰ্প কলিতা আঁত ধৰে। উক্ত সভাত ঘগ্ৰাপাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰাণা ভূঞা, বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ অনিল শৰ্মা আৰু অসম উন্নতি সভাৰ নলবাৰী জিলা সমিতিৰ সম্পাদক ৰাতুল চন্দ্ৰ ডেকাই ড্ৰাগছ আৰু ছাইবাৰৰ ওপৰত বিস্তৃত ব্যাখ্যা আলোকপাত কৰে।



# মাজুলীত যুৱ সাংবাদিক চন্দন শৰ্মালৈ ২০২৬ বৰ্ষৰ ‘নৱজাগৰণ সমাজ সংগঠক সন্মান’ৰ বঁটা প্ৰদান



**নিউজ ডেস্ক, গুৱাহাটী** ঃ সাহিত্য জগতৰ এটি পৰিচিত অনুষ্ঠান ‘নৱজাগৰণ সাহিত্য আৰু সংস্কৃতি মঞ্চ, অসম’ৰ ষষ্ঠ বাৰ্ষিক অধিৱেশনভাগ দেওবাৰে সত্ৰনগৰী মাজুলীৰ বংশী গোপাল নাট্য মন্দিৰ গড়মূৰ সত্ৰৰ পবিত্ৰ মঞ্চত অনুষ্ঠিত কৰে। উক্ত অনুষ্ঠানত শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ যুৱ সাংবাদিক চন্দন শৰ্মাক ২০২৬ বৰ্ষৰ ‘নৱজাগৰণ সমাজ সংগঠক সন্মান’ৰ বঁটা প্ৰদান কৰে। যুৱ সাংবাদিক গৰাকীয়ে অসমীয়া বাতৰি কাকত জাৰ্নেলিষ্ট বাৰ্তা, অসম প্ৰৱাহ, ইংৰাজী বাতৰি কাকত ডা আচাম জ্যোতিৰ লগতে বহুকেইটা ডিজিটেল চেনেলৰ লগত জড়িত হৈ বাতৰিসমূহ প্ৰচাৰ কৰি ৰাইজৰ মাজলৈ এক যোগাত্মক বাৰ্তা দিবলৈ সক্ষম হৈছে। ইয়াৰ উপৰিও তেওঁ শিৱসাগৰৰ বানপীড়িত লোকসকলৰ মাজত গৈয়ো বান সাহায্যও প্ৰদান কৰাৰ লগতে প্ৰকৃতিপ্ৰেমীৰ স্বাৰ্থত বহু অজান পশু-পক্ষীক বিপদৰ পৰা উদ্ধাৰ কৰাৰ উপৰিও মোবাইল ফটোগ্ৰাফীৰে অসম বুক অফ ৰেকৰ্ডচত নিজৰ নাম জিলিকাই বিশেষ চৰ্চা লাভ কৰাৰ বাবে শৰ্মাক এই সন্মান প্ৰদান কৰে।

# ৯৩ বাৰ্ষিক শিৱসাগৰ বাৰোৱাৰী দুৰ্গা পূজা উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলাৰ অন্যতম শিৱসাগৰ বাৰোৱাৰী পূজা সমিতিৰ উদ্যোগত তথা সমূহ ভক্তপ্ৰাণ ৰাইজৰ সহযোগত অহা ১৬ ৰ পৰা ২১ অক্টোবৰলৈ ঐতিহাসিক চহৰৰ কালীপ্ৰসাদ মেমৰিয়েল হল প্ৰাংগণত ৬ দিনীয়াকৈ ৯৩ বাৰ্ষিক দুৰ্গোৎসৱৰ লগতে ১৮ সংখ্যক শৰৎ উৎসৱভাগি অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি চলোৱা হৈছে। উল্লেখ্য যে, মহালয়াৰ পৰা কাৰ্যসূচী পালন কৰি অহা শিৱসাগৰ বাৰোৱাৰী পূজা সমিতিয়ে এইবাৰ নৱ দুৰ্গাৰ আৰ্হিত পেণ্ডেলৰ মূলভাগ তৈয়াৰ কৰাৰ লগতে ড্ৰাগছ আৰু প্ৰাকৃতিক দুৰ্যোগৰ সতৰ্কতাৰ ওপৰতো এক বিশেষ কাৰ্যসূচী হাতত লৈছে। আনহাতে পূজাৰ মাংগলিক কৰ্মৰ উপৰিও ১৮ অক্টোবৰত দিনৰ ১০ বজাৰ পৰা ছাত্ৰ-ছাত্ৰীৰ মাজত ৰজত শৰ্মা বৰুৱাৰ সোঁৱৰণত চিত্ৰাংকণ প্ৰতিযোগিতা, দৈনিক সন্ধিয়া আৰতি প্ৰদৰ্শনৰ লগতে ২০ অক্টোবৰ পুৱা ৯ বজাৰ পৰা দক্ষিণপট সত্ৰৰ মন ৰাজগুৰুৰ দ্বাৰা চণ্ডী পাঠ হ’ব। ইতিমধ্যে পূজাৰ আয়োজন প্ৰায় অন্তিমক্ষণত। উদ্যোক্ত বাৰোৱাৰী পূজা সমিতিয়ে সকলো ৰাইজৰ সহায়-সহযোগিতা একান্তই কামনা কৰিছে।



# কামৰূপ জিলা সাহিত্য সভাৰ ৩৮ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনৰ স্মৃতিগ্ৰন্থৰ বাবে লেখা আহ্বান

**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** কামৰূপ জিলা সাহিত্য সভাৰ ৩৮ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশন কবি ৰামসৰস্বতী সাহিত্য সমাজ পছৰীয়াৰ আতিথ্যত পছৰীয়াৰ শ্ৰীশ্ৰীলক্ষ্মী মন্দিৰ আৰু কুশল কোঁৱৰ হাইস্কুল প্ৰাংগণত তিনিদিনীয়া বৰ্ণিল কাৰ্যসূচীৰে ডিচেম্বৰৰ শেষৰ সপ্তাহত অনুষ্ঠিত কৰিবলৈ মনস্থ কৰা হৈছে। এই দ্বি-বাৰ্ষিক পছৰীয়া অধিৱেশনৰ পূৰ্ব প্ৰস্তুতি আদৰণি সমিতিৰ অধীনত ইতিমধ্যেই আৰম্ভ কৰা হৈছে আৰু স্মৃতিগ্ৰন্থৰ প্ৰাৰম্ভিক প্ৰদক্ষেপ হিচাপে ভিন্ন বিষয়ত লেখা আহ্বান কৰা হৈছে। স্মৃতিগ্ৰন্থৰ সম্পাদক প্ৰদীপ চন্দ্ৰ শৰ্মাই জানিবলৈ দিয়ামতে স্মৃতিগ্ৰন্থত সাহিত্য, সংস্কৃতি, শিক্ষা আৰু কামৰূপ জিলাৰ ইতিহাস আৰু সাম্প্ৰতিক যুৱক যুৱতীৰ সমস্যা ইত্যাদি বিষয়ে কিছু প্ৰাধান্য লাভ কৰিব। এই বিষয়ত কবিতা, গল্প, তথ্যসমৃদ্ধ প্ৰবন্ধ, ভ্ৰমণ কাহিনী, অণুগল্প, ৰস, ব্যংগ ৰচনা অহা নৱেম্বৰ ৩০ ৰ ভিতৰত পঠিয়াবলৈ অনুৰোধ জনোৱা হৈছে। লেখা পঠিওৱাৰ ঠিকনা ঃ সম্পাদক, স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি (কামৰূপ জিলা সাহিত্য সভাৰ ৩৮ সংখ্যক দ্বি-বাৰ্ষিক পছৰীয়া অধিৱেশন), মাৰফৎঃ ৰামসৰস্বতী পুথিভঁৰাল, পছৰীয়া হৰিদেৱটোল। কামৰূপ (অসম), পিন ঃ ৭৮১১০৪। এনভেল্পৰ ওপৰত কামৰূপ জিলা সাহিত্য সভাৰ ৩৮ সংখ্যক দ্বি-বাৰ্ষিক পছৰীয়া অধিৱেশন বুলি উল্লেখ কৰিব লাগিব। লেখা অনলাইন মাধ্যমেৰেও পঠিয়াব পাৰিব। ম’বাইলত টাইপ কৰি অথবা ৰামধেনুৰ গীতাঞ্জলি ফ্ৰন্টত টাইপ কৰি ইমেইল ঠিকনা neelpabansarmah2016@gmail.com/ ridipjyotikalita@gmail.com অথবা ৱাটছআপ নম্বৰ ৬০০১৫৮১৫৭২/ ৭৫৭৭৯৬৮৫৭৬ ত পঠিয়াব পাৰিব। প্ৰকাশৰ বাবে বিবেচিত নোহোৱা লেখাৰ প্ৰতিলিপি উভতাই পঠোৱা নহয় আৰু এই ক্ষেত্ৰত সম্পাদনা সমিতিৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ’ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে।




# বৰজাৰৰিহাটী প্ৰাথমিক বিদ্যালয়ত শিক্ষাগুৰুক বিদায় সম্বৰ্ধনা



**মমতাজ আহমেদ, ঘগ্ৰাপাৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ শিক্ষাখণ্ড অন্তৰ্গত বৰমপুৰ- বৰজাৰৰিহাটী প্ৰাথমিক বিদ্যালয়ত প্ৰায় ৭ বছৰ ধৰি সহকাৰী তথা প্ৰধান শিক্ষক হিচাপে কৰ্মৰত মুন শইকীয়াক আবেলি বিদ্যালয়খনৰ পৰিয়ালবৰ্গই বিদায় সম্বৰ্দ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে বিদ্যালয়খনত কৰ্মৰত হৈ থাকি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক বিদ্যায়তনিক আৰু সহবিদ্যায়তনিক আদি সকলো দিশতে পাৰ্গত কৰি তোলাৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। তদুপৰি বিদ্যালয়খনৰ সহকাৰী শিক্ষক মহাৰ আলীৰ সতে মিলিত হৈ বিদ্যালয়ৰ সকলো নীতি-নিয়ম মানি চলাৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতামূলক অনুষ্ঠানৰ আয়োজন কৰিছিল। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক আৰু বৌদ্ধিক দিশৰ উন্নতি সাধন হৈছিল, যাৰ বাবে গুণোৎসৱত প্ৰতিবাৰে (এ+) পাবলৈ সক্ষম হৈছে। আনহাতে এই গৰাকী প্ৰধান শিক্ষক মুন শইকীয়াৰ বৰমপুৰ - বৰজাৰৰিহাটী প্ৰাথমিক বিদ্যালয়ৰ পৰা অন্য বিদ্যালয়লৈ বদলি হোৱাৰ পৰিপ্ৰেক্ষিতত বিদ্যালয়খনৰ পৰিয়াল বৰ্গই বিদায় সম্বৰ্দ্ধনা জ্ঞাপন কৰে। বিদ্যালয়খনত নতুনকৈ যোগদান কৰা সহকাৰী শিক্ষক বাবুলাল বসুমতাৰীয়ে সভাপতিত্ব কৰা বিদায় সম্বৰ্দ্ধনা সভাখনত শিক্ষক মহাৰ আলীয়ে আঁত ধৰে। সভাখনত চি আৰ চি চি মৃদুল ভৰদ্বাজ, বৰজাৰৰিহাটী নোনাপাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী উপাসনা হালৈ, সহকাৰী শিক্ষয়িত্ৰী জুৰী দেৱীকে ধৰি কেইবাজনে প্ৰাসংগিক ভাষণ ৰাখে। আনহাতে অভিভাৱক - অভিভাৱিকা সকলৰ লগতে গাঁওখনৰ জ্যেষ্ঠ নাগৰিকসকল, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী তথা বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থকা সভাখনত বিদায়ী প্ৰধান শিক্ষক মুন শইকীয়াক ফুলাম গামোচা, ফুলাম জাপি, ফ্ৰেমত বন্ধোৱা স্মৃতিৰ কুঁকি, কলম আদিৰে বিদায় সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলে বিদায়ী শিক্ষাগুৰুক গামোচা, কলম আদিৰে বিদায় সম্বৰ্দ্ধনা জ্ঞাপন কৰে।



# ক্ৰীড়াবিদ, ক্ৰীড়া সংগঠক, কবি, ৰাজনীতিবিদ, অধিবক্তা তপন কুমাৰ শৰ্মাৰ জন্মদিন উদ্‌যাপন

**নগাঁৱৰ বিশেষ প্ৰতিবেদক ঃ** নগাঁৱৰ বিশিষ্ট ক্ৰীড়াবিদ, ক্ৰীড়া সংগঠক, কবি, ৰাজনীতিবিদ, অধিবক্তা তপন কুমাৰ শৰ্মাৰ ৭৮ সংখ্যক জন্মদিনটো ১০ অক্টোবৰৰ নিশা 'চন্দ্ৰজ্যোতি সংঘ'ত উদ্‌যাপন কৰা হয়। এই উপলক্ষে অনুষ্ঠিত হোৱা এক আকৰ্ষণীয় অনুষ্ঠানত তপন কুমাৰ শৰ্মাৰ স্ব-ৰচিত এটি সুন্দৰ গীত 'চোতালত ৰ'দ পোৱাই' আনুষ্ঠানিকভাৱে উন্মোচিত হয়। উক্ত গীতটিৰ সুৰ দীপক শৰ্মাৰ, কণ্ঠ নিপু ভূএগুৰ, সংগীত ব্যৱস্থাপনা আৰু শব্দ মিশ্ৰণ অভিষেক ধৰৰ, তবলা অতুল মহন্ত আৰু প্ৰশান্ত বৰাৰ। জন্মদিনৰ এই বিশেষ অনুষ্ঠানত 'সূৰ্যোদয়', 'চন্দ্ৰজ্যোতি সংঘ' আদি অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ উপৰি সমাজৰ বিভিন্ন ক্ষেত্ৰৰ বহু গণ্য-মান্য লোকে তপন কুমাৰ শৰ্মাক ফুলাম গামোচা, গ্ৰন্থ, ফুলৰ তোৰা আদিৰে ওপজা দিনৰ শুভেচ্ছা জনায়। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত অধ্যক্ষ, সাহিত্যিক ড° শৰৎ বৰকটকী, বিশিষ্ট কবি, জ্যেষ্ঠ চিকিৎসক ডাঃ প্ৰয়াগ শইকীয়া, জ্যেষ্ঠ সাংবাদিক জিতেন বৰকটকী, বিশিষ্ট সমাজসেৱক ৰঞ্জিত কুমাৰ তামুলী ফুকন, নৌচাদ আখতাৰ হাজৰিকা আদিয়ে তপন কুমাৰ শৰ্মালৈ জন্মদিনৰ শুভেচ্ছা জনাই বক্তব্য আগবঢ়ায়। অনুষ্ঠানটি সুমধুৰ গীত পৰিৱেশনেৰে জীপাল কৰি তোলে কণ্ঠশিল্পী ক্ৰমে নিপু ভূএগ, আৰিফুল হক, পংকজ প্ৰীতুষ, কমল লস্কৰ, দীপিকা বৰকটকী, অঞ্জলি কটকী আৰু যোগেশ্বৰ নাথে। কুলেন দাস (নগাঁও ছোৱালী কলেজৰ অধ্যক্ষ কুলেন দাস, ক্ৰীড়া সংগঠক উজ্বল বৰুৱা, সমাজকৰ্মী মৃনাল হাজৰিকা, লেখক অশোকৰাম ভট্টাচাৰ্য, জ্যেষ্ঠ সাংবাদিকদ্বয় কনক হাজৰিকা, জয়ন্ত বৰা, দীপক আহমেদ প্ৰমুখ্যে বহু গণ্য-মান্য লোক উপস্থিত থাকে। অনুষ্ঠানটি সুচাৰুৰূপে আঁত ধৰে পাপু কলিতাই আৰু শলাগৰ শৰাই আগবঢ়ায় সূৰ্যোদয়ৰ সদস্য শান্তনু সভাপণ্ডিতে। অনুষ্ঠানৰ আৰম্ভণিতে তপন কুমাৰ শৰ্মাই সমৱেত সকলোকে উদ্দেশ্যি কৃতজ্ঞতাসূচক বক্তৃতা প্ৰদান কৰে।

# নগাঁৱৰ বেবেজীয়া-জামুগুৰি চাৰিআলিত সাৰ্বজনীন দুৰ্গোৎসৱৰ আয়োজন

**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ বেবেজীয়া আঞ্চলিক সাৰ্বজনীন দুৰ্গোৎসৱ সমিতিৰ উদ্যোগত বেবেজীয়া আঞ্চলিক সাৰ্বজনীন পূজা মন্দিৰত বিগত বৰ্ষবোৰৰ দৰে এইবাৰো অহা ১৫ অক্টোবৰৰ পৰা ৮৩ তম বাৰ্ষিক সাৰ্বজনীন দুৰ্গোৎসৱৰ আয়োজন কৰা হৈছে। সেই অনুসৰি নিতু শৰ্মাক সভাপতি, ৰঞ্জিত শৰ্মাক সম্পাদক তথা ৰিংকু হাজৰিকা আৰু প্ৰাঞ্জল শৰ্মাক সহঃ সম্পাদক হিচাপে লৈ এখনি উদ্‌যাপন সমিতি গঠনেৰে প্ৰস্তুতি চলাই থকা হৈছে। কাৰ্যসূচী অনুসৰি ১৫ অক্টোবৰত পঞ্চমী, ১৬ অক্টোবৰত ষষ্ঠিত দেৱীৰ বোধন, আমন্ত্ৰণ আৰু অধিবাস। ১৭ অক্টোবৰত সপ্তমীত পুৱা জল আৰোহন, দেৱীৰ নৱ পত্ৰিকা প্ৰবেশ আৰু স্থাপনৰ লগতে সপ্তমী বিহিত পূজা আৰু চণ্ডিপাঠ, দুপৰীয়া শৰাই উৎসৰ্গা, পুষ্পাঞ্জলি আৰু নিৰ্মালী প্ৰদান, প্ৰসাদ আৰু ভোগ বিতৰণ আদিৰ লগতে সন্ধিয়া আৰতি পৰিৱেশন কৰা হ'ব। ১৮ অক্টোবৰত দিনৰ ভাগত পূজাৰ আনুষংগিক ৰীতি-নীতিৰ লগতে বিয়লি দুৰ্গা গোঁসানী নাম প্ৰতিযোগিতা, সন্ধিয়া আৰতি আৰু নিশালৈ অৰ্দ্ধৰাত্ৰি পূজা অনুষ্ঠিত হ'ব। ১৯ অক্টোবৰত পুৱা মহাষ্টমী বিহিত পূজা আৰু চণ্ডীপাঠ, সন্ধি পূজা আদিৰ লগতে সন্ধিয়া আৰতী আৰু নিশালৈ আমন্ত্ৰিত শিল্পীৰ দ্বাৰা 'গীতৰ শৰাই' পৰিৱেশিত হ'ব। ২০ অক্টোবৰত পুৱা মহানৱমী বিহিত পূজা আৰু চণ্ডীপাঠ, কুমাৰী পূজা, শৰাই উৎসৰ্গা, হোম, পূৰ্ণাহুতি, নিৰ্মালী, প্ৰসাদ আৰু ভোগ বিতৰণ আদিৰ লগতে সন্ধিয়া আৰতী পৰিৱেশন কৰা হ'ব। সেইদৰে, ২১ অক্টোবৰত পুৱাৰ ভাগত দশমী বিহীত পূজা, দেৱীৰ বিসৰ্জ্জন, অপৰাজিতা পূজা, বলয় ধাৰণ, স্তৱপাঠ, শান্তি, আশীষ প্ৰদান আৰু প্ৰসাদ বিতৰণৰ দ্বাৰা দুৰ্গোৎসৱৰ সামৰণি পেলোৱা হ'ব। তদুপৰি উক্ত পূজা মন্দিৰতে অহা ২৫ অক্টোবৰত শ্ৰী শ্ৰীলক্ষ্মী পূজা আৰু ৮ নৱেম্বৰত শ্ৰী শ্ৰীশ্যামা পূজাও উদ্‌যাপন কৰা হ'ব বুলি উদ্‌যাপন সমিতিৰ সম্পাদক ৰঞ্জিত শৰ্মাই জানিবলৈ দিছে। ইফালে, বেবেজীয়াৰ কিছু নিলগৰ জামুগুৰি চাৰিআলিস্থিত অভয়ানন্দ গোস্বামী ক্ষেত্ৰত ত্ৰি-বিংশতিতম জামুগুৰি আঞ্চলিক সাৰ্বজনীন দুৰ্গা পূজা মহোৎসৱটি অহা ১৬ অক্টোবৰৰ পৰা বিস্তৃত কাৰ্যক্ৰমণিকাৰে উদ্‌যাপনৰ দিহা কৰা হৈছে। এই মৰ্মে, ত্ৰৈলোক্য ভট্টাচাৰ্যক সভাপতি, ৰাজদ্বীপ গোস্বামীক কাৰ্যকৰী সভাপতি, অজিত শৰ্মা আৰু ৰাজু গোস্বামীক সাধাৰণ সম্পাদক হিচাপে লৈ এখনি উদ্‌যাপন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুযায়ী ১৬ অক্টোবৰত সন্ধিয়া শুক্লাষষ্ঠীত দুৰ্গা দেৱীৰ বোধন, আমন্ত্ৰণ আৰু অধিবাস, ১৭ অক্টোবৰত পুৱাৰ ভাগত শুক্লাসপ্তমীত নৱ পত্ৰিকা প্ৰৱেশ, স্থাপন, সপ্তম্যাদি কল্পাৰম্ভ আৰু সপ্তমী বিহিত পূজা আৰম্ভ কৰা হ'ব। ১৮ অক্টোবৰত সপ্তমী বিহিত অধিক পূজা অনুষ্ঠিত হ'ব। ১৯ অক্টোবৰত মহাষ্টমী বিহিত পূজা আৰু সন্ধি পূজা অনুষ্ঠিত হ'ব। ২০ অক্টোবৰত মহা নৱমী পূজাৰ লগতে আন আনুষংগিক ৰীতি-নীতি আদি পালন কৰা হ'ব। ঠিক সেইদৰে ২১ অক্টোবৰত দশমী বিহীত পূজাৰ অন্তত দেৱী বিসৰ্জন দিয়া হ'ব বুলি জানিবলৈ দিছে উদ্যোক্তা সমিতিয়ে।

# জনসংযোগ বিভাগৰ সঞ্চালকক অসম বাৰ্তাজীৱী সংঘৰ স্মাৰক-পত্ৰ প্ৰদান

**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** বিগত বৰ্ষৰ লেখিয়াকৈ ২০২৭ বৰ্ষৰ পহিলা জানুৱাৰীত সাংবাদিক পেঞ্চন ঘোষণা কৰাটো নিশ্চিত কৰিবলৈ শাৰদীয় দুৰ্গোৎসৱৰ পূৰ্বে বিজ্ঞাপন প্ৰকাশৰ জৰিয়তে পেঞ্চনৰ আবেদন সংগ্ৰহ আৰু বাছনি প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ চৰকাৰক দাবী জনাইছে অসম বাৰ্তাজীৱী সংঘই। ১৪ অক্টোবৰত এই দাবী জনাই দিছপুৰত জনসংযোগ বিভাগৰ সঞ্চালকক সাক্ষাৎ কৰি সংঘৰ এটি সঁজাতি দলে এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। স্মাৰক-পত্ৰখনত ৰাজ্যৰ কৰ্মৰত সাংবাদিকক জনসংযোগ বিভাগৰ জৰিয়তে পৰিচয় পত্ৰ প্ৰদান প্ৰক্ৰিয়া দীৰ্ঘদিন ধৰি বন্ধ কৰি ৰখাত অসম বাৰ্তাজীৱী সংঘই গভীৰ উদ্বেগ প্ৰকাশ কৰি যিসকল সাংবাদিকৰ পুলিছ ভেৰিফিকেচন সম্পূৰ্ণ হৈছে তেওঁলোকক বিভাগীয় নিয়মৰ ভিত্তিত শীঘ্ৰে জনসংযোগ বিভাগৰ পৰিচয়-পত্ৰ প্ৰদানৰ লগতে বাকী থকা প্ৰকৃত সাংবাদিকৰ ক্ষেত্ৰতো একেই ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্মাৰক-পত্ৰখনত বিভাগটোৰ সঞ্চালকক দাবী জনায়। আনহাতে জাৰ্ণেলিষ্ট মেডিকেল ওৱেলফেয়াৰ স্কীমৰ অধীনত চিকিৎসাৰ বাবে আৰ্থিক সাহায্য বিচাৰি সাংবাদিকসকলে দীৰ্ঘদিন ধৰি অপেক্ষা কৰিব লগা হোৱা বিষয়টোত গভীৰ উদ্বেগ প্ৰকাশ কৰি উক্ত সমিতিৰ বৈঠক প্ৰতি মাহে নিয়মীয়াকৈ অনুষ্ঠিত কৰাৰ লগতে আবেদনকাৰী সাংবাদিকক দিয়া চিকিৎসা সাহায্যৰ ধনৰ পৰিমাণ বৃদ্ধি কৰিবলৈ জনসংযোগ বিভাগৰ সঞ্চালকক স্মাৰক পত্ৰখনত দাবী জনায় অসম বাৰ্তাজীৱী সংঘই। ৰাজ্যখনৰ কৰ্মৰত সাংবাদিকসকলৰ বাবে প্ৰস্তাৱিত স্বাস্থ্য বীমা আঁচনিখন শীঘ্ৰে কাৰ্যকৰী কৰিবলৈও স্মাৰক পত্ৰযোগে সংঘই জনসংযোগ বিভাগৰ সঞ্চালকক দাবী জনায়। অসম বাৰ্তাজীৱী সংঘৰ সাধাৰণ সম্পাদক অঞ্জন কুমাৰ শৰ্মাৰ নেতৃত্বত যোৱা বাৰ্তাজীৱী সংঘৰ সঁজাতি দলটোৰ সৈতে সংঘৰ দাবী সন্দৰ্ভত সৌহাদ্যপূৰ্ণ আলোচনা কৰি জনসংযোগ বিভাগৰ সঞ্চালক মানবেন্দ্ৰ দেৱ ৰয়ে চলিত বৰ্ষৰ সাংবাদিক পেঞ্চনৰ বাবে শীঘ্ৰে বিজ্ঞাপন প্ৰকাশৰ ব্যৱস্থা কৰিবলৈ বিভাগীয় বিষয়াক নিৰ্দেশ দিয়ে। সঞ্চালকগৰাকীয়ে অসম বাৰ্তাজীৱী সংঘৰ দাবীৰ প্ৰতি সঁহাৰি জনাই জাৰ্ণেলিষ্ট মেডিকেল ওৱেলফেয়াৰ ব'ৰ্ডৰ বৈঠক প্ৰতি মাহে নিয়মীয়াকৈ অনুষ্ঠিত কৰিবলৈও বিভাগীয় বিষয়াক নিৰ্দেশ দিয়াৰ লগতে চিকিৎসা সাহায্য বিচাৰি আবেদন জনোৱা সাংবাদিকক শীঘ্ৰে সাহায্যৰ ধন মোকলাই দিয়াৰো আশ্বাস দিয়ে।

## সম্পাদকলৈ চিঠি

# বিজেপি এতিয়া- হিয়াৰ আমঠু

■ **ৰঞ্জন কুমাৰ শৰ্মা**
জ্যোতিকুছি, গুৱাহাটী

**ৰা**জনীতি বহুতৰ বাবে ক্ষমতাৰ খেল হ'ব পাৰে, কিন্তু আমাৰ বাবে বিজেপি হ'ল হিয়াৰ আমঠু। এটা মিছকলৰ পৰা আৰম্ভ হোৱা এক নীৰৱ প্ৰেম কাহিনী, যি আজি জীৱনৰ ব্ৰত হৈ পৰিছে।

২০১৩ চন। দেশ সলনি হোৱাৰ এক আভাস। এদিন মোবাইলত এটা মিছকল দি আমি বিজেপিৰ সদস্য হৈছিলো। সেই সৰু মিছকলটোৱেই আমাৰ জীৱনৰ দিশ সলনি কৰি দিলে। ২০১৪ চনত হেঙেৰাবাৰীৰ বিজেপি কাৰ্যালয়ত গৈ আমি আনুষ্ঠানিকভাৱে দলৰ সভ্য হ'লো। সিদিনাৰ পৰা আজিলৈকে আমি কেতিয়াও পিছলৈ ঘূৰি চোৱা নাই।

আমি কোনো পদ-বিৰদৰ আশাত দল কৰা নাই। ৰাজভৱন ঘেৰাও হওক, দিছপুৰ যাত্ৰা হওক, গাঁৱে-গাঁৱে সভা হওক - আমি আমাৰ পুৰণি গাড়ীখনত নিজৰ পইচাৰে তেল ভৰাই, নিজৰ পৰিয়ালৰ মানুহৰ দৰে কাম কৰি গৈছো। ২০১৪, ২০১৬, ২০১৯, ২০২১, ২০২৪ - প্ৰতিটো নিৰ্বাচনত আমি এটা পৰিয়াল হিচাপে ৰাতি-দিন একাকাৰ কৰি কাম কৰিছো। কাৰণ বিজেপি আমাৰ বাবে এটা ৰাজনৈতিক দল নহয়, ই আমাৰ পৰিয়াল।

মোৰ ল'ৰা - শ্ৰীমান অভিলেখ কৌশিক শৰ্মা। সৰুৰে পৰা তাৰ হাতত দেখিছো এটা সৰু মোবাইল। সেই মোবাইলটোৱেৰেই সি দিন-ৰাতি বিজেপিৰ আদৰ্শ, বিকশিত ভাৰতৰ সপোন প্ৰচাৰ কৰি আহিছে। তাৰ বাবে সেয়া খেল নহয়, সেয়া দেশসেৱা।

মোৰ সহধৰ্মিণী লেখিকা, শিল্পী ৰুণী শৰ্মা। ২০১৫ চনৰ পৰাই যেতিয়া অসমত বিজেপিৰ ভেটি বহুত শক্তিশালী হোৱা নাছিল, তেতিয়াৰ পৰাই তেওঁ অসমৰ বিভিন্ন বাতৰি কাকতত প্ৰৱন্ধ লিখি, কবিতা লিখি দলৰ আদৰ্শক মানুহৰ মাজলৈ লৈ গৈছে। আমাৰ ঘৰৰ চাৰিবেৰৰ মাজত ৰাজনীতি নহয়, এটা সংস্কাৰহে চলে।

বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক আমি 'মামা' বুলি মাতো। আমাৰ বিশ্বাস, লোকপ্ৰিয় গোপীনাথ বৰদলৈ দেৱৰ পিছত অসমে পোৱা শ্ৰেষ্ঠ মুখ্যমন্ত্ৰী হ'ল আমাৰ মামা তথা অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া। তেখেতে নিজৰ কৰ্মদক্ষতাৰে বিশেষকৈ লকডাউনৰ সেই ভয়াৱহ দিনবোৰত মানুহৰ বাবে কৰা কাম বিষয়ে আমি পাহৰা নাই। যেতিয়া গোটেই বিশ্বই কঁপি আছিল, তেতিয়া ৰাতিৰ পিছত ৰাতি সাৰে থাকি তেখেতে যি দৰে ক'ভিডৰ বিৰুদ্ধে যুঁজিছিল, যি দৰে অসমৰ প্ৰতিজন মানুহক নিজৰ পৰিয়ালৰ দৰে ৰক্ষা কৰিছিল, সেয়া কোনো অসমীয়াই পাহৰিব নোৱাৰে। আজি বিশ্বৰ মানচিত্ৰত অসমক যি নতুন ৰূপত তেখেতে তুলি ধৰিছে, তাৰ বাবে আমি গৌৰৱান্বিত।

কিছুদিন আগতে বেতকুছিৰ ৰাজ্যিক কাৰ্যালয়লৈ গৈছিলো। প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়াৰ জন্মদিনৰ দিনা। কাৰ্যালয়টোৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা দেখি ৰাজ্যিক সভাপতি দিলীপ শইকীয়া ডাঙৰীয়াক মনৰ পৰা অভিনন্দন জনাইছিলো। তাৰ পিছত মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী ডাঙৰীয়া আৰু ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাৰ অসম ৰাজ্যিক সাধাৰণ সম্পাদক তথা মানৱদৰদী ৰঞ্জিত ভট্টাচাৰ্য ডাঙৰীয়াৰ দৰে মহান নেতা দুগৰাকীক লগ পাই বুজিলো - বিজেপি কিয় বেলেগ। তাত কোনো অহংকাৰ নাই, আছে মাথোঁ সেৱাৰ মনোভাৱ। সাধাৰণ মানুহৰ ওজৰ-আপত্তি শুনি তেওঁলোকে যি দৰে সহায় কৰে, সেয়াই বিজেপিৰ আচল শক্তি।

আমি দলৰ পৰা একো বিচৰা নাই, কোনো পদবী বিচৰা নাই। আমি মাথোঁ বিচাৰো এই বিজয়ৰ যাত্ৰা অব্যাহত থাকক।

ভগৱানৰ ওচৰত আমাৰ এটাই কাতৰ প্ৰাৰ্থনা - যি মানুহে অসমক ইমান দিলে, অসমৰ হিয়াৰ আমঠু হৈ পৰিল, সেই আমাৰ মামা, আমাৰ সকলোৰে মৰমৰ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া এদিন ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী হওক।



# দুৰ্গাদেৱীৰ দশভূজ হাতে শুভশক্তিৰ আগমণ ঘটাই

■ **নমিতা দাস,** শুৱালকুছি

**ব**ৰ্ষাৰ কিন্‌কিনিয়া বৰষুণৰ অন্তত শৰতৰ আগমণে কঢ়িয়াই আনে নিয়ৰসনা ৰাতিপুৱাৰ তলসৰা শেৱালীৰ সুৱাস। হালি জালি জিলমিল কৈ থকা কহুৱা বনে আহিনৰ আচলত ধৰি শৰতৰ আগমণ ঘটায়। শৰত মানেই যেন দুৰ্গোৎসৱ। দুৰ্গতিনাশিনী দেৱী মাৰ আগমণ ঘটে মহালয়াৰ পৰা, প্ৰবাদ মতে মহালয়াৰ এই দিনটোৰ পৰাই শুভ শক্তিৰ আগমণ ঘটে।

এই বাৰ দহ অক্টোবৰ শনিবাৰৰ দিনা মৰ্ত্যলৈ নামি আহিব দেৱী মা', দেৱীমাক ধৰা লৈ আমন্ত্ৰণ জনাৱা প্ৰাৰ্থনাটোৱে হৈছে মহালয়া। মহালয়া সংস্কৃত অৰ্থ হৈছে 'মহা' মানে 'মহান' 'লয়' মানে 'আলয়' বা 'মহান আশ্ৰয়' আন এক দাৰ্শনিক মত অনুসৰী 'মহা' মানে 'পৰম' আৰু 'লয়' মানে 'বিলিন' হোৱা কিছুমানে 'লয়' মানে 'তৰঙ্গ' বুলিও অভিহিত কৰে। অৰ্থাৎ যৰ পৰা আকৰ্ষণ-বিকৰ্ষণ সৃষ্টি হয়। যি পৰম তত্বৰ পৰা সকলো তত্ব সৃষ্টি হয়। য'ত সকলো বিলীন হৈ যায়। প্ৰবাদ মতে মহালয়াৰ বিশেষ দিনটোতে শুভশক্তিৰ আগমণ ঘটায়। এই দিনটোত দেৱীৰ সংস্পৰ্শ লাভ কৰিলে সকলো অশুভ শক্তিৰ বিনাস হয় বুলি লোক সকলৰ মাজত বিশ্বাস আছে।

হিন্দু ধৰ্মৰ পৌৰাণিক কাহিনী অনুসৰি মহালয়াৰ এই দিনটোতে ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰে লগ হৈ অসুৰ মহিষাসুৰক বধ কৰিবলৈ দেৱী দুৰ্গাক সৃষ্টি কৰিছিল বুলি বিশ্বাস কৰা হয়। সাধাৰণতে মহালয়াৰ দিনটোৰ পৰাই দুৰ্গাপূজাৰ আৰম্ভণি বুলি ধৰা হয়। সপ্তম দিনা পুজা আৰম্ভ কৰি দশম দিনা পুজা শেষ কৰা হয়। সেয়ে ভক্তগণে এই ন দিন উপবাসে থাকি দেৱী মাৰ নটা ৰূপক পুজা কৰে।

দেৱী দুৰ্গামায়ে তেওঁৰ সন্তান লক্ষ্মী, সৰস্বতী, কাৰ্তিক আৰু গণেশৰ সৈতে নাও, হাতী, ঘোঁৰা অথবা দোলাত কৈলাশৰ পৰা ধৰা লৈ আহি অসুৰ মহিষাসুৰক বধ কৰি পৃথিৱীত থকা তেওঁৰ ভক্তগণক আশীৰ্বাদ প্ৰদান কৰিছিল। সেয়েহে এই মহালয়াৰ দিনটোত ভক্তগণে পুৱাতে উঠি দেৱী দুৰ্গামাক উপাসনা কৰিব লাগে বুলি বিশ্বাস কৰা হয়।

দুৰ্গোৎসৱত ধৰালৈ দেৱী মাৰ আগমণে ,অসূয়া, অমঙ্গল, নাসী দুষ্টক দমন কৰিবলৈ পৃথিৱীত সুখ শান্তিৰ কামনাৰে আহিন মাহৰ শুক্লপক্ষত প্ৰতিপদৰ পৰা দশমী লৈকে এই উৎসৱ পালন কৰা হয় এই ন দিন একে ধাৰে নৱৰাত্ৰি বুলি অভিহিত কৰা হয় যদিও ষষ্ঠিৰ দিনা বেল বৰণৰ পিছৰ পৰা পূজা আৰ্চণা কৰি দেৱীৰ চৰণত প্ৰণিপাত জনাই নিজৰ ঘৰৰ পৰিয়ালৰ লগতে দেশবাসীৰ আটাইৰে দেহ, মন, বুদ্ধি, ক্ষমতা আৰু শান্তি অটুত ৰাখিবলৈ মাৰ চৰণত শৰণ লৈ ধূপ চাকি জ্বলাই ভক্তিভাৱে প্ৰাৰ্থনা জনাই চাৰিও দিশে ভক্তৰে মুখৰিত হয় সেই কেইদিনত আকাশ বতাহ সকলোতে কেৱল মাৰ আৰাধনাত ব্যষ্ট হয় ভক্তগণ।

দুৰ্গাদেৱীমাৰ পূজাই ভাৰতীয় শিক্ষা সংস্কৃতিৰ শুভবাৰ্তা কঢ়িয়াই আনে, নাৰী শক্তিৰ প্ৰতিক স্বৰূপ দুৰ্গাপূজা। দুষ্টক দমন কৰি শান্তক পালন কৰাই এই পূজাৰ মূল উদ্দেশ্য। পৃথিৱীত চলি থকা অশুৱা অশান্তি দূৰ কৰি বিজয়ৰ শ্বাসত বাণীৰ প্ৰকাশ। হিন্দু ধৰ্মগ্ৰন্থবোৰৰ মতে ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰৰ লগতে আন দেৱতাসকলেও তেওঁলোকৰ আটাইতকৈ শক্তিমান অস্ত্ৰসমূহ দশভূজা দেৱীৰ হাতত তুলি দিছিল। এই অস্ত্ৰ সমূহে মানৱ জীৱনৰ প্ৰতিটো দিশ নিৰ্ণয় কৰে।

ভগৱান শিৱই তুলি দিয়া ত্ৰিশূল মানুহৰ তিনি গুণৰ প্ৰতিক, সত্ব, ৰজ আৰু তমঃক নিয়ন্ত্ৰণ কৰি শাৰিৰীক মানসিক গুণবোৰ নিয়ন্ত্ৰণ কৰে।

সুদৰ্শন চক্ৰ ভগৱান বিষ্ণুৰ সময়ৰ গতীক নিৰূপণ কৰি বিশ্বব্ৰহ্মাণ্ডক নিয়ন্ত্ৰণ কৰি সময়ৰ অশুভ শক্তিৰ লগতে অন্যায় অত্যাচাৰ ধংস কৰে ।

শঙ্খ প্ৰদান কৰে বৰুণ দেৱে শঙ্খৰ ধ্বনি হৈছে ব্ৰহ্মাণ্ডৰ আদিম শব্দ ওঁ কাৰৰ প্ৰতীক। নেতিবাচক প্ৰভাব দূৰ কৰি পৱিত্ৰতা বোৱাই আনে। ধনাত্মক শক্তি বিস্তাৰ কৰে।

যমৰাজ আৰু কুবেৰে গদা প্ৰদান কৰিছে গদাই মানসিক আধ্যাত্মিক শক্তি আনুগত্য আৰু ভক্তিক প্ৰতিপ্ৰন্ন কৰে। মানুহৰ অন্তৰৰ অহংকাৰ আৰু অজ্ঞানতাক চূৰ্ণ কৰাৰ প্ৰতীক।

ধনু-কাঁড প্ৰদান কৰে পৱনদেৱ আৰু সূৰ্য্যদেৱে ধনুৱে সাম্ভাৱ্য শক্তি আৰু কাঁড়ে গতি শক্তি সূচায়। লক্ষ্যৰ প্ৰতি একাগ্ৰহতা আৰু স্পস্ততা আৰু ধৰ্মৰ পথত অটল থকাৰ প্ৰতীক।

তৰোৱাল প্ৰদান কৰিছিল গণেশে এই তৰোৱাল বুদ্ধি আৰু জ্ঞানৰ প্ৰতীক ই মানুহৰ অজ্ঞতা দূৰ কৰে।

বজ্ৰ প্ৰদান কৰে দেৱৰাজ ইন্দ্ৰই জীৱনত যিমানে কঠিনতা নাহক কিয় সকলো সময়তে অটল হৈ থাকিবলৈ ই অনুপ্ৰাণিত কৰে।

পদূম প্ৰদান কৰে ভগৱান ব্ৰহ্মাই পদূম ফুলৰ জন্ম বোকাত হ'লেও এইফুল সদায় পৱিত্ৰ এই ফুলপাহে মানৱ জীৱনৰ পৱিত্ৰতা অনাশক্তি আৰু আধ্যাত্মিক চেতনাৰ উন্মেষ ঘটোৱাৰ প্ৰতীক।

কুঠাৰ হৈছে দেৱীমাৰ নৰম অস্ত্ৰ বিশ্বকৰ্মাদেৱে বা অগ্নিদেৱে প্ৰদান কৰা কুঠাৰখন হৈছে মায়া মোহ আৰু অশুভ শক্তিৰ বিৰুদ্ধে নিৰ্ভীকভাৱে যুঁজ দিয়া অন্যায় অবিচাৰৰ বিৰুদ্ধেচৰণ কৰি ন্যায়ৰ বাবে ঠিয় দিয়া সাহস প্ৰদৰ্শন কৰা।

বিভিন্ন মূৰ্তিশিল্প আৰু আখ্যান অনুসৰি দশম হাতখনত আছে অভয় মুদ্ৰা। যিয়ে ভক্তসকলক আশীৰ্বাদ কৰি ভক্তক ভয়ৰ পৰা মুক্ত কৰে।

দেৱীমাৰ দশ হাতে আমাক বুজাই দিছে যে আমাৰ মনৰ মাজত থকা আসুৰিক অভ্যাসবোৰ জাগ্ৰত হ'বলৈ নিদি আমি দমন কৰি ৰাখিব লাগে। অহংকাৰ খং লোভ যেতিয়া বাঢ়ি যায় জ্ঞান ভক্তি শক্তি আৰু ধৈৰ্যৰে তাক বিনাশ কৰা দৰকাৰ। মুঠতে শক্তিৰ অধিষ্ঠিতা দেৱীমাৰ পূজা উৎসৱ নহয় ই হৈছে আধ্যাত্মিকতাৰে পৰিপূৰ্ণ বিশ্বাস মহিষাসুৰৰ দৰে সমাজত বাস কৰা বিভিন্ন দানৱক নাৰী শক্তিৰেও যে ধংস কৰিব পাৰি তাৰ বাস্তৱ প্ৰতিফলন দূৰ্গাপূজা। ভাৰতীয় সমাজ সংস্কৃতিত নাৰীকো উচ্চ আসন দিয়া হয়। দুৰ্গাপূজাই প্ৰতিজন লোকৰ মাজত থকা কুসংস্কাৰ দানৱীয় অভ্যাসবোৰ নাশ কৰি সুজলা-সুফলা এখন সুন্দৰ সমাজৰ সৃষ্টি কৰি সামাজিক আৰু আধ্যাত্মিকতাৰে সুন্দৰ সমাজ গঢ়া।

# কাতি বিহু ঃ ইয়াৰ তাৎপৰ্য

■ **ৰমেন ভৰালী,** বংশৰ

**বি**হু অবিহনে অসমীয়া জীৱন অসম্পূৰ্ণ। অসমীয়াৰ হিয়াৰ আপোন, প্ৰাণৰ স্পন্দন এই বিহু। জাতিৰ জনজীৱনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ থকা তিনিটি বিহুৱে অসমীয়া কৃষি-ভিত্তিক সমাজখনৰ তিনিটা ৰূপক প্ৰতিফলিত কৰে। চ'ত-ব'হাগৰ সংক্ৰান্তিত ৰঙালী বা ব'হাগ বিহুৱে কঢ়িয়াই আনে যৌৱনৰ ৰং, প্ৰেমৰ উচ্ছলতা আৰু নতুন বছৰৰ আশা। পুহ-মাঘৰ সংক্ৰান্তিত ভোগালী বা মাঘ বিহুৱে আনে ভোগৰ প্ৰাচুৰ্য, খাই-বৈ আনন্দ কৰাৰ উলাহ। কিন্তু এই দুয়োটা বিহুৰ মাজত নিৰৱে, বিনম্ৰতাৰে আহে এটা বিহু - কাতি বিহু।

যদি ব'হাগ বিহু হৈছে যৌৱনৰ উচ্ছল নৃত্য, মাঘ বিহু হৈছে ভোগৰ উৎসৱ, তেন্তে কাতি বিহু হৈছে -নীৰৱ প্ৰাৰ্থনাৰ, আশাৰ আৰু আত্ম-চিন্তনৰ উৎসৱ। ইয়াত ঢোলৰ গুমগুমনি নাই, পেঁপাৰ মাত নাই, আছে মাথোঁ এগছি মাটিৰ চাকিৰ কঁপা কঁপা পোহৰ আৰু কৃষকৰ বুকুৰ গভীৰ প্ৰাৰ্থনা।

অসমীয়া পঞ্জিকা মতে আহিন আৰু কাতি মাহৰ সংক্ৰান্তিৰ দিনা, অৰ্থাৎ অক্টোবৰ মাহৰ মাজভাগত এই বিহু পালন কৰা হয়। কাতি মাহত পালন কৰা বাবে ইয়াৰ নাম কাতি বিহু। আনহাতে এই সময়ছোৱাত কৃষকৰ অৱস্থা অলপ কঙাল হয় যোৱা বছৰৰ সাঁচতীয়া ধান প্ৰায় শেষ হ'ব ধৰে, নতুন ধান এতিয়াও পথাৰত সোণোৱালী হ'বলৈ বাকী। ঘৰৰ ভঁৰাল উদং, হাতত টকাৰ নাটনি। এই অভাৱৰ বাবেই ইয়াক মৰমেৰে, কিছু বিষাদেৰে কঙালী বিহু বুলিও কোৱা হয়।

কিন্তু এই কঙালী শব্দটোৰ মাজত কোনো হীনমন্যতা নাই। ই আমাৰ শিপাৰ সৈতে থকা সম্পৰ্কৰ প্ৰমাণ। ই কয় যে আমি ভোগৰ দিনা ভোগ কৰোঁ, অভাৱৰ দিনা অভাৱকো সাৱটি লওঁ।

কাতি বিহুৰ গাম্ভীৰ্য ইয়াৰ আচাৰ-অনুষ্ঠানৰ মাজতে লুকাই আছে।

কাতি বিহুৰ মূল কেন্দ্ৰবিন্দু হৈছে তুলসী গছ। অসমীয়াৰ প্ৰতিখন ঘৰৰ চোতালত থকা তুলসীৰ ভেটিটো এইদিনা ধুই-মচি, গোবৰে মচি, অতি পৱিত্ৰ কৰি তোলা হয়। সন্ধিয়া আই-ভনী সকলে গা-পা ধুই, থাপনাৰ আগত চাকি-বন্তি জ্বলাই প্ৰাৰ্থনা কৰে। 'তুলসীৰ তলে তলে মৃগ পহু চৰে, তাকে দেখি ৰামচন্দ্ৰই হৰধনু ধৰে' - এই নাম গাই গাই তেওঁলোকে ঘৰখনৰ মংগল কামনা কৰে। ভঁৰাল, ৰান্ধনীশাল, বাৰীৰ মূৰতো এগছি বন্তি দিয়া হয়, যাতে অশুভ শক্তি দূৰ হয়।

এইটোৱে কাতি বিহুৰ আটাইতকৈ চিত্ৰমধুৰ আৰু অৰ্থপূৰ্ণ দৃশ্য। সন্ধিয়া লগাৰ লগে লগে কৃষকে পথাৰলৈ যায়। ধাননি পথাৰৰ মাজত ওখ কলগছৰ ঠাৰি এটা পুতি তাৰ ওপৰত বন্তি জ্বলাই দিয়ে। ইয়াক কোৱা হয় 'আকাশ বন্তি' বা 'আকাশ প্ৰদীপ'। বিশ্বাস কৰা হয় যে এই পোহৰে পথাৰৰ পোক-পৰুৱা খেদি পঠিয়ায় আৰু ধানৰ উৎপাদন বৃদ্ধি কৰে। কিন্তু ইয়াৰ দাৰ্শনিক অৰ্থ বহুত গভীৰ - এয়া হৈছে কৃষকে নিজৰ সন্তানৰ দৰে লালন কৰা শস্যৰ প্ৰতি জনোৱা মৰম, লক্ষ্মীক পথাৰতে ৰাখিবলৈ কৰা এক কৰুণ প্ৰাৰ্থনা। দূৰৰ পৰা চালে আন্ধাৰ পথাৰত জ্বলি থকা শ শ আকাশ বন্তিয়ে এখন তৰাৱলী আকাশৰ সৃষ্টি কৰে।

কোনো ঠাইত কাতি বিহুৰ দিনা গোহালি পৰিষ্কাৰ কৰি গৰু-গাইক গা ধুৱাই, কপালত সেন্দূৰ-চন্দনৰ ফোঁট দি, নতুন পঘাৰে সজাই পূজা কৰা হয়। গৰু অবিহনে অসমীয়া কৃষি অচল। সেয়ে কৃষকে কৃতজ্ঞতা জনায়। ঠিক তেনেদৰে খেতিৰ সঁজুলি কোৰ, নাঙল, দা-কাছি আদিকো ধুই-পখালি সন্মান জনোৱা হয়।

কাতি বিহুৰ তাৎপৰ্য কেৱল পৰম্পৰাতে সীমাবদ্ধ নহয়। আজিৰ ভোগবাদী, দ্ৰুতগামী পৃথিৱীত কাতি বিহুৱে আমাক বহুতো গুৰুত্বপূৰ্ণ শিক্ষা দিয়ে।

ই আমাক শিকায় অভাৱৰ মাজতো কেনেকৈ আশাবাদী হ'ব লাগে। উদং ভঁৰালৰ সন্মুখত থিয় হৈও কেনেকৈ ভৱিষ্যতৰ সপোন দেখিব লাগে। ই শিকায় সংযম, কৃতজ্ঞতা আৰু প্ৰকৃতিৰ লগত একাত্ম হৈ থকাৰ মন্ত্ৰ।

এগছি বন্তিৰ পোহৰে হয়তো গোটেই আন্ধাৰ নাশ কৰিব নোৱাৰে, কিন্তু সেই কঁপা কঁপা পোহৰে এটা ডাঙৰ সত্য কয় - 'আন্ধাৰ চিৰস্থায়ী নহয়। ধৈৰ্য ধৰা, পথাৰত ধান সোনগুটি হ'ব, ভঁৰাল আকৌ ভৰি পৰিব, জীৱন আকৌ ৰঙালী হ'ব।'

সেয়াই কাতি বিহু। শব্দৰে নহয়, পোহৰেৰে কোৱা অসমীয়াৰ জীৱন দৰ্শন। অসমীয়াৰ আটাইতকৈ বিনম্ৰ, আটাইতকৈ গভীৰ আৰু আটাইতকৈ সুন্দৰ বিহু।

# দুৰ্গোৎসৱৰ পৱিত্ৰতা আৰু একাংশ লোকৰ উশৃংখল আচৰণ

■ **শংকৰ দেৱ,** দেৰগাঁও

**শ**ৰতৰ নীলা আকাশত শুভ্ৰ মেঘৰ লুকা-ভাকু, পথাৰৰ কাষে কাষে কঁহুৱাৰ মনোমোহা হাঁহি, নিশাৰ বতাহত শেৱালিৰ মৃদু সুবাসৰ পৰশ, সচাঁকৈয়ে প্ৰকৃতিয়েই যেন এই সময়ছোৱাত কোনোবা অদৃশ্য শিল্পীৰ তুলিকাৰে আঁকি দিয়ে এক অপূৰ্ব ছবি। তাৰ মাজতেই দূৰৈৰ পৰা ভাঁহি অহা শংখ-উৰুলিৰ শব্দই জনাই দিয়ে যে আহি পালেহি শাৰদীয় দুৰ্গোৎসৱ।

দেৱী দুৰ্গাৰ আগমণৰ লগে লগে কেৱল পূজা মণ্ডপেই আলোকিত নহয়, আলোকিত হয় মানুহৰ মন তথা চাৰিওদিশৰ বাতাবৰণ। নতুন সাজ-পোছাকৰ উছাহ, আপোনজনৰ সৈতে মিলনৰ আনন্দ, পূজা মণ্ডপৰ ব্যস্ততা, ধূপ-ধূনাৰ সুবাস আৰু সাংস্কৃতিক অনুষ্ঠানৰ ৰঙেৰে চৌদিশে সৃষ্টি হোৱা এক উৎসৱমুখৰ পৰিৱেশ। জাতি, ধৰ্ম, ভাষা আৰু সামাজিক পৰিচয়ৰ সীমাৰেখা অতিক্ৰম কৰি এই উৎসৱে মানুহক একতাৰ এনাজৰীৰে বান্ধি ৰখাৰ এক অনন্য সুযোগ সৃষ্টি কৰে। কিন্তু এই আনন্দৰ মাজতেই এটা প্ৰশ্ন কেতিয়াবা মনে মনে উত্থাপিত হয় যে আমি সঁচাকৈয়ে এই পৱিত্ৰ উৎসৱৰ পৰম্পৰাক সন্মান কৰিছোঁনে? যি দুৰ্গোৎসৱ অশুভৰ ওপৰত শুভৰ বিজয়ৰ প্ৰতীক, সেই পৱিত্ৰ উৎসৱৰ পৰিৱেশত দুই-এজনৰ উশৃংখল আচৰণে কিয় কেতিয়াবা শান্তি আৰু সৌহাদ্যত ব্যাঘাত জন্মায়? দেৱী দুৰ্গাৰ পূজা কেৱল প্ৰতিমাৰ সন্মুখত ধূপ-চাকি জ্বলোৱা বা অঞ্জলি আগবঢ়োৱাৰ নামেই নহয়। ই আমাৰ ভিতৰৰ অশুভ শক্তিক জয় কৰাৰ এক প্ৰতীকী আহ্বান। অথচ মদ্যপান কৰি হুলস্থূল কৰা, অশালীন আচৰণ কৰা, উচ্চ শব্দৰে আনৰ অসুবিধা সৃষ্টি কৰা, যান-বাহন চলাচলত বাধা দিয়া অথবা পূজা মণ্ডপৰ পৱিত্ৰ পৰিৱেশত অনাকাংক্ষিত পৰিস্থিতিৰ সৃষ্টি কৰা আদি আচৰণে উৎসৱৰ মূল উদ্দেশ্যকেই প্ৰশ্নৰ সন্মুখীন কৰি তোলে।

শেষান্তৰত ক'ব পাৰি যে এই দুই-এজনৰ উশৃংখল আচৰণে কেনেদৰে এটা বৃহৎ সামাজিক উৎসৱৰ সৌন্দৰ্য ম্লান কৰিব পাৰে আৰু সেই পৰিস্থিতিৰ পৰা মুক্ত হৈ আমি কেনেদৰে আমাৰ পৰম্পৰাগত দুৰ্গোৎসৱৰ মৰ্যাদা অক্ষুণ্ণ ৰাখিব পাৰোঁ। এই দিশৰ প্ৰতিটো কথা সুপৰিকল্পিতভাৱে ব্যৱস্থা অক্ষুণ্ণ ৰাখি পূজা কমিটি, দ'ল-সংঠন, আৰক্ষী সকলোৱে সুন্দৰ প্ৰচেষ্টা আৰু সহযোগিতাৰে আগবাঢ়িব লাগিব। যিহেতু শাৰদীয় দুৰ্গোৎসৱ আমাৰ পৰম্পৰা, আমাৰ সংস্কৃতি আৰু সামাজিক সম্প্ৰীতিৰ এক উজ্বল প্ৰতীক। সেয়েহে এই উৎসৱৰ আনন্দ হওক সংযমী, উৎসৱ হওক শৃংখলাবদ্ধ আৰু পৰিৱেশ হওক সকলোৱে বাবে নিৰাপদ তথা আনন্দদায়ক।

**ম'বাইল ঃ** ৭০০২৭-৮১৮৪১

# শ্ৰীমন্ত শংকৰদেৱৰ কীৰ্তন আৰু ভাগৱতত শৰতৰ ৰূপ-সুষমা আৰু ভক্তিৰস

■ দীপিকা দাস
গৱেষক ছাত্ৰী
সত্ৰ অধ্যয়ন বিভাগ
আউনীআটী বিশ্ববিদ্যালয়

**অ**সমীয়া সাহিত্যৰ ইতিহাসত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অৱদান অতুলনীয়। ধৰ্মীয় চেতনা, ভক্তিৰস, প্ৰকৃতিৰ সৌন্দৰ্য আৰু আধ্যাত্মিক অনুভূতিৰ সমন্বয়েৰে তেওঁ অসমীয়া সাহিত্যক এক স্বকীয় মৰ্যাদা প্ৰদান কৰিছে। তেওঁৰ সাহিত্যকৃতিৰ অন্যতম উল্লেখযোগ্য বৈশিষ্ট্য হৈছে প্ৰকৃতিৰ মনোৰম চিত্ৰায়ণ। কীৰ্তনঘোষা আৰু শ্ৰীমদ্ভাগৱতৰ বিভিন্ন প্ৰসংগত শৰতকালৰ প্ৰকৃতি, ইয়াৰ স্নিগ্ধ ৰূপ আৰু শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ বৰ্ণনাই শংকৰদেৱৰ কাব্যিক প্ৰতিভাৰ উজ্বল নিদৰ্শন দাঙি ধৰে।

শৰত প্ৰকৃতিৰ এক মনোৰম ঋতু। বৰ্ষাৰ ঘন মেঘ আঁতৰি যোৱাৰ পিছত আকাশ নিৰ্মল হৈ উঠে। শীতল বতাহ, স্নিগ্ধ জোনাক, শুভ্ৰ কঁহুৱা আৰু ফুলে-ফলে জাতিষ্কাৰ প্ৰকৃতিয়ে চৌদিশে এক অপূৰ্ব সৌন্দৰ্যৰ সৃষ্টি কৰে। শংকৰদেৱে শৰতৰ এই পৰিৱৰ্তিত ৰূপৰ মাজেৰে প্ৰকৃতিৰ সৌন্দৰ্যৰ লগতে মানৱ-মন আৰু ভক্তিৰ গভীৰ অনুভূতিকো প্ৰকাশ কৰিছে। তেওঁৰ প্ৰকৃতি-চিত্ৰায়ণত দৃশ্যমান সৌন্দৰ্যৰ সৈতে নৈতিক চিন্তা, কৃষ্ণপ্ৰেম আৰু আধ্যাত্মিক উপলব্ধিৰ সমন্বয় ঘটিছে।

শৰতৰ প্ৰকৃতি-চিত্ৰায়ণৰ উপাদানসমূহ

**১। মেঘমুক্ত নিৰ্মল আকাশ**

শৰতৰ প্ৰকৃতি-চিত্ৰায়ণৰ অন্যতম প্ৰধান উপাদান হৈছে মেঘমুক্ত নিৰ্মল আকাশ। বৰ্ষাকালৰ ঘন মেঘ আঁতৰি যোৱাৰ পিছত আকাশ পৰিষ্কাৰ আৰু উজ্বল হৈ উঠে। শংকৰদেৱে এই প্ৰাকৃতিক পৰিৱৰ্তনক মানুহৰ অন্তৰৰ শুদ্ধতাৰ সৈতে তুলনা কৰিছে। শৰতৰ আগমনত আকাশৰ পৰিৱৰ্তনৰ কথা উল্লেখ কৰি তেওঁ লিখিছে-

মেঘ গণে জল সৰ্বস্ব এৰিয়া
শুক্ল কৰিলেক গগন।
যেন মুনীসৱে বিত্ত লোভ
তেজি ভৈল মহা শুদ্ধ ভাৱ
— শ্ৰীমদ্ভাগৱত

এই পদকেইফাঁকিত শৰতৰ নিৰ্মল আকাশৰ এক সুন্দৰ চিত্ৰ প্ৰতিফলিত হৈছে। বৰ্ষাকালত মেঘে আকাশ আৱৰি ৰাখে। শৰতৰ আগমণৰ লগে লগে মেঘ আঁতৰি আকাশ নিৰ্মল আৰু উজ্বল হৈ উঠে। কবিয়ে এই প্ৰাকৃতিক পৰিৱৰ্তনক মুনিসকলে বিত্তৰ প্ৰতি থকা লোভ ত্যাগ কৰি শুদ্ধ মনৰ অধিকাৰী হোৱাৰ সৈতে তুলনা কৰিছে। ইয়াত প্ৰকৃতিৰ বাহ্যিক নিৰ্মলতা আৰু মানুহৰ অন্তৰৰ শুদ্ধতাৰ মাজত এক গভীৰ সাদৃশ্য স্থাপন কৰা হৈছে। এই তুলনাৰ মাজেৰে শংকৰদেৱৰ দাৰ্শনিক দৃষ্টিভংগী প্ৰকাশ পাইছে। মানুহৰ জীৱনত লোভ, মোহ আৰু আসক্তিয়ে মনৰ স্বচ্ছতাত প্ৰভাৱ পেলায়। সেইবোৰ ত্যাগ কৰিব পাৰিলে অন্তৰত পৱিত্ৰতা আৰু প্ৰশান্তিৰ উদয় হয়। শৰতৰ মেঘমুক্ত আকাশৰ দৰে মানুহৰ মনো লোভমুক্ত হ'লে স্বচ্ছ আৰু নিৰ্মল হৈ উঠে। সেয়েহে প্ৰকৃতিৰ বৰ্ণনাৰ মাজত কবিয়ে নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰো অৱতাৰণা কৰিছে।

**২। শীতল আৰু সুগন্ধি বতাহ**

শৰতৰ আন এক উল্লেখযোগ্য উপাদান হৈছে শীতল আৰু সুগন্ধি বতাহ। বৰ্ষাৰ অন্তত প্ৰকৃতিৰ উত্তাপ আৰু অস্বস্তি হ্ৰাস পায়। শীতল বতাহৰ কোমল পৰশে মানুহৰ মন-প্ৰাণত প্ৰশান্তি আনে। এই অনুভূতিক গোপীসকলৰ কৃষ্ণপ্ৰেমৰ সৈতে তুলনা কৰি কবিয়ে লিখিছে-

সুগন্ধ শীতল বায়ুৰ পৰশে
খণ্ডই মহা ৰৌদ্ৰ দুখ।
যেন গোপীগণে কৃষ্ণ
আলিংগনে পাৱৈ মনে মহাসুখ
— শ্ৰীমদ্ভাগৱত

এই পদত শীতল বতাহৰ পৰশে ৰৌদ্ৰৰ দুখ দূৰ কৰাৰ দৃশ্যৰ মাজেৰে গোপীসকলে শ্ৰীকৃষ্ণৰ সান্নিধ্যত লাভ কৰা আনন্দৰ অনুভূতি প্ৰকাশ পাইছে। প্ৰকৃতিৰ কোমল স্পৰ্শ আৰু কৃষ্ণৰ আলিংগনৰ মাজত কবিয়ে এক সুন্দৰ উপমামূলক সম্পৰ্ক স্থাপন কৰিছে। যেনেদৰে শীতল বতাহে উত্তাপত ক্লান্ত দেহ-মনক আৰাম দিয়ে, তেনেদৰে কৃষ্ণৰ সান্নিধ্যই গোপীসকলৰ হৃদয়ত অপাৰ আনন্দৰ সঞ্চাৰ কৰে। ইয়াত প্ৰকাশিত কৃষ্ণপ্ৰেমৰ অনুভূতিয়ে আধ্যাত্মিক তাৎপৰ্য লাভ কৰিছে। ভক্ত আৰু ভগৱানৰ মাজৰ নিবিড় সম্পৰ্কৰ মাজেৰে এই প্ৰেমে ভক্তিৰ এক গভীৰ ৰূপ পৰিগ্ৰহ কৰিছে। শংকৰদেৱৰ একশৰণ নামধৰ্মৰ মূল আধাৰ হৈছে ঈশ্বৰৰ প্ৰতি একান্ত ভক্তি আৰু আত্মসমৰ্পণ। গোপীসকলৰ কৃষ্ণপ্ৰেমৰ মাজেৰে এই একাগ্ৰতা আৰু নিবিড় ভক্তিভাৱৰ কাব্যিক প্ৰকাশ ঘটিছে।

**৩। শৰতৰ মনোমোহা ৰাত্ৰি**

শৰতৰ ৰাত্ৰিৰ সৌন্দৰ্য শংকৰদেৱৰ প্ৰকৃতি-চিত্ৰায়ণৰ আন এক গুৰুত্বপূৰ্ণ উপাদান। নিৰ্মল আকাশ, স্নিগ্ধ জোনাক আৰু শান্ত প্ৰাকৃতিক পৰিৱেশে শৰতৰ ৰাত্ৰিক মনোমোহা কৰি তোলে। এই পৰিৱেশতে শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়াৰ প্ৰসংগই বিশেষ তাৎপৰ্য লাভ কৰিছে। 'কীৰ্তনঘোষা'ত শৰতৰ ৰাত্ৰিৰ সৌন্দৰ্য আৰু ৰাসক্ৰীড়াৰ প্ৰসংগত উল্লেখ আছে-

শৰত কালৰ ৰাত্ৰি
অতি বিতোপন
ৰাস ক্ৰীড়া কৰিতে
কৃষ্ণৰ ভৈলা মন
—কীৰ্তনঘোষা

এই পদত শৰতৰ ৰাত্ৰিৰ মনোমোহা ৰূপ আৰু শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়াৰ প্ৰতি আগ্ৰহৰ কথা প্ৰকাশ পাইছে। শৰতৰ নিৰ্মল আকাশ, স্নিগ্ধ জোনাক আৰু প্ৰশান্ত প্ৰাকৃতিক পৰিৱেশে ৰাসক্ৰীড়াৰ বাবে এক অনুকূল পটভূমি সৃষ্টি কৰিছে। প্ৰকৃতিৰ সৌন্দৰ্য আৰু কৃষ্ণলীলাৰ এই সমন্বয়ে কাব্যিক পৰিৱেশক অধিক মাধুৰ্যমণ্ডিত কৰি তুলিছে।

ৰাসক্ৰীড়া বৈষ্ণৱ সাহিত্যৰ এক উল্লেখযোগ্য বিষয়। ইয়াৰ মাজেৰে শ্ৰীকৃষ্ণৰ প্ৰতি গোপীসকলৰ একান্ত প্ৰেম, আত্মনিবেদন আৰু ভক্তিৰ গভীৰতা প্ৰকাশিত হৈছে। শৰতৰ ৰাত্ৰিৰ সৌন্দৰ্যই এই আধ্যাত্মিক অনুভূতিক অধিক মনোগ্ৰাহী কৰি তুলিছে। প্ৰকৃতি যেন কৃষ্ণলীলাৰ এক সক্ৰিয় অংশীদাৰ হৈ পৰিছে; ইয়াৰ প্ৰতিটো উপাদানে লীলাৰ মাধুৰ্য বৃদ্ধি কৰিছে।

**৪। প্ৰকৃতিৰ স্নিগ্ধতা আৰু প্ৰশান্তি**

শৰতৰ প্ৰকৃতিৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য হৈছে ইয়াৰ স্নিগ্ধতা আৰু প্ৰশান্তি। বৰ্ষাৰ অস্থিৰতা আঁতৰি যোৱাৰ পিছত প্ৰকৃতিয়ে এক শান্ত, কোমল আৰু মনোৰম ৰূপ ধাৰণ কৰে। শীতল বতাহ, নিৰ্মল আকাশ আৰু জোনাকৰ স্নিগ্ধতাই পৰিৱেশত এক অপূৰ্ব মাধুৰ্যৰ সৃষ্টি কৰে। এই পৰিৱেশে মানুহৰ মনতো প্ৰশান্তিৰ অনুভূতি জগাই তোলে। শংকৰদেৱৰ বৰ্ণনাত প্ৰকৃতিৰ এই শান্ত ৰূপ ভক্তিৰস আৰু আধ্যাত্মিক অনুভূতি প্ৰকাশৰো মাধ্যম হৈ পৰিছে। প্ৰকৃতিৰ প্ৰশান্তিৰ মাজেৰে ভক্তৰ অন্তৰৰ একাগ্ৰতা আৰু ঈশ্বৰৰ প্ৰতি থকা নিবিড় প্ৰেমৰ ভাব উপলব্ধি কৰিব পাৰি। এইদৰে প্ৰকৃতিৰ স্নিগ্ধতা আৰু মানৱ-মনোজগতৰ অনুভূতিৰ মাজত এক আন্তঃসম্পৰ্ক স্থাপিত হৈছে।

**৫। প্ৰকৃতি আৰু কৃষ্ণলীলাৰ সমন্বয়**

শংকৰদেৱৰ শৰতৰ প্ৰকৃতি-চিত্ৰায়ণৰ এক তাৎপৰ্যপূৰ্ণ দিশ হৈছে প্ৰকৃতি আৰু কৃষ্ণলীলাৰ সমন্বয়। মেঘমুক্ত আকাশ, শীতল বতাহ আৰু মনোৰম ৰাত্ৰিৰ বৰ্ণনাই শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়াৰ বাবে এক উপযুক্ত পটভূমি সৃষ্টি কৰিছে। প্ৰকৃতিৰ প্ৰতিটো উপাদানেই যেন কৃষ্ণলীলাৰ মাধুৰ্য প্ৰকাশত সহায় কৰিছে।প্ৰকৃতিৰ সৌন্দৰ্য আৰু কৃষ্ণলীলাৰ এই সমন্বয়ে বৰ্ণনাক অধিক জীৱন্ত আৰু অনুভূতিপ্ৰৱণ কৰি তুলিছে। ইয়াৰ ফলত প্ৰকৃতিৰ দৃশ্যমান সৌন্দৰ্যই ভক্তিৰসৰ সৈতে মিলিত হৈ এক আধ্যাত্মিক তাৎপৰ্য লাভ কৰিছে। শংকৰদেৱে প্ৰকৃতিক কৃষ্ণলীলাৰ পটভূমি হিচাপে ব্যৱহাৰ কৰাৰ লগতে ইয়াৰ মাজেৰে ভক্তিৰ অনুভূতিকো গভীৰ কৰি তুলিছে।

**৬। প্ৰকৃতিৰ মাজেৰে আধ্যাত্মিক আৰু নৈতিক ভাবৰ প্ৰকাশ**

শংকৰদেৱৰ প্ৰকৃতি-চিত্ৰায়ণৰ আন এক বিশেষত্ব হৈছে প্ৰকৃতিৰ দৃশ্যৰ মাজেৰে নৈতিক আৰু আধ্যাত্মিক শিক্ষা প্ৰদান কৰা। মেঘে আকাশ ত্যাগ কৰি নিৰ্মলতা প্ৰকাশ কৰাৰ দৃশ্যৰ সৈতে মুনিসকলে বিত্তৰ প্ৰতি থকা লোভ ত্যাগ কৰি শুদ্ধ মনৰ অধিকাৰী হোৱাৰ তুলনাই এই বৈশিষ্ট্য স্পষ্ট কৰে।ইয়াৰ দ্বাৰা কবিয়ে প্ৰকৃতিৰ বাহ্যিক নিৰ্মলতাৰ মাজেৰে অন্তৰৰ পৱিত্ৰতাৰ তাৎপৰ্য প্ৰকাশ কৰিছে। লোভ, মোহ আৰু আসক্তি ত্যাগ কৰি ভক্তি আৰু আত্মসমৰ্পণৰ পথেৰে আগবাঢ়িলে মানুহৰ অন্তৰত প্ৰশান্তি আৰু আধ্যাত্মিক চেতনাৰ বিকাশ ঘটে। এইদৰে শংকৰদেৱৰ প্ৰকৃতি-বৰ্ণনা নৈতিক চিন্তা আৰু ভক্তিধৰ্মৰ সৈতে নিবিড়ভাৱে সংযুক্ত হৈ পৰিছে।

**শংকৰদেৱৰ প্ৰকৃতি-চিত্ৰায়ণৰ কাব্যিক বৈশিষ্ট্য**

শংকৰদেৱৰ প্ৰকৃতি-চিত্ৰায়ণৰ বিশেষত্ব হৈছে সহজ ভাষা, অৰ্থৱহ উপমা আৰু গভীৰ ভাবৰ সমন্বয়। মেঘমুক্ত আকাশক মুনিৰ লোভহীন মনৰ সৈতে তুলনা কৰা, শীতল বতাহৰ পৰশক কৃষ্ণৰ সান্নিধ্যৰ আনন্দৰ সৈতে সংযোগ কৰা আৰু শৰতৰ ৰাত্ৰিক ৰাসক্ৰীড়াৰ পটভূমি হিচাপে উপস্থাপন কৰা-এই সকলোবোৰে কবিৰ সূক্ষ্ম পৰ্যবেক্ষণশক্তি আৰু কাব্যিক কল্পনাৰ পৰিচয় দিয়ে।তেওঁৰ প্ৰকৃতি-বৰ্ণনাত দৃশ্যমান সৌন্দৰ্যৰ লগতে নৈতিক শিক্ষা, ভক্তিৰস আৰু আধ্যাত্মিক উপলব্ধিৰো সমাৱেশ ঘটিছে। প্ৰকৃতিৰ প্ৰতিটো দৃশ্যই কোনো গভীৰ অনুভূতিৰ বাহক হিচাপে আত্মপ্ৰকাশ কৰিছে। ইয়াৰ ফলত শৰতৰ বৰ্ণনাই পাঠকৰ মনত এক মনোৰম দৃশ্যপট সৃষ্টি কৰাৰ লগতে ভক্তিৰ অন্তৰ্নিহিত তাৎপৰ্য উপলব্ধি কৰাত সহায় কৰে। শংকৰদেৱৰ কাব্যিক দৃষ্টিত প্ৰকৃতি আৰু মানৱ-মন পৰস্পৰৰ সৈতে নিবিড়ভাৱে জড়িত। আকাশৰ নিৰ্মলতা, বতাহৰ শীতলতা আৰু ৰাত্ৰিৰ মাধুৰ্যৰ মাজেৰে মানুহৰ অন্তৰৰ পৱিত্ৰতা, প্ৰেম আৰু ভক্তিৰ অনুভূতি প্ৰকাশ পাইছে। এই সমন্বয়েই তেওঁৰ প্ৰকৃতি-চিত্ৰায়ণক বিশেষ মৰ্যাদা প্ৰদান কৰিছে।

সামগ্ৰিকভাৱে ক'ব পাৰি যে, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কীৰ্তনঘোষা আৰু শ্ৰীমদ্ভাগৱতত শৰতৰ বৰ্ণনা প্ৰকৃতি আৰু আধ্যাত্মিকতাৰ এক অপূৰ্ব সমন্বয়। মেঘমুক্ত নিৰ্মল আকাশ, শীতল আৰু সুগন্ধি বতাহ, শৰতৰ মনোমোহা ৰাত্ৰি, প্ৰকৃতিৰ স্নিগ্ধতা আৰু প্ৰশান্তি, কৃষ্ণলীলাৰ সৈতে প্ৰকৃতিৰ সম্পৰ্ক তথা প্ৰকৃতিৰ মাজেৰে নৈতিক আৰু আধ্যাত্মিক ভাবৰ প্ৰকাশ-এইবোৰেই তেওঁৰ শৰতৰ প্ৰকৃতি-চিত্ৰায়ণৰ প্ৰধান উপাদান। এই উপাদানসমূহৰ মাজেৰে শংকৰদেৱে মানুহৰ অন্তৰৰ শুদ্ধতা, কৃষ্ণপ্ৰেমৰ মাধুৰ্য আৰু ভক্তিৰ মহিমা প্ৰকাশ কৰিছে। তেওঁৰ প্ৰকৃতি-বৰ্ণনাত দৃশ্যমান জগতৰ সৌন্দৰ্যই আধ্যাত্মিক অনুভূতিৰ সৈতে মিলিত হৈ এক গভীৰ কাব্যিক তাৎপৰ্য লাভ কৰিছে। সেয়েহে শংকৰদেৱৰ শৰতৰ বৰ্ণনা অসমীয়া সাহিত্যত প্ৰকৃতি-চিত্ৰায়ণ, ভক্তিৰস আৰু বৈষ্ণৱ ভাবধাৰাৰ এক উল্লেখযোগ্য নিদৰ্শন হিচাপে বিবেচিত হয়।

**ম'বাইল ঃ** ৬০০২১-৯৭১৮৭

# অনুভৱত জীৱন

■ পলী দেৱী

**জী**ৱনৰ প্ৰতিটো সময় আৰু সম্পৰ্কৰ
মূল্যবোধ যদি আমি সঠিকভাৱে অনুধাৱন
কৰিব পাৰো তেন্তে আমাৰ বাবে কঠিন বুলি
ভবা একো কামেই নাথাকিব।
প্ৰত্যেকজন মানুহৰে জীৱন দৰ্শন সুকীয়া
যদিও হৃদয়ৰ টানবোৰতো একেই থাকে ন।
কোনেওতো কাকো হিংসা নাইবা ক্ষতি
কৰিম বুলি জন্ম নলয়। কিছুমান ভুল কাম
পৰিৱেশৰ প্ৰভাৱত হয় আৰু কিছুমান নিজৰ
মনৰ অদমনীয় আকাংক্ষা বুলিও ক'ব পাৰি।
আচলতে আমি বহু মানুহে সময়ৰ সদ্
ব্যৱহাৰ খুউব কমেই জানো। আকৌ
জানিলেও চাগে আমি কৰিব নলগীয়া
কামবোৰত বেছি সময় দিও ,যাৰ পৰা লাভা-
লাভতকৈ ক্ষতি বেছি।
মানুহৰ জীৱনৰ প্ৰথম প্ৰয়োজনীয়তা
হ'ব লাগে নিজকে প্ৰতিষ্ঠা কৰা। নিজে
প্ৰতিষ্ঠিত হ'ব পাৰিলে কেতিয়াবা আপুনি
আৰু আন চাৰিজন মানুহকো সেই বাটে লৈ
যাব পাৰিব। আৰু যেতিয়া আমি কিছু
সদৰ্থক কামত নিজকে নিয়োজিত কৰি
ৰাখিম তেতিয়া অনাহক, অৰ্থহীন কামত
সময় খৰচ কৰিবলৈ সময়েই আমাক সুবিধা
নিদিব। 'খালী মগজু চয়তানৰ ঘৰ' বুলি যি
আপ্তবাক্য আছে সেয়া কিন্তু এশ শতাংশই
সচাঁ।
গতিকে জীৱনক গঢ় দিয়াৰ ভৰপক
সময়খিনি অবাৱত নষ্ট নকৰি ভৱিষ্যতৰ
পৃথিৱীখনত এজন সফল মানুহ হিচাপে
নিজকে চোৱাৰ দৃষ্টি ৰাখি আগবাঢ়ি গ'লে
নিশ্চয় আমাৰ মাজত থকা বেয়া কাম, বেয়া
চিন্তাবোৰ কিছু হ'লেও নোহোৱা হ'বলৈ
সক্ষম হ'ব।
অসময়ত নিজৰ মনলৈ অহা
সামঞ্জস্যহীন আকাংক্ষাবোৰ দমন কৰি
সঠিক সময়ৰ বাবে অপেক্ষা কৰিলে
প্ৰত্যেকজন মানুহেই এদিন নিশ্চয়
সফলতাৰে আকাশখন স্পৰ্শ কৰিব পাৰিব।
প্ৰত্যেকজন মানুহ যদি শিকাৰু হ'ব পাৰে,
মই-বৰ ভাবটো যদি মনৰ পৰা আঁতৰাব
পাৰে তেন্তে জীৱনটো সচাকৈয়ে সুন্দৰ হৈ
পৰাৰ থল থাকে।
জীৱনটো যিমান জটিলভাৱে আগুৱাই
লৈ গৈ থাকিব, সিমানেই এটাৰ পিছত
আনটো জটিলতাই আপোনাৰ পিছে পিছে
ঘূৰিব। তাতকৈ আমি কিয়নো নকৰো আমাৰ
এই ক্ষন্তেকীয়া জীৱনটোৰ গতিপথ সহজ -
সৰল আৰু মসৃণ।
ইয়াৰ বাবেচোন আমাৰ নিজৰ হাততেই
উপায় আছে।
কম আকাংক্ষা, কঠোৰ পৰিশ্ৰম,
অধ্যাৱসায়, মানসিক দৃঢ়তা আৰু সময়ৰ
সঠিক ব্যৱহাৰ। এইকেইটা যদি জীৱনৰ
একেডাল সৰলৰেখাতে অৱস্থান কৰে তেন্তে
মই ভাবো প্ৰত্যেকৰে জীৱনত সফলতা
অনিৰুদ্ধ গতিৰে প্ৰৱেশ কৰাটো নিশ্চিত।

# কাঠৰ প্ৰতিমাৰ খ্যাত পুৰণিগুদামত ১৪২ তম্ দুৰ্গোৎসৱৰ ব্যাপক প্ৰস্তুতি

**দিব্যজ্যোতি ভূঞা, পুৰণিগুদাম ঃ** অসমৰ ঐতিহ্য, শিল্প আৰু ধৰ্মীয় পৰম্পৰাৰ এক অনন্য সমন্বয়ৰ প্ৰতীক নগাঁও জিলাৰ পুৰণিগুদামৰ ঐতিহাসিক দুৰ্গোৎসৱে এইবেলি গৰকিছে গৌৰৱোজ্বল ১৪২ তম্ বৰ্ষ। ১৮৮৫ চনৰ পৰা নিৰৱচ্ছিন্নভাৱে উদ্‌যাপিত হৈ অহা এই দুৰ্গোৎসৱৰ অন্যতম প্ৰধান বৈশিষ্ট্য হৈছে পুৰণিগুদামৰ অমৰ শিল্পী লেশধৰ শৰ্মা ওৰফে লেৰেলা খনিকৰে সৃষ্টি কৰা বেল কাঠৰ দুৰ্গা প্ৰতিমা। ১৯০১ চনৰ পৰা অস্থায়ী মৃন্ময় প্ৰতিমাৰ পৰিৱৰ্তে লেশধৰ শৰ্মাৰ শিল্পীসত্তাৰ অনুপম নিদৰ্শন এই বেল কাঠৰ দুৰ্গা প্ৰতিমাতেই ক্ৰমাগতভাৱে পূজা-অৰ্চনা কৰি অহা হৈছে। বিগত ১২৪ বছৰে একেটি কাঠৰ প্ৰতিমাক কেন্দ্ৰ কৰি চলি অহা এই পূজা কেৱল পুৰণিগুদামৰে নহয়, সমগ্ৰ অসম তথা দেশৰ সাংস্কৃতিক ঐতিহ্যৰ এক উল্লেখযোগ্য নিদৰ্শন হিচাপে পৰিগণিত হৈছে। লেশধৰ শৰ্মা ওৰফে লেৰেলা খনিকৰৰ সৃষ্টিশীল প্ৰতিভাৰ এই অমৰ সৃষ্টি আজিও ভক্ত আৰু পৰ্যটকৰ বাবে বিশেষ আকৰ্ষণৰ কেন্দ্ৰবিন্দু। সময়ৰ সোঁতত বহু পৰিৱৰ্তন আহিলেও শতিকা অতিক্ৰম কৰা এই কাঠৰ প্ৰতিমাই পুৰণিগুদামৰ ঐতিহ্য, শিল্প-চেতনা আৰু ধৰ্মীয় বিশ্বাসৰ এক জীৱন্ত সাক্ষ্য বহন কৰি আহিছে।এই ঐতিহ্যক আগত ৰাখিয়েই বিগত বৰ্ষসমূহৰ দৰে এইবাৰো পুৰণিগুদামত ১৬ অক্টোবৰৰ পৰা ২১ অক্টোবৰলৈ শ্ৰীশ্ৰী দুৰ্গাপূজা আৰু উৎসৱ লগতে ২৬ অক্টোবৰত শ্ৰীশ্ৰী লক্ষ্মীপূজা আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। দুৰ্গোৎসৱখনি উদ্‌যাপন কৰিবৰ বাবে বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীক মুখ্য উপদেষ্টা তথা পুলিন হাজৰিকা, দুৰ্লভ শৰ্মা, মিন্টু শৰ্মা, প্ৰদীপ হাজৰিকা, দ্বীপেন বৈৰাগী, দীপক বৰঠাকুৰ আৰু মুকুল বেজবৰুৱাক উপদেষ্টা, যোগেন্দ্ৰ শৰ্মাক সভাপতি, প্ৰফুল্ল শইকীয়া, জ্যোতিৰ্ময় গোস্বামী আৰু ৰাজেন বেজবৰুৱাক উপ-সভাপতি, অতনু খাউণ্ডক সম্পাদক, ৰাতুল শৰ্মা, প্ৰাঞ্জল কটকী, গুণীন্দ্ৰ শৰ্মা, জ্যোতিস্মান শৰ্মা, যুগান্তৰ কাশ্যপ আৰু লাতু শইকীয়াক সহঃসম্পাদক আৰু ভূপাল চন্দ্ৰ বৰুৱা আৰু অনিল শৰ্মাক হিচাপ পৰীক্ষক হিচাপে লৈ এখন শক্তিশালী উদ্‌যাপন সমিতি গঠন কৰা হৈছে। শাৰদীয় দুৰ্গোৎসৱৰ কাৰ্যসূচী অনুসৰি ১৬ অক্টোবৰৰ পুৱা ৯ বজাৰ ভিতৰত শ্ৰীশ্ৰী দুৰ্গাদেৱীৰ ষষ্ঠাদি কল্পাৰম্ভ। সন্ধিয়া দেৱীৰ বোধন, আমন্ত্ৰণ আৰু অধিবাস। ১৭ অক্টোবৰৰ পুৱা ৫ বজাত দেৱীৰ নৱপত্ৰিকাৰ প্ৰৱেশ, স্থাপন আৰু সপ্তম্যাদি কল্পাৰম্ভ। সপ্তমী বিহিত পূজা আৰম্ভ। দুপৰীয়া ৰ বজাৰ পৰা মহাভোগ বিতৰণ। ১৮ অক্টোবৰৰ পুৱা ৬ বজাৰ ভিতৰত দেৱীৰ সপ্তমী অধিক পূজা আৰম্ভ। দুপৰীয়া ১ বজাৰ পৰা মহাভোগ বিতৰণ। ১৯ অক্টোবৰৰ পুৱা ৭-০৫ বজাৰ পৰা মহাঅষ্টমী বিহিত পূজা আৰম্ভ। পুৱা ৭-২৬ ৰ পৰা সন্ধি পূজা, তাৰ পাছত ভাগ বিতৰণ আৰু সন্ধিয়ালৈ সাংস্কৃতিক অনুষ্ঠান। ২০ অক্টোবৰৰ পুৱা ৫-৪৫ বজাত মহানৱমী বিহিত পূজা আৰম্ভ। পুৱা ১১ বজাৰ পৰা দেৱীৰ হোম আৰু কুমাৰী পূজা। দুপৰীয়া ৰ বজাৰ পৰা মহাভোগ বিতৰণ। ২১ অক্টোবৰৰ পুৱা ৮-৩১ বজাৰ ভিতৰত দশমী বিহিত পূজা, বিসৰ্জন, অপৰাজিতা পূজা, বলয় ধাৰণ, মহাশান্তি আৰু নিৰ্মালী প্ৰদান। পুৱা ১১-৩০ বজাৰ পৰা লঘু আহাৰ বিতৰণ। উল্লেখযোগ্য যে, ২৬ অক্টোবৰত শ্ৰীশ্ৰীলক্ষ্মী দেৱীৰ পূজা উদ্‌যাপন কৰা হ'ব। শাৰদীয় দুৰ্গোৎসৱৰ সমূহ কাৰ্যসূচীতেই ভক্তপ্ৰাণ ৰাইজৰ প্ৰত্যক্ষ সহায় সহযোগিতা আৰু উৎসাহ উদ্দীপনা পুৰণিগুদাম কাঠৰ প্ৰতিমাখ্যাত দুৰ্গোৎসৱ উদ্‌যাপন সমিতিয়ে একান্তভাৱে কামনা কৰিছে।

# ৰূপানন্দ নাথৰ 'বাস্তুশাস্ত্ৰ আৰু সপোনৰ ঘৰ'ৰ হিন্দী সংস্কৰণ উন্মোচন




**নৱজ্যোতি ভূঞা, ৰহা ঃ** বিশিষ্ট জ্যোতিষবিদ, বাস্তুশাস্ত্ৰবিদ তথা লেখক ৰহাৰ ৰূপানন্দ নাথৰ গ্ৰন্থ 'বাস্তুশাস্ত্ৰ আৰু সপোনৰ ঘৰ'ৰ দ্বিতীয় খণ্ডৰ হিন্দী সংস্কৰণ "वास्तु शास्त्र और सपनों का घर' ' ১৯ ছেপ্টেম্বৰত উন্মোচন কৰা হয়। ১৯ আৰু ২০ ছেপ্টেম্বৰত 'মা অষ্টভূজী ৰাষ্ট্ৰীয় ধৰ্ম জ্যোতিষ কেন্দ্ৰ'ৰ উদ্যোগত উত্তৰ প্ৰদেশৰ লক্ষ্মৌস্থিত ভাটখাণ্ডে সংস্কৃতি বিশ্ববিদ্যালয়ৰ ৰায় উমানাথ বালী প্ৰেক্ষাগৃহত অনুষ্ঠিত ৰাষ্ট্ৰীয় ধৰ্ম জ্যোতিষ সন্মিলনত গ্ৰন্থখন উন্মোচন কৰা হয়। গ্ৰন্থ উন্মোচনী অনুষ্ঠানত উত্তৰ প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী ব্ৰজেশ পাঠক মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে উত্তৰ প্ৰদেশ বিধান পৰিষদৰ প্ৰাক্তন সদস্য অৰবিন্দ কুমাৰ ত্ৰিপাঠী, মা অষ্টভূজী ৰাষ্ট্ৰীয় ধৰ্ম জ্যোতিষ কেন্দ্ৰৰ প্ৰতিষ্ঠাপক সঞ্চালক ড° ৰজনী অৱস্থী, দৈৱজ্ঞ পণ্ডিত খৰ্ভুকান্ত গোস্বামী, আন্তঃৰাষ্ট্ৰীয় লাল কিতাব বিশেষজ্ঞ ড° এইচ. এইচ. ভাৰত, ধৰ্মগুৰু যোগসিদ্ধ গুৰু মা চেতনা, ড° পুনম শৰ্মাকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত লেখক ৰূপানন্দ নাথে পৰম্পৰাগত বাস্তুজ্ঞানক আধুনিক আৰু ব্যৱহাৰিক দৃষ্টিভংগীৰে পাঠকৰ মাজলৈ লৈ যোৱা আৰু ঘৰ নিৰ্মাণ, গৃহ পৰিকল্পনা তথা বাস্তুৰ বিভিন্ন দিশ সম্পৰ্কে সাধাৰণ পাঠকেও যাতে সহজে বুজিব পাৰে, সেই উদ্দেশ্যেই গ্ৰন্থখন প্ৰস্তুত কৰা বুলি কয়। উল্লেখযোগ্য যে, গ্ৰন্থখনত বাস্তুশাস্ত্ৰ, গৃহ নিৰ্মাণ তথা সুখী আৰু সুসমৃদ্ধ গৃহজীৱনৰ সৈতে জড়িত বিভিন্ন বিষয় সহজ আৰু ব্যৱহাৰিকভাৱে উপস্থাপন কৰা হৈছে। অনুষ্ঠানতে জ্যোতিষবিদ ৰূপানন্দ নাথক 'জ্যোতিষ মহাউপাধ্যায়' সন্মানো প্ৰদান কৰা হয়।

# সদৌ বংশৰত দুৰ্গা পূজাৰ আয়োজন

## তিনিখনকৈ পূৰ্ণাংগ নাটক মঞ্চস্থ হ'ব

**ৰমেন ভৰালী, বংশৰ ঃ** ১৯৯১ খ্ৰীষ্টাব্দত পৰা সদৌ বংশৰবাসী ৰাইজে শক্তিৰ অধিষ্ঠিত্ৰী শ্ৰীশ্ৰী দুৰ্গা দেৱীৰ পূজাভাগ কৰি আহি এইবেলি ৩৬ সংখ্যক বৰ্ষত ভৰি দিছেহি। শক্তি পূজাৰ জৰিয়তে আমাৰ সমাজৰ পৰা অপশক্তি, অসূয়া, অপ্ৰীতি বিনাশ হৈ আমাৰ মাজত গঢ়ি উঠিব শান্তি আৰু সমৃদ্ধিৰ এক সুস্থ পৰিৱেশ। নতুনত্বৰ জোৱাৰে জীপাল কৰিব সকলোৰে হৃদয়বোৰ, গঢ়ি উঠিব ভালপোৱাৰ সংস্কৃতি। অহা ১৬ অক্টোবৰৰ পৰা ২১ অক্টোবৰলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে সদৌ বংশৰ সাৰ্বজনীন শাৰদীয় শ্ৰীশ্ৰীদুৰ্গা পূজা সমিতিয়ে শক্তিৰ অধিষ্ঠিত্ৰী মা শ্ৰীশ্ৰী দুৰ্গা দেৱীৰ শ্ৰীচৰণত সদৌ বংশৰবাসী ৰাইজে পূজা-অৰ্চনাৰ মানস কৰিছে।

ইতিমধ্যে পূজা পৰিচালনা কৰাৰ বাবে দীনেশ মালাকাৰক সভাপতি, মনোৰঞ্জন বৈশ্যক উপ-সভাপতি, ৰাতুল কলিতাক সম্পাদক, বিৰাজ দাসক সহকাৰী সম্পাদক, দিগম্বৰ দাসক বিত্ত সম্পাদক, ক্ষিৰোদ বৈশ্যক কোষাধ্যক্ষ, ৰমেন ভৰালীক শোভাযাত্ৰাৰ সভাপতি হিচাপে লৈ এখন শক্তিশালী সমিতি গঠন কৰা হৈছে। সদৌ বংশৰ সাৰ্বজনীন শাৰদীয় শ্ৰীশ্ৰী দুৰ্গা পূজা সমিতিৰ কাৰ্যসূচী অনুসৰি ১৬ অক্টোবৰত পুৱা ৮ বজাত ৩৬ সংখ্যক সদৌ বংশৰ সাৰ্বজনীন শাৰদীয় শ্ৰীশ্ৰী দুৰ্গা পূজা সমিতিৰ সভাপতি দীনেশ মালাকাৰে পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰিব, বিয়লি ২ বজাত সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব ৩৬ সংখ্যক সদৌ বংশৰ সাৰ্বজনীন শাৰদীয় শ্ৰীশ্ৰী দুৰ্গা পূজা সমিতিৰ শোভাযাত্ৰাৰ সভাপতি ৰমেন ভৰালীয়ে, সন্ধিয়া ৬.৩০ বজাত শ্ৰীশ্ৰী দুৰ্গা দেৱীৰ আমন্ত্ৰণ আৰু অধিবাস, সন্ধিয়া ৭ বজাত ৰাজহুৱা বন্তি প্ৰজ্বলন কাৰ্যসূচী শুভাৰম্ভ কৰিব অসমৰ মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে, ১৭ অক্টোবৰত পুৱা আইসকলৰ পানী তোলন, দেৱীৰ নৱ পত্ৰিকা স্নান, প্ৰৱেশ, স্থাপন, সপ্তমী বিহিত পূজাৰম্ভ, আইসকলৰ নাম প্ৰসংগ, দুপৰীয়া ৰাজহুৱা স্তৱ পাঠ, পুষ্পাঞ্জলি প্ৰদান আৰু প্ৰসাদ বিতৰণ, বিয়লি ওজাপালি পৰিৱেশন, সন্ধিয়া ৰাজহুৱা বন্তি প্ৰজ্বলন আৰু আৰতি আৰু নিশা ৯.০০ বজাত সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব হাজো শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে। ১৮ অক্টোবৰত পুৱা সপ্তমী পূজা (বৰ্দ্ধিত), পুৱা আইসকলৰ নাম-প্ৰসংগ, পুষ্পাঞ্জলি প্ৰদান আৰু প্ৰসাদ বিতৰণ আৰু ওজাপালি পৰিৱেশন, বিয়লি দেৱীৰ ৰাজহুৱা ভোগ বিতৰণ, সন্ধিয়া ৰাজহুৱা বন্তি প্ৰজ্বলন আৰু আৰতি আৰু নিশা ১০ বজাত হৰিহৰ নাট্য গোষ্ঠী, বংশৰ (বেলৰতল)ৰ দ্বাৰা নাট্যাভিনয়। ১৯ অক্টোবৰত আই সকলৰ পানী তোলন, মহাষ্টমী বিহিত পূজাৰম্ভ, পুৱা ৭.২৫ বজাত সন্ধি পূজা আৰম্ভ, পুৱা ৮.১৩ বজাত সন্ধি পূজা সমাপন, আইসকলৰ নাম প্ৰসংগ, দুপৰীয়া ৰাজহুৱা স্তৱ পাঠ, পুষ্পাঞ্জলি প্ৰদান আৰু প্ৰসাদ বিতৰণ, বিয়লি ৩ বজাত ওজাপালি পৰিৱেশন, সন্ধিয়া ৰাজহুৱা বন্তি প্ৰজ্বলন আৰু আৰতি আৰু নিশা ১০ বজাত বংশৰ বাপুজী স্মৃতি পুথিভঁৰালৰ দ্বাৰা নাট্যাভিনয়। ২০ অক্টোবৰত পুৱা আইসকলৰ পানী তোলন, পুৱা মহানৱমী পূজা, পুৱা আইসকলৰ নাম-প্ৰসংগ, হোমাদিকৃত্য, মহাশান্তি, স্তৱ পাঠ আৰু পুষ্পাঞ্জলি প্ৰদান, প্ৰসাদ বিতৰণ আৰু ওজাপালি পৰিৱেশন, বিয়লি দেৱীৰ ৰাজহুৱা ভোগ বিতৰণ, সন্ধিয়া ৰাজহুৱা বন্তি প্ৰজ্বলন আৰু আৰতি আৰু নিশা ১০ বজাত শ্ৰীশ্ৰী কৃষ্ণ নাট্য গোষ্ঠী, আমবাড়ীৰ দ্বাৰা নাট্যাভিনয়। ২১ অক্টোবৰত পুৱা দশমী বিহিত পূজাৰম্ভ আৰু দেৱীৰ ঘট বিসৰ্জন, অপৰাজিতা পূজা, বিয়লি দেৱীৰ প্ৰতিমা লৈ শোভাযাত্ৰা আৰু প্ৰতিমা বিসৰ্জন দিব বুলি সদৌ বংশৰ সাৰ্বজনীন শাৰদীয় শ্ৰীশ্ৰী দুৰ্গা পূজা সমিতিৰ সম্পাদক ৰাতুল কলিতাই জনাইছে। ইফালে ঐতিহাসিক বংশৰ শ্ৰীশ্ৰী ভূংগেশ্বৰ দেৱালয়ত আহোম যুগৰ পৰা অনুষ্ঠিত কৰি অহা দুৰ্গা পূজা এইবেলিও শক্তিপীঠ শ্ৰীশ্ৰী ভূংগেশ্বৰ দেৱালয়ত ব্যাপক আয়োজনৰে অনুষ্ঠিত কৰিব বুলি দেৱালয় পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি ৰমেশ দাস আৰু মন্দিৰৰ দলৈ দ্বিজেন শৰ্মাই জনাইছে।

# জাগাৰাত ৪৫ সংখ্যক শ্ৰীশ্ৰীদুৰ্গাপূজাৰ ব্যাপক প্ৰস্তুতি

**নগেন তালুকদাৰ, নলবাৰী ঃ** নলবাৰী জিলাৰ জাগাৰাত অহা ১৬ অক্টোবৰৰ পৰা ২১ অক্টোবৰ পৰ্যন্ত বিস্তৃত কাৰ্যসূচীৰে ৪৫ সংখ্যক শ্ৰীশ্ৰীদুৰ্গাপূজা মহোৎসৱ উদ্‌যাপনৰ প্ৰস্তুতি চলোৱা হৈছে। জাগাৰা সাৰ্বজনীন দুৰ্গাপূজা সমিতিৰ উদ্যোগত আয়োজিত এই বৰ্ষৰ কাৰ্যসূচী অনুসৰি ১৬ অক্টোবৰৰ ৰাতিপুৱা ৭.৩০ বজাত পৰিৱেশ প্ৰস্তুতি। ৭.৪৫ বজাত বন্তি প্ৰজ্বলন, মঙ্গলাচৰণম্। ৮.০০ বজাত ধৰ্মধ্বজা উত্তোলন। ৮.৩০ বজাত কাৰ্যালয় উদ্বোধন। ৮.৪৫ বজাত শ্ৰীশ্ৰীদুৰ্গা পূজাৰ লগত নিবিড়ভাৱে জড়িত হৈ বৈকুণ্ঠধামলৈ গতি কৰা মহান পুন্যাত্মাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। ৯.০০ বজাত শাৰদীয় শ্ৰীশ্ৰীদুৰ্গাদেৱীৰ ষষ্ঠাদি কল্পাৰম্ভ আৰু ষষ্ঠীৰ বিহিত পূজা প্ৰশস্তা। ১০.০০ বজাত গছপুলি ৰোপণ। আবেলি ৪.০০ বজাত আমন্ত্ৰিত আয়তী নামদলৰ দ্বাৰা নাম প্ৰসংগ। ৪.৩০ বজাত আতচ্‌বাজী প্ৰদৰ্শন। সন্ধিয়া ৫.০০ বজাত দুৰ্গাদেৱীৰ ষষ্ঠাদি কল্পাৰম্ভ, আমন্ত্ৰণ, বোধন অধিবাস। ৫.৩০ বজাত ওজাপালিৰ দেৱী বন্দনা। ৬.০০ বজাত বন্তি প্ৰজ্বলন। ৬.৩০ বজাত এককভাৱে দেৱী বন্দনা প্ৰতিযোগিতা ৫০/-টকা ভৰ্তি মাচুল ধাৰ্য্য কৰা এই প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ৭০১/- টকা আৰু দ্বিতীয় পুৰস্কাৰ ৫০১/-টকা। ১৭ অক্টোবৰৰ ৰাতিপুৱা ৮.১৫ বজাত দুৰ্গাদেৱীৰ নৱপত্ৰিকা প্ৰৱেশ, সপ্তমাদি কল্পাৰম্ভ, দেৱীৰ কালৰাত্ৰি ৰূপত পূজা আৰম্ভ। ৯.৩০ বজাত আমন্ত্ৰিত আয়তী নাম দলৰ দ্বাৰা নাম প্ৰসংগ। দিনৰ ১.০০ বজাত শান্তি, পুষ্পাঞ্জলি, স্ত্ৰোত্ৰপাঠ, নিৰ্মালী আৰু প্ৰসাদ বিতৰণ। আবেলি ৪.০০ বজাত ওজাপালিৰ দ্বাৰা দেৱী বন্দনা। সন্ধিয়া ৬.০০ বজাত আৰতি প্ৰদান। ৬.১৫ বজাত আতচ্‌বাজী প্ৰদৰ্শন। ৬.৩০ বজাত বন্তি প্ৰজ্বলন। ৭.৩০ বজাত পাইকান বনমাজাৰ 'শিৰোমণি মহিলা থিয় নাম দল'ৰ পাঠিকা পূৰ্ণিমা হালৈৰ দলৰ দ্বাৰা থিয় নাম পৰিৱেশন। ১৮ অক্টোবৰৰ ৰাতিপুৱা ৬.০০ বজাত দেৱীৰ সপ্তমীৰ অধিক পূজা প্ৰশস্তা। ৰাতি ১০.৫৯ৰ পৰা ১১.৪৭ৰ ভিতৰত অৰ্ধৰাত্ৰি পূজা। ৯.৩০ বজাত আমন্ত্ৰিত আয়তী নামদলৰ দ্বাৰা নাম প্ৰসংগ। দিনৰ ১২.৩০ বজাত শান্তি , পুষ্পাঞ্জলি, স্ত্ৰোত্ৰপাঠ, নিৰ্মালী আৰুপ্ৰসাদ বিতৰণ। আবেলি ৪.০০ বজাত ওজাপালি দলৰ দ্বাৰা দেৱী বন্দনা। সন্ধিয়া ৬.০০ বজাত আৰতি প্ৰদান। ৬.১৫ বজাত আতচ্‌বাজী প্ৰদৰ্শন। ৬.৩০ বজাত বন্তি প্ৰজ্বলন। ৭.৩০ বজাত বেলশৰৰ 'মা কুসুম মিনি থিয়েটাৰ' দ্বাৰা নাট্যাভিনয়। ১৯ অক্টোবৰৰ ৰাতিপুৱা দেৱীৰ অষ্টম্যাদি কল্পাৰম্ভ আৰু অষ্টমীৰ বিহিত পূজা প্ৰশস্তা, দেৱীৰ মহাগৌৰী ৰূপত পূজা আৰম্ভ। ৭.২৬ বজাৰ পৰা সন্ধি পূজা আৰম্ভ। ৮.১৪ বজাত সন্ধি পূজা সমাপণ। ৯.৩০ বজাত আমন্ত্ৰিত আয়তী নামদলৰ দ্বাৰা নাম প্ৰসংগ। দুপৰীয়া ২.০০ বজাত ৰাজহুৱা ভোগ বিতৰণ। আবেলি ওজাপালি দলৰ দ্বাৰা দেৱী বন্দনা। সন্ধিয়া আৰতি প্ৰদান, আতচ্‌বাজী প্ৰদৰ্শন আৰু বন্তি প্ৰজ্বলন। নিশা ৮.৩০ বজাত সাংস্কৃতিক অনুষ্ঠান। সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ কণ্ঠশিল্পী মাধৱ জ্যোতি ৰাজখোৱা আৰু মুনমী দাসৰ গীতৰ শৰাই। ২০ অক্টোবৰৰ ৰাতিপুৱা ৫.৪৫ বজাত কেৱল মহানৱমীৰ কল্পাৰম্ভ আৰু নৱমীৰ বিহিত পূজা প্ৰশস্তা। দেৱীৰ সিদ্ধিদাত্ৰী ৰূপত মহানৱমী পূজা আৰম্ভ।

## শৰতৰ শেৱালি

**উৰিশ্মা নাথ**

আহিনৰ আঁচল উৰুৱাই
ঋতুৰাণী শৰত আহিছে উজাই;
শাৰদীয় আকাশত ৰূপালী জোনে
সিঁচিছে ৰূপোৱালী জোনাক...।
নিশাৰ নিস্তব্ধ বুকুত নিঃশব্দে বাজিছে
প্ৰকৃতিৰ প্ৰেমৰ মধুৰ আলাপ।
জোনাকৰ ৰূপালী আভা নেওচি
মোৰ মন আজি শেৱালিমুখী,
নিয়ৰৰ মুকুতাত স্নান কৰি জিলিকিছে
শুভ্ৰ পাহিৰ স্নিগ্ধ হাঁহিটি।
শৰতৰ কোলাত শেৱালি ফুলিছে,
সুবাসেৰে উপচিছে ধৰণীৰ বুকু,
নিশাৰ কোমল পৰশত জাগি উঠিছে
হৃদয়ৰ নিভৃত কোণত অলেখ সপোন।
নীৰৱ নিশাৰ বুকুত সুবাস বিলাই
শেৱালিয়ে লিখিছে প্ৰেমৰ পাণ্ডুলিপি,
নিয়ৰৰ মুকুতাৰে নিজকে সজাই
বিলাইছে অনুভৱৰ সঞ্চিত সুবাস।
কুঁৱলীৰ কোমল ওৰণি গাত মেৰিয়াই
শেৱালি ৰাণী নামিছে ধৰালৈ,
পুৱাৰ মলয়াই মৰমেৰে সাৱটি
তাইৰ সুবাস বিলাইছে দিশে দিশে।
সেউজীয়া চোলা পিন্ধি,
নিয়ৰত তিতা দুবৰিৰ দলিচাই
শৰত অহাৰ মধুৰ বতৰা আনিছে,
সৰি পৰা শেৱালিৰ প্ৰতিটো পাহিয়ে
নীৰৱ প্ৰেমৰ কাহিনী লিখি গৈছে চৌদিশে।
হে শৰতৰ শুভ্ৰ শেৱালি,
তুমি প্ৰকৃতিৰ বুকুৰ অনুপম উপহাৰ,
ক্ষণস্থায়ী জীৱনৰ মায়াময় বাটত
তুমি সৌন্দৰ্যৰ চিৰন্তন সম্ভাৰ।
সৰি পৰিলেও নেহেৰুৱা সুবাস,
ম্লান নহয় তোমাৰ ৰূপৰ মায়া,
নীৰৱে শিকোৱা জীৱনৰ সত্য;
ক্ষণিক জীৱনতো সৌন্দৰ্যৰ জয়গাথাঁ।
যুগে যুগে শৰতৰ স্নিগ্ধ প্ৰভাতত
তোমাৰ সুবাসেৰে ভৰি পৰক ধৰণীৰ বুকু,
তোমাৰ শুভ্ৰতাত প্ৰেমৰ জ্যোতি জ্বলক,
তোমাৰ সুবাসত জীৱন হওক মধুময়।

## জোনৰ মুখত হাঁহি

**দীপজ্যোতি পৰাশৰ**
বাইহাটা চাৰিআলি

স্বৰগত টোপনি যোৱা
জোনৰ মুখখনিত
আছে দেখোন জোনালীৰ হাঁহি........
সেই জোনালীৰ হাঁহিয়ে
দিব আকাশত
আমনি নলগা
মন পৰশা
হিয়াৰ ধেমালি.......
সেই ধেমালিতে
অতিষ্ঠ হৈ
পাহৰি পেলাম
জীৱনৰ ভালনলগা
আউল লগা ক্ষণবোৰক।

**ম'বাইল ঃ** ৯৩৯৪৩-০৫৩৩০



## ঠোৰা

**মুকুল জয়ন্ত**

টাটকা বুলি
আলু-পিয়াজ
বাহী হ'ল খাৰুপেটীয়াত
আঢ়ৈ কুৰি,
হেস্কেলিয়াই
নিউজ চেনেলৰ
মুনাফাৰ তামাচা।

## এনেকৈয়ে আহে শৰৎ

**বিনিতা কলিতা**
গুৱাহাটী

শাওণৰ চকুলো মচি
ভাদৰ আকাশৰ চঞ্চল মেঘ আঁতৰাই
আহিনে শেৱালিৰ সুৱাস লৈ
শৰতক আনিলে আদৰি লাহেকৈ-
কহুঁৱাডৰাই হালি-জালি
নাচিছে নৈৰ পাৰত
শুকুলা মেঘে ধৰাখনি
ঢাকি ধৰিছে।
ডাৱৰে ঢাকি ধৰা গগনখনিও
ধীৰে ধীৰে ফৰকাল হ'ল।
বৰষাৰ শেষত ধৰিত্ৰীয়েও
সাজু পিন্ধিবলৈ শাৰদীয় সাজ-
ধাননি ডৰাইও মাৰিছে
সেউজীয়া হাঁহি।
শৰৎ মানেই আনন্দ উল্লাস
শৰৎ মানেই আশাৰ বতৰা
শৰৎ মানেই দুবৰিত দলিচা পাৰি
নিয়ৰৰ হাঁহি।
এনেকৈয়ে আহে শৰৎ।
সকলোকে ৰঙীন কৰিবলৈ।
শৰৎ আহে
শান্তি বিলাবলৈ
শৰৎ মোৰ বাবে
এজাক ভালপোৱাৰ বতাহ।

## অশ্ৰুক্লান্ত ব্ৰহ্ম

**শতাব্দী শৰ্মা**
আমোলাপট্টি, নগাঁও

চৰাইদেউৰ হৃদয়ত অক্লান্ত প্ৰবাহ
স্থাৰকৰ দলৰ চক্ৰান্তত গতিৰ নিৰ্যাস।
গঠন বৰ্ণনাৰ অৰক্ষয় হেতু,
হিমালয়ৰ পাদদেশত অক্ষমণীয় অপৰাধ।
আমাজন বৰ্ষাৰণ্যৰ প্ৰান্তীয় বক্ষত,
কোনোবা বিষম দেশৰ অসমীয়াই
ভৈৰৱী ৰাগ টানে।
এশ বছৰৰ সীমা অতিক্ৰম কৰি,
কোনোবা ককাইদেউতাৰ বগা পাঞ্জাৰী
নীলা হৈ পৰে।
ৰণুৱা হালোৱা অচিনাকি চিনাকি
একতাক ফৰিং ছিটিকা দি,
নিঃশব্দে সমালোচনা চলে
ভিক্ষাৰীৰ বেশত ঠগে শেষ কৰে দেশ,
বক্ষত ভীম পিছে মুখত দুঃশাসন ,
ঘৃণনীয় টোগলকী কাণ্ডত ৰাজপথো হয়
ঠিক কৈকেয়ীৰ দৰে।

**ম'বাইল ঃ** ৬৯০১১-৫২৪২৯

## শাৰদীয় ঋতু

**জ্যোৎস্না ৰাণী বেগম**
পাঞ্জাবাৰী

তোমাৰ চাদৰৰ আঁচলত কঢ়িয়াই আনিছা
আহিনৰ সেমেকা বতাহ জাক
মোৰ চকুলোৰ দুখৰ কাজল মচিবলৈ
দোভাগ ৰাতি শেৱালিৰ সুবাস
খিৰিকী কোৱাই সোমাই আহি
মোৰ বিচনাতে বহে
আহিনিয়া পথৰুৱা পকা গোন্ধ
এটাই নাকত লাগি ধৰে
পাগলাদিয়া নৈৰ পাৰত
চেওধৰি নাছে কহুৱা ফুলে
কথাৰ মহলা মাৰি কোনোবা
প্ৰেমিক যুগলে ৰাতি পুৱাই
আদৰসনা ওঠৰ কঁপনি
আকাশত জোনাক ফুলে
জিলিৰ মেহফিলত সুৰ হৈ বাজে
শাৰদী বতাহ এচাটি দেহৰ মাজত
কুৰুকি কুৰুকি সোমাই আহে।।

**ম'বাইল ঃ** ৭৪৮৬০-৩৭৮৭৬

# সাংবাদিকতা বিষয়ক ফেল'শ্বিপৰ বাবে পৰেশ বৈশ্য ফাউণ্ডেচনৰ আবেদন আহ্বান

**গুৱাহাটী ঃ** সাংবাদিকতা আৰু শিক্ষাৰ উত্তৰণৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেচনে সাংবাদিকতা বিষয়ত গৱেষণাধৰ্মী পাণ্ডুলিপি প্ৰস্তুতৰ ফেল'শ্বিপ ঘোষণা কৰিছে। ২০২৬-২৭ বৰ্ষৰ পাণ্ডুলিপিৰ বিষয় হ'ল 'অসমীয়া দৈনিক বাতৰি কাকতৰ ইতিহাস আৰু ইয়াৰ অৱদান'। পাণ্ডুলিপি অসমীয়া বা ইংৰাজী ভাষাত লিখা হ'ব লাগিব। এই ফেল'শ্বিপৰ বাবে আবেদন কৰাসকলে আবেদনৰ লগত এতিয়ালৈকে অসমৰ পৰা প্ৰকাশিত অসমীয়া দৈনিক বাতৰি কাকতৰ যথাসম্ভৱ সম্পূৰ্ণ তালিকাসহ বিষয়বস্তুৰ এটি সংক্ষিপ্তসাৰ প্ৰস্তুত কৰি পঠিয়াব লাগিব। ইতিমধ্যে প্ৰকাশ বন্ধ হোৱা অসমীয়া দৈনিক কাকতৰ তথ্যও এই পাণ্ডুলিপিত সন্নিৱিষ্ট কৰিব লাগিব। পাণ্ডুলিপি প্ৰস্তুত কৰোঁতে অসমীয়া কাকতৰ প্ৰকাশ কাল, প্ৰতিষ্ঠাপক সম্পাদক, প্ৰকাশৰ স্থান, কাকতখনৰ চমু ইতিহাস, অসমৰ জাতীয় জীৱনলৈ অৱদান আদি আলোচনা কৰিব লাগিব। অধিক সংখ্যক অসমীয়া দৈনিক কাকতক সামৰি সংক্ষিপ্তসাৰ প্ৰস্তুত কৰা আবেদনকাৰীক এই ফেল'শ্বিপৰ বাবে নিৰ্বাচিত কৰা হ'ব। আবেদনকাৰীসকলৰ মাজৰ পৰা এজনক এই ফেল'শ্বিপৰ বাবে নিৰ্বাচিত কৰা হ'ব। আবেদনৰ লগত আবেদনকাৰীয়ে নিজৰ সম্পূৰ্ণ নাম, ঠিকনা, ই-মেইল, ম'বাইল নম্বৰ, আৰু একপি পাছপ'ৰ্ট আৰ্হিৰ ফটো পঠিয়াব লাগিব। সাংবাদিকৰ লগতে গৱেষণাধৰ্মী কামৰ সৈতে জড়িত আৰু বিষয়বস্তুৰ সম্পৰ্কে অধ্যয়ন থকা যিকোনো ব্যক্তিয়ে আবেদন কৰিব পাৰিব। ফেল'শ্বিপৰ বাবে নিৰ্বাচিত জনক মুঠ বিশ হাজাৰ টকা ফেলশ্বিপ হিচাপে দিয়া হ'ব। নিৰ্বাচিতজনে ছমাহৰ ভিতৰত দাখিল কৰিব লাগিব চূড়ান্ত পাণ্ডুলিপি। চূড়ান্ত পাণ্ডুলিপি প্ৰয়োজনীয় সংশোধনী সাপেক্ষে ন্যাসে ছপা কৰাৰ কৰ্তৃত্ব থাকিব। ইচ্ছুকসকল উক্ত ফেল'শ্বিপৰ বাবে আবেদনসমূহ অহা ৩১ ডিচেম্বৰৰ ভিতৰত পোৱাকৈ প্ৰেৰণ কৰিবলৈ জনোৱা হৈছে। আবেদন পঠিওৱা ঠিকনা: পৰেশ বৈশ্য, পৰিচালন ন্যাসৰক্ষী, পৰেশ বৈশ্য ফাউণ্ডেচন, গৃহ নম্বৰ -৫, হাউছফেড হাউছিং কমপ্লেক্স, পশ্চিম বৰাগাঁও, ডাক ঃ গড়চুক, গুৱাহাটী -৭৮১০৩৫, কামৰূপ (মহানগৰ)। ম'বাইল নম্বৰ ঃ ৯৮৫৯২-৬৩৯৭৩। ই-মেইল ঃ baishyaparesh5@gmail.com

# আলিটাঙনী হাইস্কুলৰ প্ৰতিষ্ঠাপক শিক্ষক নজমুল ইছলামক বিদায় সম্বৰ্ধনা



**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ আলিটাঙনী হাইস্কুলৰ প্ৰতিষ্ঠাপক শিক্ষক নজমুল ইছলামক তেওঁ চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰা হেতু শনিবাৰে বিদ্যালয়ৰ তৰফৰ পৰা আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে বিদ্যালয়খনৰ প্ৰধান শিক্ষক মৌলানা আবুল বাশ্বাৰ মাহমুদৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বিদায় সম্বৰ্ধনা সভাখনিত সদ্য অৱসৰী শিক্ষকগৰাকীক প্ৰশস্তি-পত্ৰ, ফুলৰ থোপা, ছাতি, ফুলাম গামোচা আৰু জাপিৰে সম্বৰ্ধনা জনোৱা হয়। এক আৱেগিক পৰিৱেশত সম্বৰ্ধনা গ্ৰহণ কৰি অৱসৰী শিক্ষক নজমুল ইছলামে প্ৰদান কৰা নিজৰ ভাষণত ছাত্ৰ-ছাত্ৰীসকলক একাগ্ৰতাৰে পঢ়াশুনা কৰি জীৱনৰ বাটত আগবাঢ়ি যাবলৈ আহ্বান জনায়। গাম্ভীৰ্যপূৰ্ণ সভাখনিত কেইবাগৰাকীও বিশিষ্ট নাগৰিক, শিক্ষাবিদ, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকি নজমুল ইছলামৰ কৰ্মজীৱনৰ বিষয়ে আলোকপাত কৰি তেওঁ সমাজলৈ আগবঢ়োৱা অৱদানৰ কথা গভীৰভাবে স্মৰণ কৰে। উল্লেখ্য যে, সুদীৰ্ঘ ৪০ বছৰ ধৰি শিক্ষকতাৰে বিদ্যালয়খনৰ শৈক্ষিক উত্তৰণৰ লগতে অঞ্চলটোত সুস্থ শৈক্ষিক পৰিৱেশ গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা নজমুল ইছলামে যোৱা ৩০ ছেপ্টেম্বৰত চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল।

# নাজিৰা লিগিৰিপুখুৰীৰ কেচিএইচ-এছডিচিৰ নতুন ভৱনত সম্প্ৰসাৰিত ডায়েলাইছিছ কেন্দ্ৰ উদ্বোধন




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলাৰ লিগিৰিপুখুৰীৰ কেচিএইচ-এছডিচিৰ নৱ-নিৰ্মিত ভৱনত ১২ অক্টোবৰত এটা সম্প্ৰসাৰিত ডায়েলাইছিছ কেন্দ্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। উক্ত কেন্দ্ৰটো নাজিৰা বিধানসভা সমষ্টিৰ বিধায়ক ময়ূৰ বৰগোহাঁইয়ে উদ্বোধন কৰে। উল্লেখযোগ্য যে, এই কেন্দ্ৰ স্থাপনৰ ফলত অঞ্চলটোৰ বৃক্ক ৰোগীসকলে চিকিৎসা সেৱা লাভৰ ক্ষেত্ৰত সহায় হোৱাৰ লগতে ডায়েলাইছিছৰ বাবে দূৰলৈ যাবলগীয়া হোৱা ৰোগীসকলৰ অসুবিধা কিছু পৰিমাণে হ্ৰাস পাব বুলি আশা কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত চিকিৎসক, স্বাস্থ্যকৰ্মী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। বিধায়ক বৰগোহাঁইয়ে স্বাস্থ্য সেৱা উন্নত কৰাৰ ক্ষেত্ৰত এনে পদক্ষেপৰ গুৰুত্বৰ কথা উল্লেখ কৰে। লগতে তেওঁ কেন্দ্ৰটো ৰোগীসকলৰ বাবে উপযোগী আৰু সুলভভাৱে পৰিচালনা কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। আনহাতে কেচিএইচ-এছডিচিৰ নতুন ভৱনত কেন্দ্ৰটো আৰম্ভ হোৱাত স্থানীয় ৰাইজে সন্তুষ্টি প্ৰকাশ কৰে। স্বাস্থ্য বিভাগৰ কৰ্মচাৰীসকলেও কেন্দ্ৰটোৰ সেৱা সুচাৰুৰূপে চলোৱাৰ বাবে প্ৰস্তুতি গ্ৰহণ কৰিছে। জানিব পৰা মতে, কেন্দ্ৰটোত প্ৰয়োজনীয় চিকিৎসা সেৱা আৰু সা-সুবিধা উপলব্ধ কৰাৰ ব্যৱস্থা কৰা হৈছে। ডায়েলাইছিছ হৈছে বৃক্কৰ কাৰ্যক্ষমতা হ্ৰাস পোৱা ৰোগীৰ বাবে এক গুৰুত্বপূৰ্ণ চিকিৎসা পদ্ধতি। নিয়মীয়া চিকিৎসাৰ প্ৰয়োজন হোৱা ৰোগীসকলৰ বাবে এই কেন্দ্ৰ বিশেষভাৱে উপকাৰী হ'ব। স্থানীয় স্বাস্থ্য সেৱাৰ পৰিসৰ বৃদ্ধি কৰাত এই উদ্বোধনক এক উল্লেখযোগ্য পদক্ষেপ হিচাপে গণ্য কৰা হৈছে। কেন্দ্ৰটোৰ জৰিয়তে ৰোগীসকলে নিজৰ অঞ্চলৰ ওচৰতে চিকিৎসা লাভ কৰাৰ সুযোগ পাব।

প্ৰথম পৃষ্ঠাৰ পৰা

# মহালয়া আৰু দেৱীৰ নৱৰাত্ৰি

নাশিনী দুৰ্গা দেৱীৰো আগমণ ঘটে। কিন্তু আমাৰ মনত এক প্ৰশ্ন উদয় হয় যে এই মহালয়ানো কি? অথবা ইয়াৰ গুৰুত্ব কি? কিন্তু মহালয়া শব্দটি সকলোৰেই পৰিচিত। বাৰু, আহোছোন এবাৰ মহালয়াৰ প্ৰকৃত অৰ্থনো কি এবাৰ আলোচনা কৰি চাওঁ।

কিন্তু আমাৰ মনত এক প্ৰশ্ন উদয় হয় যে এই মহালয়ানো কি? অথবা ইয়াৰ গুৰুত্ব কি? কিন্তু মহালয়া শব্দটি সকলোৰেই পৰিচিত। বাৰু, আহোছোন এবাৰ মহালয়াৰ প্ৰকৃত অৰ্থনো কি এবাৰ আলোচনা কৰি চাওঁ।

দেৱী ভাগৱত ব্ৰহ্ম-বৈৱৰ্ত্ত পুৰাণ গ্ৰন্থ সমূহৰ লগতে বিভিন্ন ধৰ্ম শাস্ত্ৰ মতেও পোৱা যায় যে 'মহ' শব্দৰ অৰ্থ হল স্বৰ্গমুখী হোৱা আত্মাগণ অৰ্থাৎ ভিন্ন জনৰ মতে ভূত-প্ৰেতগণ আদি। লগতে 'আলয়' শব্দৰ অৰ্থ হল- আশ্ৰয়। অৰ্থাৎ যি সময়ত প্ৰেত লোক বাসী অথবা স্বৰ্গগত- পিতৃ-মাতৃগণৰ অশৰীৰী চিন্ময় আত্মাগন অদৃশ্য ৰূপত প্ৰিয়জনৰ দৰ্শণৰ বাবে এই মৃত্যুলোকত অৰ্থাৎ আমি বাসকৰা প্ৰকৃতিৰ বায়ু মণ্ডল বা পৰি মণ্ডলত আশ্ৰয় গ্ৰহণ কৰেহি, সেই সময়খিনিয়েই হৈছে 'মহালয়া'।

ব্ৰহ্ম-বৈৱৰ্ত্ত পুৰাণ অনুসৰি যিক্ষণত পৰামাত্মা অৰ্থাৎ পৰম ব্ৰহ্মৰ লয় প্ৰাপ্তি ঘটে অৰ্থাৎ মৃত্যু লোকত কম্পন সৃষ্টি হয় আৰু চন্দ্ৰ লোকত আন্ধাৰ শৈলী সৃষ্ট হোৱা এই বিশেষ সময়ত (এই সময়খিনি মৃত্যু লোকত প্ৰায় ১৫ দিন ব্যাপ্ত হৈ থাকে)। ঠিক সেই সময় খিনিতে সমস্ত স্বৰ্গগামী পিতৃ মাতৃগণৰ আত্মাই মৃত্যুলোকৰ পৰি মণ্ডলত আহি নিজ-নিজ পৰিয়াল পৰিজনৰ বুজ ল'বলৈ মহা আলয়ৰ সৃষ্টি কৰে। সেয়েই হৈছে মহা-আলয় বা মহালয়া।

গতিকে পিতৃপক্ষৰ শেষ ক্ষণ অথবা দেৱী পক্ষৰ আৰম্ভ তথা সংযোগ বা সন্ধিক্ষণৰ পূৰ্ণ চন্দ্ৰ প্ৰাপ্ত অৱস্থাৰ সময়খিনিয়েই মহালয়া ৰূপে পৰিচিত হৈছে। বিশেষকৈ সূৰ্য্য উদয়ৰ পূৰ্ব্বৰ পৰা সূৰ্য্য উদয় পৰ্য্যন্ত প্ৰায় দুই ঘণ্টা সময়ক ব্ৰহ্মমুহূৰ্ত বুলি কোৱা হয়। 'মহালয়া' বুলি ক'লেই এই সময়খিনিকেই অতি গুৰুত্বপূৰ্ণ সময় বুলি মান্যতা দিয়া হয়। কিন্তু দুৰ্ভাগ্যৰ বিষয় কিছু বছৰৰ পৰা এই পিতৃ পক্ষৰ ঘোৰ অমাৱস্যাৰ সময়ত অৰ্থাৎ মহালয়া চলি থকা ঘোৰ অমাৱস্যাৰ কালত তথা ব্ৰহ্মমুহূৰ্তটো বহু ঠাইত ৰাতিৰে পৰা পথত ফুৰাৰ নামত অকাৰণ কোলাহল সৃষ্টি কৰা তথা স্বাদিষ্ট আহাৰ গ্ৰহণৰ বাবে যো-জা পাতি শান্ত পৰিৱেশ বিনিষ্ট কৰাও দেখা যায়। এই কাৰ্য্যবিলাক মুঠেও সমীচিন নহয়।

ইয়াৰ ফলত মৃত্যু লোকত আশ্ৰয় লৈ থকা অৰ্থাৎ মহা আলয়ৰ সৃষ্টি কৰা চিন্ময় আত্মা সমূহে বৰ কষ্ট পায় আৰু অতি ক্ৰোধান্বিত হৈ পৰে। আনকি বৰ্তমান প্ৰকৃত অৰ্থ নজনাৰ ফলত মহালয়াৰ মুহূৰ্তত বহুত লোকেই মহালয়াৰ শুভেচ্ছা প্ৰদান কৰাও দেখা যায়। কিন্তু মহালয়া পৰ্ব্বটো শুভেচ্ছা জ্ঞাপনৰ সময় নহয়। ই হ'ল স্বৰ্গগামী পূৰ্ব্বজ সকলৰ চিন্ময় আত্মাৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা নিবেদন অথবা বংশধৰ সকলৰ বাবে অথবা ভবিষ্যত প্ৰজন্মৰ বাবে কৃপা দৃষ্টি তথা আশীৰ্বাদ কামনৰহে সময়। গতিকে দেখা যায় ওপৰোক্ত কথাখিনি অজ্ঞানতাৰে ই লক্ষণ। ব্ৰহ্মপুৰাণত পোৱা সংস্কৃত শ্লোক এটিৰ মতে 'ন সন্তি পিতৰশ্চেতি কৃত্বা মনসি যো নৰঃ নত পয়তি তান ভক্তা দেহাৎ তদ্ৰুবিৰঞ্চতে পিবন্তি সৰ্ব্বনাশঙ্কঞ্চ কুৰ্ব্বন্তয় পদে পদে।।

অৰ্থাৎ যি পুত্ৰই ভক্তি সহকাৰে প্ৰতি বছৰে পিতৃ পক্ষ তথা মহালয়াৰ মুৰ্হূতত উপবাসে থাকি স্বৰ্গগামী পিতৃগণক শ্ৰাদ্ধৰ দ্বাৰা অঞ্জলি তৰ্পণ অৰ্পণ কৰে, পিতৃ গনেও তেওঁলোকৰ পুত্ৰসকলক পুষ্টি আৰোগ্য সন্তান লাভ কৰাত সহায় কৰে। লগতে ভিন্ন ভিন্ন ধৰণে যাৰ যি দৰ্কাৰ সেই ধৰণেৰে বিভিন্ন ৰূপে সহায় কৰি থাকে। কিন্তু সেই সময় বা লগ্নখিনিত প্ৰকৃত শ্ৰদ্ধাঞ্জলি দেখা নাপালে অতি ক্ৰোধান্বিত হৈ পৰি ৰক্ত পিপাসু হৈ পৰে। সেয়ে বৰ্তমানেও ইয়াৰ প্ৰকৃত অৰ্থ নজনাৰ ফলতেই মহালয়াৰ মুহূৰ্তখিনিত মহালয়াৰ শুভেচ্ছা প্ৰদান কৰা দেখা যায়। কিন্তু ই হ'ল স্বৰ্গগামী পূৰ্ব্বজৰ চিন্ময় আত্মাৰ প্ৰতি শ্ৰদ্ধা নিবেদন অথবা কৃপাদৃষ্টি কামনাৰহে সময়। শুভেচ্ছা জ্ঞাপনৰ সময় নহয়। মহালয়াৰ এই শ্ৰদ্ধামূলক দায়িত্ব পালনৰ পিছতেই অৰ্থাৎ মহালয়াৰ আগমণৰ পাছতে পৰৱৰ্তী পক্ষ তথা মাতৃ পক্ষ অৰ্থাৎ শুক্লা প্ৰতি পদৰ পৰা সৃষ্টিৰ আধাৰ দেৱী নৱ দুৰ্গাৰ আগমণ ঘটে। অৰ্থাৎ মহালয়াৰ অৱসান হোৱাৰ পিছতে মাতৃ পক্ষ বা দেৱী পক্ষ আৰম্ভ হয়। এই দেৱী পক্ষ মা লক্ষ্মী দেৱীৰ পূজাৰ পিছতে অৰ্থাৎশুক্লা পূৰ্ণিমা তিথিত মা দেৱী লক্ষ্মী দেৱীৰ পূজা সমাপন কৰি দেৱী পক্ষৰ বা মাতৃ পক্ষৰ অৱসান ঘটায়। মুঠতে সম্পূৰ্ণ দেৱী পক্ষটোতে দেৱীৰ ন টা ৰূপৰ পূজা কৰি শেষত মা লক্ষ্মী দেৱীৰ পূজা অৱসানে দেৱী পক্ষ বা সামৰণি ঘটায়।

গতিকে এই মহালয়াৰ এই মহাত্মাৰ কথা নজনাৰ ফলত বা অজ্ঞতাৰ বাবেই এই বিষয় বহু অনাহক শব্দৰ অৱতাৰণা কৰে আৰু সেই প্ৰভাত কালতে ভিন্ন ভিন্ন ধৰণে কোলাহল সৃষ্টি কৰি পৰিৱেশ বিনষ্ট কৰি তোলে। কিন্তু এনে পৰিৱেশ গঢ়ি তোলাটো নিজ পৰিয়াল পৰি জনৰ বাবে অতি হানিকাৰক।

যিয়ে নহওক, মহালয়া শেষ হোৱাৰ পাছতেই অৰ্থাৎ পৰৱৰ্তী পক্ষ মাতৃ পক্ষ অৰ্থাৎ শুক্লা প্ৰতি পদৰ পৰা সৃষ্টিৰ আধাৰ দেৱী দুৰ্গাৰ নৱৰাত্ৰি অথবা নৱদুৰ্গাৰ আগমণ হয়। এই নবৰাত্ৰি বা নব দুৰ্গাৰ পূজা দৰাচলতে আহিন মাহতেই সমাপন হোৱাটো প্ৰশস্ত বুলি কোৱা হয়, শাস্ত্ৰ মতে। এইখিনিতে আমি জ্যোতিষ সম্পৰ্কীয় এক গুৰুত্বপূৰ্ণ কথা উল্লেখ কৰাৰ প্ৰয়োজন আছে। কিয়নো চন্দ্ৰমাহ গণনাত স্থান বিশেষে পূৰ্ণিমান্ত আৰু আমাৰ অমাৱস্যান্ত দুই ধৰণৰ সময় বিভাজন প্ৰয়োগ হৈ থাকে যদিও শাৰদীয় নৱৰাত্ৰিৰ আগমণ মুহূৰ্তত পূৰ্ণিমান্ত আহিন মাহ চলি থাকে আৰু এই সময়তে অমাৱস্যান্ত পঞ্জিকাতো আহিন মাহ আৰম্ভ হয়। তাৰোপৰি মহালয়াৰ সন্ধিক্ষণ তথা মাতৃ পক্ষৰ আৰম্ভণি বা শাৰদীয় নৱৰাত্ৰিৰ আগমণ মুহূৰ্তত ৰবি ৰাশি মণ্ডলৰ ভূ-উপাদান যুক্ত স্থান জ্ঞান কাৰক বুধ গ্ৰহৰ অধিকৃত কন্যা ৰাশিত অৱস্থান থাকে। ইয়াৰ কোনো কালেই পৰিৱৰ্ত্তন নহয়।

পৌৰাণিক সনাতন শাস্ত্ৰ অনুযায়ী ত্ৰেতা যুগত প্ৰভূ শ্ৰী ৰামচন্দ্ৰই দক্ষিনায়ন কালত অৰ্থাৎ দেৱতাৰ শয়ন কালত মহা প্ৰতাপী ৰাৱণৰ পৰাজয় অৰ্থে আৰু মাতা সীতাক উদ্ধাৰৰ বাবে অকাল বোৰ্বণৰ দ্বাৰা মহামায়া-মহাশক্তি; প্ৰলয়ৰ সিপাৰো বিৰাজ মান; শক্তি ৰূপেন সংস্থিতা মাদুৰ্গাৰ আৰধনা কৰিছিল এইখিনিতে বহুতৰেই প্ৰশ্ন আহিব যে 'অকাল বোধন' মানে কি? প্ৰকৃততে ই হ'ল দেৱগিৰি অৰ্থাৎ সংস্কৃত 'বোধন' শব্দৰ অৰ্থ জাগ্ৰত কৰা। আহিন মাহৰ নৱৰাত্ৰিৰ সময়ত দক্ষিনায়ন অৰ্থাৎ দেৱতা সকলৰ বা দৈৱ শক্তিটোৰ শয়ন কালে চলি থাকে। সেয়ে দৈৱ শক্তিৰ আৰধনা, পূজা অৰ্চনাৰ সময়ত বোধন অৰ্থাৎ নিৰ্দিষ্ট কিছু বৈদিক ক্ৰিয়াৰ তথা বিধি বিধানৰ দ্বাৰা জাগ্ৰত কৰা হয়। কিয়নো সংস্কৃতত 'বোধন' শব্দটো প্ৰয়োগ হৈ থাকে। এনে কাৰণবোৰতেই বসন্ত কালত আগমণ ঘটা নৱৰাত্ৰীৰ সময়ত দেৱীৰ উপসনা তথা পূজা অৰ্চনা সংকল্পৰ সময়ত 'দেৱী বোধন' নহয়, কিয়নো এই সময়ত ৰবিৰ উত্তৰায়ন কাল চলি থাকে। অৰ্থাৎ এই সময়ত দৈৱ শক্তিৰ স্বয়ং জাগ্ৰত সময় ৰূপে মান্যতৰ আছে। আনহাতে ত্ৰেতা যুগত দৈত্য ৰাজ ৰাৱণেই আছিল একমাত্ৰ দৈত্য কুলৰ ব্ৰাহ্মণ। যিগৰাকী ৰাৱণে তিনি সন্ধ্যাই গায়ত্ৰী জপ পালনেৰে নিজৰ ব্ৰাহ্মণত্ব তথা অস্তিত্ব ৰজাত সমৰ্থৱান আছিল। তাৰোপৰি তেওঁ আছিল দেৱী আদ্যাৰ্শক্তি-মহামায়া দেৱী দুৰ্গাৰ একান্ত ভক্ত, যাৰ অবিহনে দেৱী দুৰ্গাক সন্তুস্ত কৰা কাৰোসধ্য বা সম্ভৱ নাছিল।

সেয়ে শ্ৰী ৰামচন্দ্ৰই তেওঁৰ সস্কল্পিত দেৱী পূজাৰ বাবে উপযুক্ত পুৰোহিত বিচাৰি নাপাই অৰ্থাৎ ত্ৰিসন্ধ্যা-গায়ত্ৰী জপ কৰা নিখুত ব্ৰাহ্মণ পুৰোহিতৰ অভাৱত ৰাৱণকেই সীতা উদ্ধাৰ ৰজত স্বৰূপ, মহাদেৱী দুৰ্গা-দশভূমা তথা আদ্যাশক্তি মহামায়াৰ পূৰোহিত ৰূপে। কিন্তু স্বয়ং ৰাৱণ আছিল সম্পূৰ্ণ দেৱী উপাসক। সেয়ে নিজৰ মৃত্যু পথো বাচি ল'বলৈ কুণ্ঠাবোধ কৰা নাছিল। কাৰণ সকলো জানি শুনিয়ো নিজৰ মৃত্যুৰ বাবে দেৱীৰ আশীৰ্বাদ বিচাৰি শ্ৰী ৰামচন্দ্ৰৰ অকাল বোধন যজত উপাসনা তথা দেৱী মহামায়া দুৰ্গা দুৰ্গাত নাশিনী দশভূজাৰ সংকল্পিত পূজা সন্ধিত স্বয়ংপুৰুহিতৰ দায়িত্ব ল'বলৈ অকনমানো বিচলিত হোৱা নাছিল। স্বতঃস্ফূৰ্তভাৱেই দেৱী মহামায়াৰ শ্ৰীচৰণত শ্ৰী ৰামচন্দ্ৰৰ হৈ পূজা সম্পন্ন কৰাৰ অনুৰোধ ৰজা কৰি ব্ৰাহ্মণ ৰূপে স্বীকাৰ কৰিছিল। (যিটো আজিৰ যুগত বৰ্তমান স্বাৰ্থপৰ কলিৰ মানবৰ পক্ষে অসম্ভৱ)।

**বিশেষ দ্ৰষ্টব্য**

১। সনাতন পৰম্পৰা অনুসৰি কোনো শুভ অনষ্ঠান আৰম্ভৰ আগতে প্ৰথম পূৰ্ব্বজৰ সন্তুষ্টিৰ মৰ্মে তথা স্বৰ্গগামী সমস্ত জীৱাত্মাৰ শান্তি বা সন্তুষ্টিৰ বাবে শ্ৰাদ্ধ তৰ্পনাদি অনুশীলন কৰা হয়। ই কোনো নিয়ম বা স্মৰণ মাত্ৰ নহয় ইয়াৰ মাজতে লুকাই আছে বহু অদৃশ্য দৈবিক শক্তি প্ৰৱাহ।

২। ব্ৰহ্মবৈৱৰ্ত পুৰাণ অনুসাৰে দেৱতাসকলক সন্তুষ্ট কৰাৰ আগতে পিতৃ পুৰুষ সকলক সন্তুষ্ট কৰা উচিত। অন্যথা ফল প্ৰাপ্তি বাধাগ্ৰস্ত হয়।

৩। পুনৰ উল্লেখ কৰা হ'ল, মহালয়াৰ মুহূৰ্তত প্ৰভাত কালে কোলাহল সৃষ্টি অনুচিত।

৪। মৎস্য পুৰাণত কৈছে

'পিতৃন প্ৰিনাতি যো ৰক্তাতে পুনঃ
গ্ৰীনয়ন্তি তম।
যচ্ছন্তি পিতৰঃ পুষ্টিং স্বৰ্গাৰাগ্যং
প্ৰজাফলম।।'

অৰ্থাৎ যি পুত্ৰই ভক্তি সহকাৰে প্ৰতি বছৰে পিতৃ পক্ষ তথা মহালয়াৰ মুহূৰ্তত উপবাসে থাকি স্বৰ্গগামী পিতৃগমক শ্ৰাদ্ধ অৰ্থাৎ শ্ৰদ্ধা ভক্তি সহকাৰে অঞ্জলি তৰ্পণ অৰ্পণ কৰে, পিতৃ গণেও পুত্ৰসকলক পুষ্টি আৰোগ্য সন্তান লাভ কৰাত সহায় কৰে। তাৰোপৰি ভিন্ন ভিন্নভাৱেও সহায় কৰি থাকে।

কিন্তু সেই সময়ত প্ৰকৃত শ্ৰদ্ধাঞ্জলি নাপালে ক্ৰোধান্বিত হৈ পৰি ৰক্ত পিপাসু হৈ পৰে। যাৰ ফলত অদৃশ্য দৈৱিক শক্তিৰ প্ৰকোপত পাৰিবাৰিক নানা নানা অশান্তি অচিন ৰোগাক্ৰান্ত শৰীৰ তথা ভিন্ন প্ৰতিবন্ধকতাৰ সৃষ্টি হৈ থাকে।

মহালয়াৰ সময়ত পিতা-মাতা বন্ধু আদি স্বৰ্গগামী আত্মগণ সকলকেই স্মৰণ আৰু তৃপ্তি লাভৰ কামনা কৰা হয়।

৫। এক গুপ্তজ্যোতিষ শাস্ত্ৰ অনুসৰি প্ৰতি নক্ষত্ৰৰ উপাদান তথা স্থিতি হিচাবে পাঁচ বিধ অঙ্গৰ গুণ যুক্ত দৈৱিক পথীৰ লগত সম্পৰ্কিত পাঁচটি পথী হৈছে কাউৰী ফেঁচা মুৰ্গী শগুণ আৰু মোৰ। আমাৰ সমাজত ওপৰত উল্লেখ কৰা এই পাঁচবিধ পথী বাসস্থানত প্ৰৱেশ কৰাটো অশুভ সূচক ৰূপে গণ্য কৰা হয়। কিন্তু বহুতেই ইয়াৰ প্ৰকৃত কাৰণ বিশ্লেষণ কৰাত ব্যৰ্থ হোৱা দেখা যায়। বিশেষকৈ পিতৃ পক্ষ বা মহালয়াৰ সময়ত এই পাঁচ বিধ পথী বাসস্থানত প্ৰৱেশ কৰাটো অত্যন্ত অশুভ সূচক বুলি গণ্য কৰা হয়। এনেহ'লে বিধিগত প্ৰতিকাৰ অনুশীলন কৰাটো নিত্যান্তই প্ৰয়োজন থাকে। তথ্য বা পুৰাণ অনুসৰি এক সময়ত কাউৰীয়ে এবাৰ চুৰি কৰি দেৱতাৰ উদ্দেশ্যে সমৰ্পিত অমৃত ভক্ষণ কৰিছিল। সেয়েই এই কাক পক্ষী অৰ্থাৎ সৰল ভাষাত কাউৰীৰ কোনোদিন স্বাভাৱিক মৃত্যু নহয়। অৰ্থাৎ পূৰ্ণ আয়ু লাভ নকৰে।

৬। সনাতন জ্যোতিষ শাস্ত্ৰ অনুসাৰে জন্ম কুণ্ডলীত সৃষ্টি হোৱা পিতৃ দোষ কাল সৰ্প দোষ সকলোতকৈ জটিল দোষ তথা অশুভ প্ৰভাৱ কাৰক হিচাবে বিবেচনা কৰা হয়। সেয়ে পুৰাণত উল্লেখ থকা মতে মহালয়া তথা পিতৃ পক্ষত এই কাক পথীক খাদ্য অৰ্পণ কৰিলে পিতৃ দোষ কাল সৰ্প দোষ আদিৰ দৰে অশুভ দৈবিক প্ৰভাৱৰ পৰা মুক্ত হ'ব পাৰে। কিন্তু সনাতন সংস্কাৰ অনুসৰি বিধিপূৰ্বক পূৰ্ব্বজৰ শ্ৰাদ্ধ তৰ্পণ আদি কৰ্ম অনুশীলন নকৰিলে আত্মা এই মায়াৰ সংসাৰত বা মৃত্যু লোকতে প্ৰেত আদিৰ ৰূপত বিচৰণ কৰি থাকে। সেয়ে ব্ৰহ্মবৈবৰ্ত পুৰাণ অনুসাৰে দেৱতা সকলক সন্তুষ্ট কৰাৰ আগত পিতৃ পুৰুষ সকলক সন্তুষ্ট কৰা উচিত। অন্যথা দৈবিক ফল প্ৰাপ্তি বাধাগ্ৰস্ত হয়। যিয়েই নহওঁক পিতৃ পক্ষ তথা মহালয়াৰ অতিকে গুৰুত্বপূৰ্ণ আৰু সকলোৱে মানি চলাটো প্ৰয়োজনীয়।

৭। এতিয়া আমি মূল কথালৈ আহিছো। অনেকে হয়তো প্ৰশ্ন তুলিব পাৰে যে মহালয়াৰ সৈতে দেৱী দুৰ্গাত নাশিনী দুৰ্গা দশভূজা মাতা মহামায়াৰ সম্পৰ্ক কি? সম্পৰ্ক এই খিনিতে যে মহালয়া অৱসান হোৱাৰ পিছতে আহিন মাহৰ পৱিত্ৰ শুক্লাতিথি প্ৰতিপদ আৰম্ভ হয়। অৰ্থাৎ আহিন মাহৰ পৱিত্ৰ অমাবস্যা ৰাতি মহালয়াৰ দিনাৰ পৰা শুক্লা দশমী তিথিৰ দিনলৈকে দেৱী আদ্যাশক্তি মহামায়াৰ নটি ৰূপৰ নগৰাকী দেৱীৰ পূজা 'নৱৰাত্ৰি' পূজা হিচাবে পালন কৰা হয়।

এই নগৰাকী দেৱীৰ ভিতৰত শৈল পুত্ৰী নামধাৰিনী দেৱী গৰাকীয়েই হ'ল প্ৰথম মহা শক্তি ধাৰিনী এই গৰাকী আই দুৰ্গা। দেৱীযে আহিন মাহৰ পৱিত্ৰ অমাবস্যা তিথিত মহালয়াৰ দিনা হিমালয় পৰ্বতৰ ওখ টিঙত শৈলপুত্ৰী নাম লৈ আবিৰ্ভূত হয়। সেয়ে 'নববাত্ৰি' পূজাৰ প্ৰথম দিনাই এওঁৰ পূজা হয়। এই দেৱী গৰাকীৰ মহিমা অপাৰ।

এই শৈলপুত্ৰী দেৱী পূৰ্বজনমত প্ৰজাপতি দক্ষৰ কনিষ্ঠা কন্যা ৰূপে জন্মগ্ৰহণ কৰি নাম লৈছিল 'সতী'। কুমাৰী কালৰে পৰা দেৱাদি দেৱ মহাদেৱক পতি ৰূপে পাবলৈ কঠোৰ তপস্যা কৰিছিল। তপস্যাত বৰ লাভ কৰি তেওঁ মহাদেৱৰ লগত বিয়া হৈ পৰম সুখেৰে কৈলাস পৰ্ব্বতৰ শিখৰত বাস কৰি আছিল। পিতৃ দক্ষ ৰজাই এবাৰ সকলো দেৱতাক নিমন্ত্ৰণ কৰি এটি বৰ ডাঙৰ যজ্ঞ পাতিছিল। কিন্তু সেই যজ্ঞত মহাদেৱ শিৱৰ লগত এক মনোমালিন্য ঘটাত তেওঁক সেই যজ্ঞত নিমন্ত্ৰণ কৰা নাছিল। কিন্তু সেই যজ্ঞত তেওঁৰ কনিষ্ঠ জোঁৱাই প্ৰভূ মহাদেৱ শিৱক কিয় বিনা নিমন্ত্ৰত কৰি ৰাখিলে অথবা কিয় যজ্ঞৰ ভাগ তেওঁ নাপালে, তাকে জানিবৰ বাবে দেৱী সতী বিনা নিমন্ত্ৰণ হ'লেও নন্দী আৰু ভূঙ্গিক লগত লৈ স্বামী শিবিৰ আজ্ঞাকো নামনি যাবলৈ উদ্যত হ'ল।

দেৱী সতীয়ে গৈ দেখিলে যে পিতৃয়ে যজ্ঞ পাতি সকলো দেৱতাৰ সৈতে যজ্ঞস্থলীত বহি আছে। যজ্ঞ স্থলীত পিতৃ দক্ষই তেওঁৰ কনিষ্ঠা কন্যা সতীক দেখা পায়ো তেওঁক মৰম আদৰ নকৰি বৰং মহাদেৱক নানা গালি ককৰ্থনাৰে নিন্দা কৰিবলৈ ধৰিলে। সতীয়ে পিতৃ দক্ষৰ পৰা জোঁৱাই প্ৰভূ শিৱ গোসাঁই এনে এনে অপমান অথবা তেওঁৰ নিন্দা শুনি স্থিৰে থাকিব নোৱাৰিলে। পিতৃয়ে কৰা স্বামীৰ প্ৰতি এই নিন্দা সহ্য কৰিব নোৱাৰি সতীয়ে নিজেই নিজৰ প্ৰাণ সেই যজ্ঞৰ সন্মুখতে তথা যজ্ঞ কুণ্ডতে আহুতি দি প্ৰাণ ত্যাগ কৰে।

সতীৰ এই প্ৰাণ ত্যাগৰ সকলো কথা শুনি মহাদেৱ শিৱ অতি ক্ৰোধান্বিত হৈ পৰে। প্ৰাণ প্ৰিয়তমা পত্নীৰ এই প্ৰাণ ত্যাগ সহ্য কৰিব নোৱাৰি দক্ষৰ সেই যজ্ঞ লণ্ড ভণ্ড কৰি দক্ষকো সমুলক্ষে নাশ কৰেহি। পাছত যেনিবা পত্নী প্ৰসূতি দেৱীৰ কাকুতিত দক্ষৰ প্ৰাণ ঘূৰাই দিয়ে।

যদিও তেওঁ বিচাৰি নাপাই মুণ্ড ছাগলীৰ মুণ্ড সংযোজন কৰাই দক্ষক পুনৰ জনম দিয়ে। তাৰ পিছত সতীৰ প্ৰাণহীন দেহা মূৰত লৈ মহাদেৱ শিৱই জগত ভ্ৰমি ফুৰিব ধৰিলে।

তাৰ পিচত প্ৰভূ বিষ্ণু দেৱে সৃষ্টি ৰজা হেতু মহাদেৱ শিৱৰ মূৰৰ পৰা সন্তীৰ প্ৰাণ হীন দেহা সুদৰ্শন চক্ৰেৰে কাটি-কাটি ধৰিত্ৰীৰ বুকুত পেলাই দিলে আৰু প্ৰভূ সহাদেৱ শিবক মুক্ত কবিৰ দিলে। য'ত য'ত সতীৰ দেহাৰ অন্দ পৰিছিল, সেই ঠাই সমূহ আজিও এক বিখ্যাত তীৰ্থ স্থান হৈ থাকিল। নীলাচল পাহাৰত মা কামাখ্যা নামেৰে এক প্ৰধান পীঠ হিচাপে আমিও জিলিকি আছে।

কিন্তু এইখিনিতে আমি মন কৰিব লাগিব যে সতীৰ সেই চিন্ময় আত্মাটি ক'লৈ বাৰু গুচি গ'ল। এই প্ৰশ্নটিৰ উত্তৰেই হ'ল যে দেৱী সতীৰ সেই প্ৰানহীন দেহাৰ চিন্ময় আত্মাটোৰেই হ'ল আজিৰ আলোচ্য বিষয়, মহালয়াৰ লগত জড়িত হৈ থকা এই নবৰাত্ৰি পূজাৰ প্ৰাসঙ্গিকতা অৰ্থাৎ দেৱী সতীৰ দেহাটিৰ পৰা আত্মাটি ওলাই গৈ হিমালয়ৰ উচ্চ শিখৰত আশ্ৰয় ল'লৈগে। পিচত সেই আত্মাই পুণৰ হিমালয়ৰ ৰজা হেমবন্তৰ ঘৰত উমা নামেৰে তেওঁৰ সতী পত্নী মেনকাৰ গৰ্ভত জন্ম ল'লৈগে। পুনৰ তেওঁ মহাদেৱ শিৱক স্বামীৰূপে পাবলৈ তপস্যাত বহে। পঞ্চ বচৰতে তপস্যাত বহি পুনৰ স্বামীৰূপে প্ৰভূ শিৱকে আকৌ প্ৰাণ প্ৰিয়তম হিচাবে লাভ কৰে।

গতিকে এৱেই শৈলপুত্ৰী জপে-'মহালয়া' অৱসানে আহিন মাহৰ গুক্লা প্ৰতিপদ তিথিত হিমালয়ৰ চূড়াত আবিৰ্ভূত হোৱা দেখুৱাই শৈলপুত্ৰী হিচাবে জগতত প্ৰথম গৰাকী দেৱীৰ প্ৰথম ৰূপ বুলি 'নটা দেৱীৰ জপ কৰি গ্ৰহণ কৰি পৃথিৱীত পূজা অৰ্চনা গ্ৰহণ কৰি আছে।

গতিকে মহালয়া আৰু নবৰাত্ৰি সম্বন্ধে আমি এই খিনিতে এক সংযোগ ঘটিছে বুলি ক'ব পাৰো। কিয়নো দুয়োটা কাহিনীয়ে মানুহৰ পুনৰ জন্ম তথা চিন্ময় আত্মা সমূহৰ এক মিলিত সংযোগ সাধনাৰ ইংগিত দিছে। কিয়নো দেৱী সতীৰ চিন্ময় আত্মাটোৱে পৃথিবীৰ মনুষ্য জীৱনৰ পিতৃ-পুত্ৰ-আত্মীয় স্বজণৰ যি মায়া-মোহৰা জৰী গছি কেতিয়াও চিডি নোহোৱাটোকে প্ৰমাণ কৰিছে। কিয়নো দেৱীৰ যেনেকৈ মেনকাৰ গৰ্ভত পুনৰ গৈ জন্ম ল'লৈ আত্মাই ঠিক তেনেকৈ নৰলোকতো পিতা-পুত্ৰ বা নিকট আত্মীমৰ লগত চিন্ময়ী। আত্মাবোৰে গতিকে পূৰ্ণ জন্ম আমি বিশ্বাস কৰিব লাগিব। সোয় মহালয়া তচিন্ময় আত্মা সমূহ পৃথিৱীৰ বুকুলৈ নামি আহে।

অৰ্থাৎ দেৱীৰ আত্মাটোৱে যেনেকৈ পুনৰ মেনকাৰ গভৰ্ত গৈ জন্ম জন্ম ল'লে, ঠিক তেনেকৈ নৰলোকতো পুত্ৰ-কন্যা বা নিকট আত্মীয়ৰ পৰা বিচ্ছিন্ন হৈ-নগৈ পুনৰ আহি-পূৰ্বৰ চিন্ময় আত্মাবোৰে বিচ্ছিন্ন হৈ নগৈ মহালয়াৰ সময়ত তেওঁলোকৰ পূৰ্বৰ আত্মীয় সকল বা পুত্ৰ-কন্যা সকলৰ লগত এবাৰ মিলিবলৈ প্ৰতি বছৰত মহালয়াল সময়ত মিলিত হবলৈ আহি শ্ৰাদ্ধ-পিণ্ডাদি তৰ্পন তথা শ্ৰদ্ধা-ভক্তিপূৰ্ণ শ্ৰদ্ধাঞ্জলি গ্ৰহণ কৰি পুনৰ গুচি যায়। অৰ্থাৎ এয়াই হ'ল মায়া-মোহৰ সংসাৰ। এৰি যাবলৈ কাৰো মন নামায়। সেয়ে বছৰত এবাৰ হ'লেও মহালয়াৰ সময়ত পূৰ্বৰ বংশধৰ সকলৰ হাতেৰে পিণ্ড তৰ্পণ শ্ৰাদ্ধ বা শ্ৰদ্ধাঞ্জলি ল'বলৈ আহে। হয়তো কাৰোবাৰ পুনৰ জন্মও হ'ব পাৰে। এয়াই হ'ল মহালয়া আৰু দেৱী নৱৰাত্ৰিৰ বিশেষত্ব।

এয়ামাত্ৰ আমাৰ প্ৰয়াস। ভুল ত্ৰুটি হ'ব পাৰে। ইয়াৰ বাবে আমি ক্ষমা প্ৰাৰ্থী হৈ থাকিলো।

'ওং জন্ম-মৃত্যু-জৰা তস্ত জন বিভ্ৰান্তি
দায়িনৈ নমঃ।
ওং সৰ্ব্ব মঙ্গলায়ৈ নমঃ।



















স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০০৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.in/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সহযোগী সম্পাদক ঃ ৰমেন ভৰালী
সম্পাদক ঃ প্ৰণতি বৰা